# কটন কলেজ আলোচনী



সম্পাদক : শ্ৰীহিতেশ বিকাশ গগৈ।

# কানৈ কলেজ আলোচনী

কানৈ মহাবিদ্যালয়ৰ ছাত্ৰছাত্ৰীসকলৰ
বছেৰেকীয়া মুখপত্ৰ

১৯৭১-৭২ চন

২৬শ সংখ্যা
(ৰূপালী জয়ন্তী বছৰ)

THE DIBRUGARH HANUMAN BOX SARUJMALL KANOI COLLEGE

সম্পাদক : শ্ৰীহিতেশ বিকাশ গগৈ

বেটুপাত –
॥ বিপ্লৱ, প্ৰগতি আৰু ভৱিষ্যত ॥
মাখন লাল শইকীয়া
২য় বাৰ্ষিক, কলা )

**সম্পাদকৰ কৃতজ্ঞতা –**
ছাত্ৰ সভাৰ সভাপতি অধ্যক্ষ সুশীল চন্দ্ৰ দত্ত আৰু সম্পাদনা সমিতিলৈ ।

**বিভিন্ন দিশত সহায় আৰু পৰামৰ্শৰ বাবে**
ছাত্ৰ সভাৰ উপদেষ্টা উপাধ্যক্ষা লক্ষ্মীদা দত্ত, অধ্যাপক পৰীক্ষিত হাজৰিকা, অধ্যাপক প্ৰফুল্ল ভট্টাচাৰ্য্য, অধ্যাপক ভীম কোৱঁৰ, অধ্যাপক সুনীল বৰঠাকুৰ, অধ্যাপক ভবেন বৰুৱা ।

**শলাগ লৈছো–**

ডিব্ৰুগড় লখিমী প্ৰেছৰ মালিক শ্ৰীবিপিন শৰ্ম্মা প্ৰমূখ্যে কৰ্ম্মীবৃন্দ ।

গুৱাহাটীৰ শ্ৰীগুৰু প্ৰেছ

ভাৰতী ষ্টুডিঅ'

**সম্পাদনা সমিতি**

অধ্যাপক যাদব বৰুৱা, ভাৰপ্ৰাপ্ত অধ্যাপক,
অধ্যাপক ৰঞ্জিত কুমাৰ ৰয়, উপদেষ্টা

শ্ৰীমোহন সোণোৱাল, সদস্য
শ্ৰীকুহিৰাম গগৈ, সদস্য
মিচ্ লীলা সোণোৱাল, সদস্যা

**সম্পাদনাত**
**শ্ৰীহিতেশ বিকাশ গগৈ**

প্ৰধান কাৰ্য্যালয়ৰ সহায়ক শ্ৰীবেণু দাস, ইউনিয়ন ক্লাৰ্ক চন্দ্ৰেশ্বৰ গোহাঁই প্ৰমূখ্যে কাৰ্য্যালয়ৰ সকলো কৰ্ম্মী । পুথি ভঁৰালৰ শ্ৰীপূণ্যধৰ ৰাজখোৱা, প্ৰফুল্ল দাস আৰু কৰ্ম্মীসকল ।

তৰুণ বৰা, প্ৰদীপ গোহাঁই, ফটিক গগৈ, ভূপেন্দ্ৰ ৰাজমেধী, হেমেন সোণোৱাল, লীলেশ্বৰ গগৈ হৰকান্ত কুলি, বুদ্ধেশ্বৰ গগৈ, দেৱ গোহাঁই, গুণীন গগৈ, অৱনী শইকীয়া, যাদৱ শইকীয়া ।

লগতে—

গিৰিশ, অজয়, ডালিং, ৰং, ৰঞ্জু, এঞ্জেলা ৰাণী, বিভাৱ, নাঠু, ৰোমাঞ্চ আদি ।

# অৰ্পণ

There are two freedoms; the false, where one is free to do what he likes, and the true, where he is free to do what he ought. —Kingsley

বৃটিছৰ কবলৰ পৰা মুক্ত হৈ ভাৰতে আজি
স্বাধীনতাৰ পচিশতম গুৰুত্বপূৰ্ণ বছৰত ভৰি
দিছেহি। স্বাধীনতাৰ ৰূপালী জয়ন্তী
বছৰৰ শুভক্ষণত সেয়ে ভাৰতে আজি
সেই স্বহীদ সকলক সুঁৱৰিছে,
যি সকলে স্বাধীনতা সংগ্ৰা-
মত জপিয়াই পৰি আত্ম-
বলিদান দি গ'ল
সেই স্বহীদ
সকলৰ
পূততম্
পবিত্ৰতম্
স্মৃতিত এই সংখ্যাৰ
কানৈ কলেজ আলোচনী
শ্ৰদ্ধাৰে অৰ্পণ কৰা হ'ল।

* * *

# এই সংখ্যাত আছে—


সম্পাদকীয়

বৌদ্ধিক পৰিবেশ আৰু ছাত্ৰৰ মৌলিকতা (প্ৰবন্ধ) ১ হীৰেণ গগৈ
( কবিতা ) প্ৰসৱ বেদনা ৯ প্ৰহ্লাদ চন্দ্ৰ তাচা
( গল্প ) ছিন্নৰেখা ১০ বিপিন কুমাৰ বৰা
শ্ৰীমদভাগবদগীতাৰ কৰ্ম্ম-জ্ঞান আৰু কৰ্ম্মসন্যাস যোগ ( প্ৰবন্ধ ) ১৯ প্ৰণবানন্দ ভট্টাচাৰ্য্য
( কবিতা ) বন্ধুৰ ৰিঙ ২৮ অধ্যাপক ভবেন বৰুৱা
ভাৰতৰ অৰ্থনৈতিক স্বাধীনতাৰ বিপ্লৱত বাঁচী হেভী ইঞ্জিনিয়াৰিং কৰ্পোৰেচনৰ ভূমিকা ( প্ৰবন্ধ ) ৩০ দিলীপ চাংমাই
( কবিতা ) জীৱনৰ প্ৰতি ৩৫ টঙ্কেশ্বৰ হাজৰিকা
( গল্প ) যাযাবৰ ৩৭ যতীন্দ্ৰনাথ গগৈ
( কবিতা ) সহাঁৰি ৪২ মহানন্দ গগৈ
আন্তৰ্জ্জাতিক শ্ৰমিক সন্থা আৰু ভাৰত ( প্ৰবন্ধ ) ৪৪ নাৰায়ণ ঘাটোৱাৰ
( কবিতা ) হে আকাশ ৪৮ অপৰাজিতা চুতীয়া
( গল্প ) যন্ত্ৰণা ৪৯ চজিনা চৌধুৰী
( কবিতা ) বিচাৰ ৪২ অধ্যাপক শিৱ দত্ত
( উপান্যাসিকা ) গ্ৰহণান্তত উত্তমাশা ৫৪ হিতেশ বিকাশ গগৈ
( কবিতা ) হেকুৱা অনুৰাগৰ কথাৰে ৬৬ ফটিক গগৈ
সুন্দৰৰ বৰচ'ৰা ৬৭
( গল্প ) প্ৰাচীৰ ৭৩ মোহন সোণোৱাল
স্বাধীনতাৰ ৰূপালী জয়ন্তীঃ এটি তাৎপৰ্য্য ৭৯ বসন্ত কুমাৰ বৰা
কানৈ কলেজৰ ৰূপালী জয়ন্তী উৎসৱৰ কাৰ্য্য বিৱৰণী ৮১ অধ্যাপক সুনীল বৰঠাকুৰ
( কবিতা ) দৃশ্যপটঃ বিপ্লৱ আৰু মই ৮৫ লম্বেশ্বৰ চেতিয়া
( আলোচনা ) বুৰঞ্জীৰ পটভূমিত 'জয়মতী উপাখ্যান' ৮৭ যতীন গোহাঁই

# Our Principals



Founder Principal,
Dr. J. R. Bose, M.A. (Triple), Ph.D.



Ex-Principal,
L. P. Dutta, M. A., B. L.



Present Principal,
S. C. Dutta, M. A.

# Bharat Darshan Party
# 1971



From Left to Right

Sitting : Miss. B. Dutta, Prof. P. P. Upadhyaya, Mr. B. K. Borah, Miss. P. Borah.

Standing : Mr. K. R. Das, Mr. A. K. Das, Mr. S. K. Das, Mr. M. Sonowal, Mr. H. V. Gogoi and Mr. D. Changmai.

The College can be proud of this party. Mr. Hitesh Vikash Gogoi, won the first prize in the Essay Competition held during the course of journey. Second and third prize also won by Mr Kumud Ranjan Das and Mr. Mohan Sonowal.

সম্পাদকীয়

# নতুন পুৰুষ ঃ দুৰ্নীতি নিবাৰণত ভুমিকা

কিছুমান বাস্তৱ সমস্যাৰ হেচঁাই আজি নতুন পুৰুষৰ চিন্তা, কল্পনা, উদ্যম সকলোতে এক দুৰ্লঙ্ঘ্য প্ৰাচীৰ হৈ ঠিয় দিছে। শিক্ষাবিভাগকে আদি কৰি সকলো-ক্ষেত্ৰতেই আজি নতুন পুৰুষে দেখিছে দুৰ্নীতিৰ অভিনয়। সকলোবোৰ হৈ পৰিছে আজি ৰাজনীতিৰ অন্যতম প্ৰধান ক্ৰীড়াভূমি। পৰীক্ষানীতিৰ ত্ৰুটি, শিক্ষাবিভাগৰ আমোলাতান্ত্ৰিকতা আদিয়ে নতুন পুৰুষৰ সুদূৰ প্ৰসাৰী বা গঠনমূলক চিন্তাৰ কণ মাৰিব ধৰিছে। কি ভাষা, কি শিক্ষা সকলো ৰাজনীতিৰ বায়ুৱে বিষাক্ত কৰি তুলিছে। নতুন পুৰুষচাম বৰ্ত্তমান এনে এটা সন্ধিক্ষণত উপনীত হৈছে যে তাৰ পৰা মুক্তি পাবলৈ হ'লে এটা সু-পৰিকল্পিত, সংযত বিল্পৱৰ প্ৰয়োজন হৈ পৰিছে। শিক্ষা, সাহিত্য, সংস্কৃতি সকলোদিশতে নতুন পুৰুষৰ বাবে আহি পৰিছে কিছুমান নতুন দায়িত্ব। দুৰ্নীতি আৰু ক'লাবেপাৰীৰ পৰা দেশখনে উশাহ নোপোৱা হৈছে। এই দুৰ্নীতিৰ কৱলত পৰা সমাজখনক উদ্ধাৰ কৰাৰ সম্পূৰ্ণ দায়িত্ব প্ৰকৃত সমাজপ্ৰেমী বিজ্ঞ ব্যক্তিসকলৰ সমন্বিতে নতুন পুৰুষে নিজৰ হাতলৈ অনা প্ৰয়োজনীয়। দুৰ্নীতিৰ প্ৰশ্ন উঠিলেই আমি দেখিবলৈ পাওঁ নেতৃস্থানীয় ব্যক্তিসকলৰ দুটা বিপৰীত ধৰ্ম্মী ৰূপ। নিৰ্ব্বাচনৰ আগতে তেওঁলোকে দুৰ্নীতি দূৰীকৰণৰ আশ্বাস দিবলৈ নেপাহৰে কিন্তু ক্ষমতাৰ গাদীত বহাৰ লগে লগেই তেওঁলোক হৈ পৰে— ভণ্ড তপস্বী। তেওঁলোকে পূৰ্ব্বতে দেখা দুৰ্নীতিৰ নমুনাবোৰ আওকাণ কৰে। এতিয়া কথা হ'ল, ক্ষমতাৰ গাদীত বহা লোকসকল, যাৰ পৰা আমি দুৰ্নীতি দূৰ হোৱাৰ আশা কৰোঁ তেওঁলোক নিমাত হৈ যায় কিয়? এনেবিলাক প্ৰশ্নৰ আতিগুৰি বিচাৰিলে আমি পাওঁ—

(ক) তেওঁলোকৰ মনোভাৱ প্ৰকৃতাৰ্থত বুৰ্জোৱা ধৰ্ম্মী বা আমোলাতান্ত্ৰিক হোৱা কাৰণে তেওঁলোকৰ, প্ৰতিজ্ঞা, আস্থা প্ৰতিশ্ৰুতি আদিও অভিনয় ধৰ্ম্মী হয়।

(খ) ক্ষমতাৰ গাদীখনে তেওঁলোকক বাহিৰৰ পৃথিবীখনলৈ ওলাই অহাৰ ক্ষেত্ৰত বাধা দিয়ে; অৰ্থাৎ অভীষ্টখিনি পোৱাৰ পিচত শ্ৰেণীহীন জাতীয় চেতনা, সমাজৰ অভিযোগ আদিৰ প্ৰতি তেওঁলোকৰ দৃষ্টিনিক্ষেপৰ সময় নাথাকে।

(গ) তেওঁলোকে নিজেই কিছুমান বুৰ্জোৱা শ্ৰেণীৰ দুৰ্নীতি পৰায়ণলোকৰ স্বাৰ্থ-সিদ্ধিৰ বাহন স্বৰূপ হৈ পৰে। ফলত তেওঁলোকেও দুৰ্নীতি কৰাত লাগে। গতিকে দুৰ্নীতি দূৰ হব কেনেকৈ?

দেশৰ প্ৰত্যহিক ক্ৰমবৰ্দ্ধমান দুৰ্নীতিৰ হিচাব চৰকাৰী কাৰ্য্যালয়ৰ ফাইলত প্ৰবেশ কৰিব নোৱাৰে। কাৰণ ইয়াৰ ঔষধ সেই শ্ৰেণীৰ মানুহৰ হাতত থাকে। দুৰ্নীতিৰ অপযশে তেওঁলোকৰ শৰীৰত শক্তিশেল হৈ বিন্ধিলেও বিশল্যকৰণীৰ বাবে গন্ধমাদন পৰ্ব্বত কোন দিশে গ'লে পায় সেয়া তেওঁলোকৰ জনা থাকে। দুৰ্নীতিৰ উদাহৰণ বাইজে দিব পাৰে, দিয়ে, কিন্তু বাতৰি কাকতৰ পিঠিতে ইবিলাকৰ পৰি সমাপ্তি ঘটে। এতিয়া কথা হ'ল আঙুলিয়াই দিলেও চৰকাৰে দুৰ্নীতি নিবাৰণৰ কাৰণে কোনো সুস্থ পদক্ষেপ গ্ৰহণ নকৰে কিয়? ইয়াৰ উত্তৰ বিচাৰিবলৈ গলে আমি এটা পৌণঃপৌণিক ভগ্নাংশৰ দৰে একেটা উত্তৰকে পাওঁ— সেইটো হ'ল ক্ষমতা হাতলৈ যোৱাৰ লগে লগেই তেওঁলোকৰ গঠনমূলক, সংস্কাৰধৰ্ম্মী মনোভাবৰো অন্ত পৰে। ইয়াৰ প্ৰতিকাৰৰ বাবে আমাৰ নতুন পুৰুষগামে এক অতি গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব লাগিব। দুৰ্নীতিৰ হাজাৰ হাজাৰ উদাহৰণ, প্ৰত্যক্ষ প্ৰমাণ আমাৰ জন সাধাৰণৰ ওচৰত আছে। আমি প্ৰথমে সুবিধাবাদিতাৰ অন্ধ বায়ুৰ পৰা জনসাধাৰণক উদ্ধাৰ কৰিব লাগিব। তাৰ পাচত দুৰ্নীতিৰ প্ৰত্যক্ষ প্ৰমাণ চৰকাৰৰ দৃষ্টিগোচৰ কৰিব লাগিব। ইবিলাকক ফুটুকাৰ ফেন হবলৈ নিদি প্ৰকৃত কাৰ্য্যকৰী যাতে হয় তাৰ কাৰণে আমি চৰকাৰক সমুচিত পন্থা হাতত লোৱাবলৈ চেষ্টা কৰিব লাগিব। নহলে গতানুগতিকতাৰ সোঁতত এৰি দিলে আমাৰ সমাজখন দুৰ্নীতিৰ পৰা মুক্ত হোৱাৰ আশা কৰাটো মিছা।

## অসমীয়া আলোচনী সমস্যা—

সাহিত্য সংস্কৃতিৰ দিশতো নতুন পুৰুষৰ দায়িত্ব আছে। আজিৰ দৰে নিবন্ধুৱা সমস্যাবহুল যুগটোত চ.কৰিমুখীতাক অতিৰিক্ত উদ্দেশ্য হিচাবে লৈ আমাৰ নতুন

পুৰুষ চামে এনেধৰণৰ শিক্ষাৰ প্ৰতি মনোনিবেশ কৰিব লাগিব যি শিক্ষাই আমাক আত্মনিৰ্ভৰশীলতা তথা বৌদ্ধিক চিন্তাৰ খোৰাক যোগাব। সাহিত্যবিষয়কে যদি ধৰা যায়— ঠেক পৰিসৰৰ মাজত প্ৰতিযোগী হিচাবে নিজৰ প্ৰতিভাৰ পৰিচয় দিবলৈ নগৈ সৃষ্টিধৰ্ম্মী, কালজয়ী ৰচনাৰ প্ৰতিহে মনোনিবেশ কৰিব লাগিব ; ভাষা চহকী হবলৈ প্ৰথম প্ৰয়োজন যুগজয়ী সাহিত্য। এনে ধৰণৰ সাহিত্য সৃষ্টিৰ বাটত আলোচনীৰ ভূমিকা কেতিয়াও উলাই কৰিব লগা বিধৰ নহয়। কাৰণ একো একোখন উন্নত বহুল প্ৰচাৰিত আলোচনীয়ে একোখন দেশৰ ভাষা সাহিত্যৰ একো একোটা যুগ সূচনা কৰে। কিন্তু অপ্ৰিয় সত্য হলেও স্বীকাৰ্য্য যে বৰ্ত্তমান অসমীয়া আলোচনী বিলাকে খুব কম আয়ুস লৈ জন্ম গ্ৰহণ কৰে। পাঠক-গ্ৰাহক হীনতাৰ কাৰণতে হওক বা অৰ্থনৈতিক হেচাঁতেই হওক ইতিমধ্যেই কেইবাখনো উৎকৃষ্ট আলোচনীৰ মৃত্যু হ'ল। গতিকে বৰ্ত্তমান প্ৰবীন সাহিত্যসেৱী সকলৰ লগতে তৰুন কৰি সাহিত্যিক সকলেও সাহিত্য-সংস্কৃতিৰ এখন নিয়মীয়া আলোচনীৰ অভাৱ বৰকৈ উপলব্ধি কৰি আহিছে। এই অভাৱ অচিৰে পূৰণ হোৱাৰ ক্ষেত্ৰত চৰকাৰ, সাহিত্য-সভা, পাঠক সমাজ, আৰু সাহিত্যব্ৰতী নতুন পুৰুষ সকলোৰে সমান দায়িত্ব আছে। নতুন পুৰুষৰ দায়িত্ব হ'ল তেওঁলোকে এচাম নতুন উৎসাহী পাঠকৰ সৃষ্টি কৰিব লাগিব। তাৰ পাচতেই কালজয়ী ৰচনাৰ প্ৰতি মনোনিবেশ। আলোচনীখনৰ জন্মৰ পাচতে পৃষ্ঠপোষক সকলৰ দায়িত্ব শেষ হৈ নাযায়। ইয়াৰ স্থায়িত্ব বা দীৰ্ঘজীৱীতাৰ বাবেও তেওঁলোকে পাৰ্য্যমানে চেষ্টা কৰিব লাগে। এনে এখন উৎকৃষ্ট সাহিত্যালোচনীৰ কাৰণে সাহিত্য সভাই চেষ্টা কৰা উচিত।

## নিবনুৱা সমস্যা আৰু অসম চৰকাৰৰ পৰিকল্পনা

আমাৰ জনপ্ৰিয় চৰকাৰে ক্ৰমবৰ্দ্ধমান নিবনুৱা সমস্যাটোক লৈ সদায়ে মূৰ ঘমাই আহিছে। তুখন বিগত ৰাজ্যিক মন্ত্ৰীসভাৰ দ্বাৰা গৃহিত প্ৰায়বোৰ পৰিক-ল্পনাই অথলে যোৱাৰ পৰিপেক্ষিততে কৰ্ম্মসংস্থান হীনতাৰ ৰূপটো বৰ্ত্তমান অধিক ভয়াবহ হৈ উঠিছে। অসম সমস্যাবহুল ৰাজ্য। তথাপি কৰ্ম্মসংস্থানহীনতাৰ সম-স্যাটো সমাধান হোৱাটো অতীৱ প্ৰয়োজনীয় কৰ্ত্তব্য। এতিয়া নতুন চৰকাৰে লোৱা পৰিকল্পনাবোৰ যাতে কাৰ্য্যক্ষেত্ৰত সাৰ্থক প্ৰতিপন্ন হয় তাকেহে আমি আশা

কৰো। কুকুৰাফাৰ্ম খোলাকে আদি কৰি অন্যান্য পৰিকল্পনাবোৰৰ দ্বাৰা হাজাৰ হাজাৰ কৰ্ম্মসংস্থানহীন লোকৰ সমস্যা সমাধান হ'ব বুলি মাত্ৰ বাতৰি কাকতত লিপিবদ্ধ কৰিলেই সমস্যাৰ বা দায়িত্বৰ ওৰ নপৰে। কাৰ্য্যক্ষেত্ৰত এনে ধৰণৰ পৰিকল্পনা বিলাকৰ সফলতা দেখিবলৈ পোৱাটোতহে আমি বিশেষ গুৰুত্ব দিম।

## অসমৰ অস্থায়ী ৰাজধানী নিৰ্ম্মান

মেঘালয়ৰ জন্মৰ লগে লগে অসমৰ বাবে আহি পৰিল ৰাজধানী স্থানান্তৰৰ মহান সমস্যা। বাক্‌বিতণ্ডা, পৰীক্ষা নিৰীক্ষাৰ অন্ত পেলাই অৱশেষত গুৱাহাটীৰ দিছপুৰতে অস্থায়ী ৰাজধানী নিৰ্ম্মানৰ সিদ্ধান্ত সংগৃহিত হ'ল। কিন্তু অস্থায়ী ৰাজধানী নিৰ্ম্মান কৰাতকৈ কোনো এডোখৰ নিৰ্ভৰযোগ্য ভাবে অনুকুল ঠাই নিৰ্ব্বাচিত কৰি, চণ্ডীগড়, আহ্‌মদাবাদৰ দৰে সুপৰিকল্পিত নগৰ এখন স্থাপন কৰি তাত ৰাজধানী স্থাপন কৰাটোহে অসমৰ ৰাইজে কামনা কৰিছিল। ৰাইজে ভাবিছিল অসমৰ ৰাজধানী সু-পৰিকল্পনা প্ৰসুত ঠাই এখনত প্ৰস্থাপিত হোৱাৰ লগে লগেই প্ৰগতিৰ এটা নতুন দিশৰ সুচনা হ'ব। কিন্তু অস্থায়ী ৰাজধানী স্থাপনৰ সিদ্ধান্তই ৰাইজৰ মনত এটা গভীৰ হতাশা আনি দিলে। সেয়ে বাতৰিকাকত, সভাই সমিতিয়ে নানা জনমতৰ জাউৰি উঠিল। ইয়াৰ প্ৰধান কাৰণ হ'ল পাচ-ছয়কোটী টকা ব্যয় সাপেক্ষে দিছপুৰত অস্থায়ী ৰাজধানী স্থাপন কৰা মানে স্থায়ী ৰাজধানী নিৰ্ম্মানৰ প্ৰশ্নটো এটা যুগলৈ তল পৰি থকা। ৰাইজৰ ধাৰণা দিছপুৰত ৰাজধানী হবই। কাৰণ আৰম্ভণিয়েই ইয়াৰ স্থায়িত্ব বা শেষ পৰিণতিৰ কথা সূচনা কৰে। অসমৰ এক বুজন সংখ্যক মানুহৰে কল্পনাৰ ৰাজধানীখন বাস্তৱিকতে শিলঘাটত হোৱাটোহে উচিত আছিল। আমিও আশা কৰিছিলো ৰাজধানী যেতিয়া একান্তই স্থানান্তৰিত কৰিব লাগে তেতিয়াহলে এনে এখন ঠাইলৈ স্থায়ীকৈ কৰা উচিত আছিল য'ত ৰাজধানী হলে অসমৰ ৰাইজে সকলো দিশতে সুবিধা পাব। কিন্তু গুৱাহাটীত এযুগৰ পাচতো চণ্ডীগড় বা আহমদাবাদৰ দৰে সুপৰিকল্পিত এখন ৰাজধানী হোৱাটো দুৰাশা মাথোন।

# চিমলা চুক্তি ঃ ভুট্টো আৰু ভাৰত

চিমলা চুক্তিৰ প্ৰধান লক্ষ্য আছিল পাকিস্তানে ভাৰতবৰ্ষৰ প্ৰতি ইমান দিনে লৈ অহা সংঘৰ্ষনীতিৰ পৰিবৰ্ত্তে ভাৰত - শ্ৰীলঙ্কা বা ভাৰত -নেপালৰ সদৃশ বন্ধুত্ব নীতি গ্ৰহণ কৰাটো। প্ৰায় দুটা যুগৰ ঘৃণনীয় ঔপনিবেশিকতাবাদ আৰু ন-মাহৰ ৰক্ত-পাতৰ অন্তত, ভাৰতৰ মহান মানবীয় স্বীকৃতিত যেতিয়া বাংলাদেশ স্বাধীন ৰাষ্ট্ৰহিচাবে পৰিগণিত হ'ল— আমেৰিকান সাম্ৰাজ্যবাদ নীতিৰ সহজ বলী ভুট্টোৱে অৱশেষত চিমলা চুক্তিত চহী কৰিবলৈ বাধ্য হ'ল। এই ঐতিহাসিক গুৰুত্বপূৰ্ণ চুক্তিৰ সফলতাত পাকিস্তানৰ জনসাধাৰণ ভাৰতত্তকৈ বহুত বেছি পৰিমাণে সুখী হোৱাটো স্বাভাৱিক। ১৯৪৭ চনৰে পৰা পাকিস্তানে ভাৰতৰ প্ৰতি অবিচাৰ কৰি আহিছে। এই ক্ষেত্ৰত ভুট্টোক সহাঁৰি জনাইছিল কুটনীতিজীৱি আমোলাতান্ত্ৰিক আমেৰিকাই। ভাৰতৰ হাতত বৰ অপমানজনক ভাবে পৰাজিত হৈ ভুট্টোৱে আমেৰিকান সাম্ৰাজ্যবাদৰ স্বাৰ্থবিজড়িত সহাঁৰিক বুজিব পাৰি তেওঁ ভাৰতৰ সতে বন্ধুত্ব স্থাপন কৰাৰ বাদে অন্য উপায় নেদেখিলে। দুয়োখন দেশৰ বাবে এই চুক্তিৰ ঐতিহাসিক গুৰুত্ব আছে; কাৰণ চুবুৰীয়া ৰাষ্ট্ৰ এখনৰ লগত শত্ৰুভাবাপন্ন হৈ কেতিয়াও কোনো ৰাষ্ট্ৰই আভ্যন্তৰীণ সমস্যাদিৰ প্ৰতি পূৰ্ণ মনোনিবেশ কৰিব নোৱাৰে। মুঠতে দুয়োখন দেশৰে এতিয়া কেইবাটাও দিশত বৃজন পৰিমানৰ উপকাৰ হব বুলি আমি নিঃসন্দেহে মন্তব্য কৰিব পাৰোঁ।

— হিতেশ বিকাশ গগৈ

সম্পাদক,

কানৈ কলেজ আলোচনী

# আমাৰ মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰত বৰ্ত্তমানলৈকে গ্ৰন্থৰ সংখ্যা

| | |
|---|---|
| সাধাৰণ জ্ঞান | ২,৪৬০ |
| দৰ্শন সম্বন্ধীয় | ১,১৯৫ |
| ধৰ্ম্ম সম্বন্ধীয় | ৯০২ |
| বিজ্ঞান | ১,২৩৪ |
| ভাষা বিজ্ঞান | ৩৩৫ |
| ব্যৱহাৰিক বিজ্ঞান | ১,৫২৯ |
| সঙ্গীত চিত্ৰকলা | ৯৩ |
| অসমীয়া | ২,৫০৬ |
| ইংৰাজী | ২,৪৫৮ |
| হিন্দী | ১,৬৫০ |
| বঙালী | ১৪৬৯ |
| সংস্কৃত | ২,৫৯০ |
| বুৰঞ্জী, ভ্ৰমণ কাহিনী, জীৱনী ভূগোল | ২,৮৯১ |
| | ২১,৭৫১ ২০।৩।৭১ তাৰিখলৈ |
| আলোচনী, নতুনকৈ অহা বিভিন্ন দিশৰ কিতাপ | ১৮,৬৫০ ১৪।৮।৭২ তাৰিখলৈ |
| মুঠ | ৪০,৪০১ |

---

ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ যোৱা ('১৯৭১-৭২) প্ৰাক্-বিশ্ববিদ্যালয়ৰ পৰীক্ষাত বিশেষ কৃতিত্ব দেখুৱাই পাছ কৰা আমাৰ ডি, হ, স্থ, কা, মহাবিদ্যালয়ৰ ছাত্ৰছাত্ৰী কেইগৰাকী

কলাবিভাগত—

| | | | |
|---|---|---|---|
| কুমাৰী বাণী ভূঞা, | বিশ্ববিদ্যালয়ত | ২য় | স্থান |
| শ্ৰীগোপাল চন্দ্ৰ দাস, | ,, | ৯ম | ,, |
| পেথ্ৰুজ পি, ভি, | ,, | ১০ম | ,, |

বিজ্ঞান বিভাগত—

| | | | |
|---|---|---|---|
| শ্ৰীআলোক কুমাৰ বাৰ্মা, | ,, | ৪ৰ্থ | ,, |
| ,, ওম প্ৰকাশ তেৱাৰি, | ,, | ১০ম | ,, |

এওঁলোকলৈ 'কানৈ কলেজ আলোচনী'ৰ, অভিনন্দন থাকিল।

# বৌদ্ধিক পৰিবেশ
## আৰু
# ছাত্ৰৰ মৌলিকতা

শ্ৰীহীৰেণ গগৈ
দ্বিতীয় বাৰ্ষিক কলা

'বুদ্ধিৰ' পৰা বৌদ্ধিক আৰু 'মূল'ৰ পৰা মৌলিক শব্দৰ উৎপত্তি। বুদ্ধি যেনেকৈ মানুহৰ সহজাতলব্ধ আৰু নিজা মৌলিকত্বও তেনেকৈ মানুহৰ নিজৰ। মৌলিকত্ব বা মৌলিকতা শব্দটোৱেই নিজা বুজায়। যি সৃষ্টি মানুহৰ নিজৰ সেয়া তেওঁৰ মৌলিক সৃষ্টি আৰু তেওঁৰ মৌলিকতাখিনিও নিহিত সেই সৃষ্টিত। যিহেতু বুদ্ধি অবিহনে কোনো সৃষ্টি অসম্ভৱ, মৌলিক চিন্তাও অসম্ভৱ, সেয়ে বুদ্ধি আৰু মৌলিকতাৰ সম্বন্ধ খুউব নিবিড় আৰু গাঢ়। বুদ্ধিক বাদ দি মৌলিক চিন্তা যেনেকৈ হব নোৱাৰে মৌলিক চিন্তা নহলেও বুদ্ধিৰ বিকাশ হব নোৱাৰে।

মৌলিক চিন্তাৰ বাবে প্ৰয়োজন বৌদ্ধিক পৰিবেশৰ। 'পৰিবেশ' শব্দটো সাধাৰণ অৰ্থত এক বহল পৰিসৰত বিচাৰ কৰা হয়। 'বৌদ্ধিক পৰিবেশ' কওঁতে পৰিবেশৰ সেই পৰিসৰক কিছু সঙ্কুচিত কৰা হৈছে আৰু তাতোকৈ সঙ্কুচিত আৰু সুক্ষ্ম কৰি ছাত্ৰৰ লগত সমন্ধ ৰাখি আমি ইয়াত বিদ্যালয়ৰ বৌদ্ধিক পৰিবেশৰ ওপৰতে বেছি দৃষ্টি নিবদ্ধ ৰাখিম।

আগতেই কৈ অহা হৈছে যে বুদ্ধি মানুহৰ সহজাত লব্ধ। এই বুদ্ধি (যাক ইংৰাজীত সাধাৰণ অৰ্থত **Intelligence** বুলি কোৱা হয়) মানুহে জন্মৰ পৰাই লাভ কৰে। মনোবিজ্ঞানী সকলৰ মতে মানুহৰ ক্ষেত্ৰত বুদ্ধি ১৫ বা ১৬ বছৰলৈকে বৃদ্ধি পোৱাৰ আশা থাকে। তাৰ পিছত বুদ্ধিৰ বৃদ্ধি নহয়। প্ৰত্যেক প্ৰাণীৰে অলপ নহয় অলপ বুদ্ধি আছে আৰু সেয়ে প্ৰত্যেকৰে কিছু মৌলিকতাও আছে। বুদ্ধিৰ বিকাশৰ লগে লগে মৌলিকতাও বৃদ্ধি পায়। কিন্তু এইখিনিতে কৈ থোৱা ভাল হব যে মৌলিকতাৰ বিকাশ কেৱল বুদ্ধিৰ ওপৰতেই নিৰ্ভৰ

নকৰে; বৰঞ্চ ই মানসিক উন্নতি, জ্ঞান আৰু পৰিবেশৰ ওপৰতো নির্ভৰশীল। বুদ্ধিৰ বিকাশৰ বাবেও পৰিবেশৰ প্রয়োজন। প্রত্যেকটো শিশুৰেই সহজাত লব্ধ বুদ্ধি প্রকৃত পৰিমানত বৃদ্ধি পাব পাৰে কেৱল সুস্থ-সবল পৰিবেশত। সহজাতলব্ধ হলেও ৰুগীয়া পৰিবেশে বহুতো শিশুৰ বুদ্ধি বিকাশৰ কণ্টক হৈ পৰে। সেয়ে একে পিতৃ-মাতৃৰ দুটা সন্তান বেলেগ বেলেগ পৰিবেশত ৰাখিলে সিহঁতৰ ব্যক্তিত্ব আৰু বুদ্ধিবৃত্তিৰো পার্থক্য পৰিলক্ষিত হয়। অৱশ্যে নির্দ্ধাৰিত বয়স অতিক্রম কৰিলে সুস্থ-সবল পৰিবেশেও বুদ্ধিৰ বৃদ্ধি সাধন কৰিব নোৱাৰে। কিন্তু তথাপিতো সোণ যদিও স্বাভাৱিকতে উজ্জ্বল, তাক জুইত পুৰিলে যেনেকৈ বেছি উজ্জ্বল হয় কিন্তু পৰিমাণ একেই থাকে, ঠিক তেনেকৈ সবল পৰিবেশে বুদ্ধিৰ বৃদ্ধি সাধন কৰিব নোৱাৰিলেও তাক উজ্জ্বল কৰি তুলিব পাৰে।

সেইকাৰণে বুদ্ধি আৰু মৌলিকতাৰ বিকাশৰ বাবে প্রয়োজন হৈ পৰে বৌদ্ধিক পৰিবেশৰ। মানৱ জীৱনত পৰিবেশ ততোধিক পাৰিপাৰ্শ্বিকতাৰ প্রয়োজন অনস্বীকার্য্য। এক সবল পৰিবেশ বা পাৰিপাৰ্শ্বিকতাৰ অন্তৰালত এখন সুস্থ আৰু শক্তিশালী সমাজ গঢ়ি উঠাৰ উদাহৰণ পৃথিবীৰ বুকুত একাধিক।

কিন্তু ছাত্রসকলৰ ক্ষেত্রত সুস্থ সামাজিক পৰিস্থিতিয়েই যথেষ্ট নহয়। ছাত্রৰ সুপ্ত বুদ্ধিক জাগ্রত কৰাত আৰু মৌলিকতাৰ প্রকৃত ৰূপায়ণত বিদ্যালয়ৰ পৰিবেশক নুই কৰিব নোৱাৰি। ছাত্রক এক বুদ্ধিশীল আৰু সক্রিয় নাগৰিক কৰি তোলাত বিদ্যালয়সমূহৰ পৰিবেশৰ প্রয়োজনীয়তা বহল পৰিসৰৰ। কিন্তু যি কোনো পৰিবেশৰ মাজত ছাত্রৰ এনে উন্নতি অকল্পনীয়। কেৱল এটা সুস্থ বৌদ্ধিক পৰিবেশেহে ছাত্রক মানসিক ভাবে সক্রিয় কৰি তুলিব পাৰে। এতিয়া প্রশ্ন হ'ল বৌদ্ধিক পৰিবেশ কি? সূক্ষ্মবিশ্লেষণৰ গভীৰতালৈ নোসোমাই খুব সাধাৰণভাবে কব পাৰি যে ই এটা বাতাবৰণ য'ত বিকশিত বুদ্ধিৰ সহযোগত সুপ্তবুদ্ধিৰ জাগৰণ আৰু বিকাশ সম্ভৱ। বিদ্যালয়ত এই পৰিবেশ গঢ়ি তোলা হয় শিক্ষক আৰু ছাত্রসকলৰ উদ্যম আৰু সহযোগত। এনে এটা বৌদ্ধিক পৰিবেশৰ প্রয়োজনীয়তা খুউব বেছিকৈ অনুভৱ কৰা হয় বিদ্যালয়-সমূহত। গবেষণাকাৰী ছাত্রসকলৰ কাৰণে এটা বৌদ্ধিক পৰিবেশৰ নিতান্ত প্রয়োজন। এনে পৰিবেশ নাথাকিলে কোনো ছাত্রৰ পক্ষেই গৱেষণাত আগবাঢ়ি যোৱা সম্ভৱ নহব। কিন্তু এই বৌদ্ধিক পৰিবেশৰ কার্য্যকাৰিতা কেৱল বিশ্ব-বিদ্যালয়তেই সীমাবদ্ধ নহয়। বিশ্ব-বিদ্যালয়ক বাদ দি মহাবিদ্যালয়ৰ পৰা

আৰম্ভ কৰি নিম্নবুনিয়াদী বিদ্যালয় পৰ্য্যন্ত বৌদ্ধিক পৰিবেশৰ কাৰ্য্যক্ৰম বিস্তাৰিত। শিক্ষা আৰু বিদ্যালয়ৰ স্তৰ অনুযায়ী এই পৰিবেশৰো গঢ় বেলেগ বেলেগ। নিম্নবুনিয়াদী বিদ্যালয়ত যি পৰিবেশৰ প্ৰয়োজন মহাবিদ্যালয়তো ঠিক একেই পৰিবেশৰ প্ৰয়োজন হব নোৱাৰে। কিন্তু মন কৰিব লাগিব যে মহাবিদ্যালয়ৰ বৌদ্ধিক পৰিবেশতকৈ নিম্নবুনিয়াদী বিদ্যালয় সমূহৰ বৌদ্ধিক পৰিবেশ বেছি গুৰুত্বপূৰ্ণ।

আমাৰ দেশৰ নিম্নবুনিয়াদী বিদ্যালয় * সমূহত সাধাৰণতে কম বয়সৰ আৰু কম শিক্ষিত লোক সকলক নিযুক্ত দিয়া হয়। তদুপৰি শিক্ষকতা কৰি অভিজ্ঞ আৰু বয়সবৃদ্ধ হোৱা শিক্ষকো নোহোৱা নহয়। কিন্তু তেওঁলোকৰ বহুতৰে চাৰিত্ৰিক আৰু মানসিক দিশটো একেবাৰে দুৰ্ব্বল হোৱা দেখা যায়। উদ্যমৰ প্ৰশ্নই নুঠে। আৰ্থিক দুৰ্ব্বলতা আৰু পাৰিবাৰিক অশান্তিয়ে তেওঁলোকক মাত্ৰ মজুৰীমুখী কৰি তোলে। কম বয়সীয়া সকলৰ মাজত দেখা যায় অনভিজ্ঞতা, ভিন্নমুখী অনৰ্থক চিন্তা, মানসিক অশান্তি আৰু সেই একেই মজুৰীমুখীতা। বৌদ্ধিক পৰিবেশ সৃষ্টি কৰা হয় কেৱল শিক্ষক আৰু ছাত্ৰৰ সহযোগীতাতহে। কিন্তু বুনিয়াদী বিদ্যালয়সমূহত শিক্ষকেই এই পৰিবেশ সৃষ্টিত আগভাগ লব লাগিব। শিক্ষক সকলৰ এনে মানসিক দুৰ্দ্দশাৰে বৌদ্ধিক পৰিবেশ সৃষ্টি হোৱা অসম্ভৱ। তদুপৰি শিশুসকলৰ মানসিক দিশটো অধ্যয়ন কৰিব পৰা ক্ষমতাও শিক্ষক সকলৰ থকা উচিত। তাকে নহলে বৌদ্ধিক পৰিবেশ সৃষ্টি কৰিব পাৰিলেও তাৰ পৰা সুফল লাভ হব নোৱাৰে। সেয়ে মহাবিদ্যালয় সমূহৰ শিক্ষকতাতকৈ নিম্নবুনিয়াদী বিদ্যালয়ৰ শিক্ষকতা বেছি গুৰুত্বপূৰ্ণ। ছাত্ৰসকলৰ ভৱিষ্যত শিক্ষাৰ মূল হ'ল নিম্নবুনিয়াদী বিদ্যালয়ৰ শিক্ষা। তেওঁলোকৰ বুদ্ধি আৰু ব্যক্তিত্বই প্ৰকৃতাৰ্থত ৰূপ পৰিগ্ৰহ কৰে শিক্ষাৰ এই আদিম ছোৱাতে। কাৰণ, আগতেই কোৱা হৈছে যে ছাত্ৰৰ মৌলিকতা আৰু বুদ্ধিৰ বিকাশৰ বাবে বিদ্যালয়ৰ পৰিবেশ এক গভীৰ প্ৰয়োজনীয়তাৰ বস্তু। সেয়ে, যদি মূলতেই কেঁৰোণে ধৰে ভৱিষ্যত যে পোকীয়া হৈ ৰ'ব সি নিশ্চিত। এই কাৰণেই নিম্নবুনিয়াদী বিদ্যালয় সমূহৰ শিক্ষকৰ নিযুক্তিত কিছু সাৱধানতা লোৱা আৱশ্যক। সাধাৰণতে এই বিদ্যালয় সমূহত

---

* বৰ্ত্তমান নিম্নবুনিয়াদী বিদ্যালয়ৰ পৰিসৰ পঞ্চমবৰ্গতে শেষ নকৰি সপ্তমমান শ্ৰেণীলৈকে ধৰা হৈছে আৰু তাক নিম্নবুনিয়াদী নুবুলি উচ্চবুনিয়াদী কোৱা হৈছে।

উচ্চশিক্ষিত. শিশুৰ মনস্তত্ত্ব অধ্যয়ন কৰিব পৰা, অভিজ্ঞ আৰু দয়ালু শিক্ষক নিযুক্তি দিয়া উচিত। শিশুক শিক্ষা দিয়া আৰু মানসিক আৰু শাৰীৰিকভাবে সক্ৰিয় কৰি তোলা এক গুৰুতৰ সমস্যা। এই কালছোৱাত শিশু খুউব অনুকৰণ প্ৰিয়। সেয়ে শিক্ষক যদি নিজে মানসিক আৰু শাৰীৰিকভাবে সক্ৰিয় নহয় আৰু নিজৰ ব্যক্তিত্বক বজাই ৰাখিব নোৱাৰে তেন্তে ছাত্ৰ ছাত্ৰী সকলো ঠিক তেনেকুৱাই হৈ পৰিব। শিক্ষক সকলেই ছাত্ৰৰ কুমলীয়া বুদ্ধিৰ অঙ্কুৰটোক উপযুক্ত পৰিবেশত ৰাখি ডাঙৰ-দীঘল আৰু সুস্থ কৰি তুলিব লাগিব। এই কালছোৱাতে শিক্ষক সকলে বলীষ্ঠ বৌদ্ধিক পৰিবেশত ৰাখি ছাত্ৰসকলক মৌলিক চিন্তা কৰিবলৈ শিকোৱা উচিত। বৌদ্ধিক পৰিবেশ নহলে ছাত্ৰই মৌলিক চিন্তাৰ খোৰাক নাপায়। আনফালে মৌলিক চিন্তা নহলে বুদ্ধিৰো বিকাশ অসম্ভৱ। মুঠতে ছাত্ৰৰ সুনাগৰিক উপযোগী মানসিক সক্ৰিয়তা প্ৰধানভাবে নিৰ্ভৰ কৰে শিক্ষাৰ এই স্তৰত; ততোধিক শিক্ষক আৰু বৌদ্ধিক পৰিবেশৰ ওপৰত।

বৰ্ত্তমান আমাৰ দেশৰ শিক্ষা পদ্ধতিক এক উচ্চ পৰ্য্যায়ৰ বা উচ্চমানদণ্ড বিশিষ্ট বুলি অভিহিত কৰিবলৈ টান লাগে। ভাৰতীয় পৌৰাণিক শিক্ষা পদ্ধতিৰ লগত তুলনামূলক দৃষ্টিভঙ্গীত বৰ্ত্তমানৰ শিক্ষাপদ্ধতি ম্ৰিয়মান হৈ পৰে। বৈদিক-যুগৰ শিক্ষাৰ যি মানদণ্ড সি আজিৰ শিক্ষাৰ মানদণ্ডৰ লগত কোনোপধ্যে খাপ নেখায়। অৱশ্যে যুগৰ ডাৱৰৰ ছায়াত পৰি পৃথিবীৰ ৰং সলনি হোৱা আচৰিত কথা নহয়। তথাপি বৈদিক-যুগৰ শিক্ষাকেন্দ্ৰবোৰৰ সুস্থসবল বৌদ্ধিক পৰিবেশটোক আমি যুগক অতিক্ৰম কৰিও উচ্চস্থান দিবই লাগিব।

ছাত্ৰ আৰু শিক্ষকৰ মাজৰ মধুৰ আৰু নিবিড় সম্বন্ধটো বৈদিক শিক্ষা পদ্ধতিৰ এক উল্লেখযোগ্য বস্তু। হাজাৰ হাজাৰ ছাত্ৰই গুৰুগৃহত বা আশ্ৰমত থাকি শিক্ষা লাভ কৰা বাবে গুৰুৰ লগত ছাত্ৰৰ সম্বন্ধ পিতা-পুত্ৰৰ সম্বন্ধৰ দৰে হৈ পৰিছিল। কিন্তু এই সম্বন্ধক বিশেষ উল্লেখযোগ্য কৰ পৰা নগলহেতেঁন যদি সেই সম্বন্ধৰ পৰা এক গভীৰ বৌদ্ধিক পৰিবেশৰ সৃষ্টি নহলহেতেন। ছাত্ৰই গুৰুৰ পৰা মুক্ত ভাবে বেদ, ইতিহাস, পুৰাণ, অঙ্ক বিদ্যা, দৈববিদ্যা, নিধিবিদ্যা, তৰ্কবিদ্যা, তত্ত্ব আলোচনা, আচাৰ ব্যৱহাৰ প্ৰণালী, ব্ৰহ্মবিদ্যা, পদাৰ্থবিদ্যা ও শৰীৰ বিদ্যা, ৰাজনীতি ও শাসন প্ৰণালী, জোৰ্তিবিদ্যা, ব্ৰাহ্মণ, উপনিষদ, বেদাঙ্গ, দৰ্শন, দেবৰ্জন বিদ্যা ( কণ্ঠ সঙ্গীত বা যন্ত্ৰ সঙ্গীত বা নৃত্যগীত বা চিকিৎসা বিদ্যা )

আদি নিয়মিতৰূপে গ্ৰহণ কৰাৰ উপৰিও তৰ্ক আলোচনা সভাত আত্মপ্ৰকাশ কৰিছিল। প্ৰকৃততে এই তৰ্ক আৰু আলোচনাৰ যোগেদিয়েই বৈদিক শিক্ষা কেন্দ্ৰ সমূহত বৌদ্ধিক পৰিবেশৰ বিস্তৃতি ঘটিছিল। এই শিক্ষাকেন্দ্ৰ সমূহত নিয়মিত ভাবে তৰ্ক-আলোচনা সভা আৰু শিক্ষা সংক্ৰান্ত নানা প্ৰকাৰ পৰিষদ শিক্ষাদানৰ অঙ্গ বুলিয়েই পৰিগণিত হৈছিল। এই তৰ্ক আৰু আলোচনা সমূহৰ বিষয়বস্তু প্ৰধান ভাবে শিক্ষা সম্বন্ধীয়। এনে তৰ্ক বা আলোচনাত কেৱল ছাত্ৰ সকলেই নহয় সকলো শিক্ষক আৰু পৰমজ্ঞানী আচাৰ্য্যসকলেও অতি উৎসাহেৰে আৰু গাম্ভীৰ্য্য সহকাৰে যোগদান কৰিছিল। এনে অৱস্থাত প্ৰশ্নৰ উত্তৰ, প্ৰতিবাদৰ খণ্ডন আদিৰ বাবে ছাত্ৰসকলৰ মানসিক সক্ৰিয়তা সদায় প্ৰয়োজন হৈছিল। ইয়াৰ ফলত ছাত্ৰৰ জ্ঞানপিপাসা বৃদ্ধি হোৱাৰ উপৰিও মানসিকতাৰ বিকাশ সাধন হৈছিল। বুদ্ধি আৰু বিস্তৃত জ্ঞান নাথাকিলে তৰ্ক বা আলোচনাত অংশ গ্ৰহণ কৰিব পৰা নাযায়। সেইবুলি বৈদিক শিক্ষাকেন্দ্ৰ সমূহৰ সকলোবিলাক ছাত্ৰই যে প্ৰখৰ বুদ্ধিৰ আৰু জ্ঞানী আছিল তেনে নহয়। কিন্তু সকলো ছাত্ৰই তৰ্ক বা আলোচনাত যোগ দিয়াৰ ক্ষমতা অৰ্জ্জন যে কৰিছিল তাক পুনৰাই নকলেও হব। এই ক্ষমতা অৰ্জ্জনৰ মূল বিচাৰি গ'লে আমি শিক্ষা কেন্দ্ৰ সমূহৰ শিক্ষা ততোধিক বৌদ্ধিক পৰিবেশকেই আঙুলিয়াব লাগিব। সৰ্ব্ব সাধাৰণৰ মুখে মুখে প্ৰচলিত এটা উপমাৰ দ্বাৰা কব পাৰি যে এখন ভোটা কটাৰীও সদায় শিলত ঘঁহাই থাকিলে যেনেকৈ তীক্ষ্ণ ধাৰযুক্ত হৈ পৰে তেনেকৈ ছাত্ৰসকলৰ বুদ্ধি বৃত্তিকো শিক্ষকসকলৰ দ্বাৰা শিক্ষা, তৰ্ক আৰু আলোচনা ৰূপী শান শিলত ঘঁহাই থকাত তীক্ষ্ণ হৈ পৰিছিল। ফলত প্ৰত্যেকজন ছাত্ৰই শিক্ষাৰ অন্তত এক জ্ঞানী, সুস্থ, সবল নাগৰিক হৈ কুলৰ আৰু দেশৰ মুকুট হৈ পৰিছিল।

অৱশ্যে এটা কথা স্বীকাৰ কৰিবই লাগিব যে বৈদিক যুগৰ ছাত্ৰৰ লগত আজিৰ ছাত্ৰসকলৰ কোনো তুলনা নহয়। বৈদিক যুগৰ প্ৰায় ভাগ ছাত্ৰই উত্তৰাধিকাৰী সূত্ৰেই হওক বা সুস্থ পৰিবেশত থাকিয়েই হওক এক উচ্চ পৰ্য্যায়ৰ বা উচ্চ পৰিমাণৰ বুদ্ধিৰ গৰাকী হোৱাৰ সুবিধা পাইছিল। আজিৰ ছাত্ৰসকলৰ সেই সুবিধা খুউব কম আৰু সেয়ে সৰহভাগ ছাত্ৰৰে Intelligence Quotient (I. Q) ৮০ৰ পৰা ৯০ অৰ্থাৎ কেঁচা (dull)। তদুপৰি আমাৰ দেশৰ উচ্চ মাধ্যমিক বিদ্যালয়েই হওক বা বিশ্ববিদ্যালয়েই হওক সকলোতে এটা সুস্থ বৌদ্ধিক পৰিবেশৰ খুব অভাব। সেয়ে এক মুষ্টিমেয় ছাত্ৰইহে যি সকলে সবল ঘৰুৱা আৰু সামাজিক পৰিবেশত ডাঙৰ দীঘল হোৱাৰ

সুবিধা পাইছে, তেওঁলোকৰ কিছু মানসিক বিকাশ সাধন বা বুদ্ধিৰ বিকাশ সাধন হোৱা দেখা যায় আৰু তেওঁলোকেই ভবিষ্যতে উন্নতি কৰাও দেখা যায়। যি সকলৰ ঘৰুৱা বা সামাজিক পৰিবেশ দুৰ্ব্বল হৈয়ে থাকি যায় যদিও নিজৰ আপ্ৰাণ চেষ্টাত কিছু মানসিক বিকাশ সাধন কৰি লব পাৰি। বিদ্যালয়ত বৌদ্ধিক পৰিবেশ নোহোৱা হেতুকে তেওঁ-লোকৰ সুপ্তবুদ্ধি কোনোদিনে জাগ্ৰত হবলৈ নাপায়। কাৰণ মৌলিক চিন্তা কৰিবলৈ কোনো আৰহাৱা নাথাকিলে বুদ্ধি জাগ্ৰত কেতিয়াও হব নোৱাৰে।

বৰ্ত্তমান আমাৰ দেশৰ শিক্ষা পদ্ধতিত যি স্থবিৰতাই দেখা দিছে সিয়েই বিদ্যা-লয়ৰ শিক্ষাক পৰীক্ষামুখী কৰি তুলিছে; ছাত্ৰ ছাত্ৰী সকল সেই পৰীক্ষামুখীতাৰ সহজ বলি হৈ পৰিছে। ফলত ছাত্ৰ-সকল এক নিৰ্দ্দিষ্ট সিজাবাটৰ পথিক হৈ গৈছে। বাস্তৱতাৰ গতিশীল জটিল প্ৰশ্ন তেওঁলোকৰ অচিনাকী আৰু ভীতি-প্ৰদায়ক। ইয়াৰ মূল কাৰণ হ'ল বৰ্হিজগত আৰু বৰ্হিজ্ঞানৰ দুখলগা অভাৱ, ততোধিক তেওঁলোকৰ মানসিকতা আৰু বুদ্ধিৰ জড়তা। মানসিক ভাবে সক্ৰিয় নহ'লে কোনোটো প্ৰশ্ন বা সমস্যাৰে সমাধানৰ প্ৰকৃত পথ বিচাৰি পোৱা টান। সেয়ে পৰীক্ষামুখী হ'লেও ছাত্ৰসকলৰ পক্ষে মানসিক সজাগতা নিতান্ত প্ৰয়োজন এই কাৰণেই যে সুফল লাভৰ বাবে প্ৰশ্নোত্তৰৰ প্ৰতি সজাগতা সদায়ে থাকিব লাগিব। প্ৰত্যেকটো প্ৰশ্নৰে উত্তৰ দিবৰ সময়ত তাৰ যিটো মূল সমস্যা সেইটোক কেন্দ্ৰ কৰি সুচাৰুৰূপে এটি উপযুক্ত সমাধান আগবঢ়োৱাটোও সাধাৰণ কথা নহয়। ইয়াৰ বাবে প্ৰয়োজন মানসিক সক্ৰিয়তা আৰু মৌলিকতা। কাৰণ এটা সমস্যাক নিজৰ বুজন শক্তিৰ পৰিসৰলৈ টানি আনিবৰ বাবে বুদ্ধি আৰু মনৰ সক্ৰিয়তা বা মৌলিকতা নিশ্চয় থাকিব লাগিব। গতিকে বিদ্যালয়ৰ শিক্ষাৰ বহল পৰিসৰক বাদ দি কেৱল পৰীক্ষামুখীতাৰ কাৰণেও মানসিক সক্ৰিয়তা প্ৰয়োজন যিটোক সজীৱ কৰি ৰাখিবলৈ এটা সুস্থ বৌদ্ধিক পৰিবেশৰ অৱস্থিতি সৰ্ব্বতোপ্ৰকাৰে স্বীকাৰ্য্য। কিন্তু পৰীক্ষাৰ প্ৰশ্নোত্তৰ প্ৰদানেই বিদ্যালয়ৰ শিক্ষাৰ পূৰ্ণতা নহয়। সেয়ে ছাত্ৰক যি কোনো সমস্যা বা প্ৰশ্নৰে সমাধানৰ প্ৰতি সজাগ কৰি তোলা আৰু নিজৰ মৌলিক শক্তিৰে স্বমত দানৰ সক্ষম কৰি তোলাটোহে বৌদ্ধিক পৰিবেশৰ লক্ষ্য হোৱা উচিত।

আমাৰ মহাবিদ্যালয় বা বিশ্ববিদ্যালয় বিলাকত যি বৌদ্ধিক পৰিবেশ দৃষ্টি-গোচৰ হয় তাক উৎকৃষ্ট বুলি কব নোৱাৰি। ইয়াৰ মূল কাৰণ বিশ্লেষণ কৰিলে আমি শিক্ষক আৰু ছাত্ৰৰ

একাগ্রতাহীন মনোবৃত্তি আৰু প্ৰশাসনীয় ব্যৱস্থাৰ ঠেক গণ্ডীকেই আগশাৰীত ঠাই দিব লাগিব। ছাত্ৰৰ দাবী, শিক্ষকৰ উৎসাহ আৰু অনুপ্ৰেৰণা আৰু প্ৰশাসনীয় ব্যৱস্থাৰ সাহায্য ও মতদান কেৱল বৌদ্ধিক পৰিৱেশৰে নহয়, অন্য সকলো অভাৱ পূৰণৰ মূল শক্তি। থুলমূলীয়াকৈ বৌদ্ধিক পৰিৱেশৰ স্মৃষ্টি আৰু উন্নতিৰ বাবে বৈদিক যুগৰ শিক্ষা কেন্দ্ৰবোৰৰ পৰিৱেশলৈ নিশ্চয় দৃষ্টি নিক্ষেপ কৰিব লাগিব। অৱশ্যে বৈদিক যুগৰ প্ৰতি-ক্ৰিয়াৰে আজিৰ শিক্ষাকেন্দ্ৰবোৰত বৌদ্ধিক পৰিৱেশ স্মৃষ্টি কৰাটো এক সহজ কাম নহব। যিহেতু সময় আৰু সুবিধাৰ খুব অভাৱ এই ব্যস্ত যুগটোত। বৰ্ত্তমান বিদ্যালয় সমূহত মাজে মাজে Seminar, Symposium বা আলোচনা চক্ৰ আৰু তৰ্ক আদিৰ পৰিষদ পতা হয় সি বৈদিক বৌদ্ধিক পৰিৱেশৰ এক ক্ষুদ্ৰ অনুকৰণ। কিন্তু এই পৰিষদ সমূহ নিয়মিত আৰু বাধ্যতামূলক নোহোৱা বাবে তাৰ পৰা খুব কম ছাত্ৰৰহে লাভ হয়। এই পৰিষদ সমূহৰ পৰা ছাত্ৰ বা শিক্ষকৰ যিমান লাভ হব লাগে তাৰ ¼ অংশও নহয়; কাৰণ শিক্ষক আৰু ছাত্ৰ উভয়ৰে সক্ৰিয়তাৰ অভাৱত এই বিলাক সতেজ হৈ নুঠে। এই ক্ষেত্ৰত ছাত্ৰ আৰু শিক্ষক— দুয়োপক্ষৰে দোষ পৰি-লক্ষিত হয় আৰু সেয়ে বৌদ্ধিক পৰিৱেশৰ অভাৱৰ মূল কাৰণো তেওঁলোকেই। কিন্তু তথাপিতো, বিভাগীয় মূৰব্বী আৰু শিক্ষক-সকলে ইচ্ছা আৰু চেষ্টা কৰিলে সেই বিভাগৰ ছাত্ৰৰ মাজতে এক বৌদ্ধিক পৰি-বেশৰ স্মৃষ্টি কৰি ছাত্ৰক মৌলিক চিন্তাৰ খোৰাক যোগাবপাৰে। সাধাৰণ আলোচনা বা তৰ্ক পৰিষদত যোগ দিব নোখোজা ছাত্ৰ সকলকো এইদৰে বিভাগীয় শিক্ষক সকলে বাধ্যতামূলকভাৱে কিছুমান আলোচনা চক্ৰ Seminer বা তৰ্ক পাতি এক সুন্দৰ বাতাৱৰণ স্মৃষ্টি কৰি প্ৰত্যেকজন ছাত্ৰৰ মানসিকতাৰ বিকাশ সাধন কৰিব পাৰে। এনে আলোচনা আদিৰ পৰা ছাত্ৰৰ কেৱল মানসিকতাৰেই বিকাশ নহব লগতে ই শিক্ষা আৰু মৌলিকতাৰ প্ৰসাৰতা বৃদ্ধিতো এক দৃঢ় সহায়ক হব।

এইখিনিতে মন কৰিব লাগিব যে ছাত্ৰৰ মৌলিকতা বা মৌলিক চিন্তাৰ প্ৰসাৰতা বৃদ্ধিৰ বাবে কেবল শিক্ষাই যথেষ্ট নহয়; উৎকৃষ্ট গ্ৰন্থ অধ্যয়ন মৌলিক চিন্তা বিকাশৰ খাদ্য স্বৰূপ। সেয়ে ছাত্ৰ আৰু শিক্ষক উভয়ৰে বাবে প্ৰয়োজন হৈ পৰে এক উৎকৃষ্ট গ্ৰন্থাগাৰৰ। ছাত্ৰ কিয় সকলোৰে বাবে গ্ৰন্থাগাৰৰ প্ৰয়ো-জনীয়তা দোহাৰিবলৈ গ'লে ভয়ঙ্কৰ পুনৰ উক্তিৰ দোষ কৰা হব। কিন্তু এটা কথা কবই লাগিব যে যি কোনো গ্ৰন্থাগাৰেই সকলোৰে বাবে ব্যৱহাৰ উপযোগী বা সুফল প্ৰদায়ক নহবও পাৰে। সেই কাৰণে ছাত্ৰৰ উপযোগীতালৈ লক্ষ্য ৰাখি

গ্ৰন্থাগাৰৰ পৰিবেশ আৰু অৱস্থা গঢ়ি তুলিব লাগিব। যি কোনো কিতাপ পঢ়িলে যেনেকৈ ছাত্ৰৰ মানসিকতা বা মৌলিকতাৰ বিকাশৰ কোনো উপাদান পোৱা নাযায়, তেনেকৈ গ্ৰন্থাগাৰৰ যি কোনো পৰিবেশতো অধ্যয়নৰ প্ৰকৃত মূল্য পোৱা টান। বিদ্যালয়ৰ গ্ৰন্থাগাৰৰ গ্ৰন্থ আৰু পৰিবেশ দুয়োটাই উচ্চ মানদণ্ডবিশিষ্ট হোৱা নিতান্ত প্ৰয়োজন। গ্ৰন্থাগাৰৰ ক্ষেত্ৰত গ্ৰন্থ শব্দটোৱেই কেৱল সাহিত্য, বিজ্ঞান আদি বিষয়ক কিতাপ সমূহকেই নুবুজায়; নানাবিধ আলোচনী, বাতৰি কাকত আদিও এই গ্ৰন্থ শব্দটোৱেই অন্তৰ্ভূক্ত। ছাত্ৰৰ মৌলিক চিন্তাৰ খোৰাকৰ বাবে আৰু মানসিক সক্ৰিয়তাৰ বাবে কেৱল গ্ৰন্থসমূহেই পৰ্য্যাপ্ত নহয়। পৃথিবীৰ চিন্তানায়ক সকলৰ চিন্তা নিহিত থকা আলোচনী আৰু দৈনন্দিন পৰিবৰ্ত্তনশীল পৃথিবীৰ পৰিস্থিতিৰ খা-খবৰ থকা বাতৰি কাকত আদিৰ একান্ত প্ৰয়োজন। বিশ্ববিদ্যালয়ৰ গবেষণাকাৰী ছাত্ৰসকলৰ বাবে গ্ৰন্থাগাৰৰ গ্ৰন্থ আৰু আলোচনীৰ প্ৰয়োজনীয়তা এক মন কৰিবলগীয়া বিষয়।

কিন্তু আচল কথা হ'ল ছাত্ৰই কেনেকৈ আৰু কি পৰিমাণে গ্ৰন্থাগাৰৰ সুবিধাক নিজৰ কৰি লব পাৰিছে। বহুত ক্ষেত্ৰত দেখা যায় যে গ্ৰন্থাগাৰৰ ঠেক পৰিসৰ আৰু অধ্যয়নৰ উপযুক্ত পৰিবেশ নথকাত ছাত্ৰ নিৰাশ হৈ পৰে। তদুপৰি নিজৰ বাচনি আৰু ইচ্ছানুসৰি শৃংখলাৱদ্ধভাবে গ্ৰন্থ অধ্যয়ন কৰিব পৰা সুবিধাও গ্ৰন্থাগাৰত থকা উচিত। এই ক্ষেত্ৰত শিক্ষকসকলৰ উপদেশ আৰু সহযোগ অনস্বীকাৰ্য্য। মুঠ কথা, ছাত্ৰৰ জ্ঞানোপাৰ্জ্জনক বাদ দিও মৌলিক চিন্তা আৰু মানসিক উন্নতিৰ বাবে গ্ৰন্থাগাৰৰ এক সুস্থ বাতাবৰণ অতি প্ৰয়োজনীয়। গ্ৰন্থাগাৰৰ সুস্থপৰিবেশ বৌদ্ধিক পৰি-বেশৰেই অন্তৰ্ভূক্ত।

শেষত কৈ থব পৰা যায় যে জ্ঞানোপাৰ্জ্জনেই একমাত্ৰ লক্ষ্য হলেও ছাত্ৰ জীৱনৰ মূল আৰু প্ৰয়োজনীয় উদ্দেশ্য হ'ল বুদ্ধি আৰু মানসিকতাৰ বিকাশ। কিন্তু স্বাধীন মৌলিক চিন্তা নহলে বুদ্ধি আৰু মানসিকতাৰ বিকাশ হলেও, ছাত্ৰ জীৱনটোৱেই প্ৰকৃত মূল্যায়ন অসম্পূৰ্ণ হৈ ৰব। কাৰণ ছাত্ৰ সকলেই দেশৰ ভৱিষ্যত নাগৰিক। তেওঁলোকৰ ব্যক্তিগত বুদ্ধি মানসিক উন্নতি আৰু মৌলিক চিন্তাধাৰাৰ ওপৰতেই জাতীয় চিন্তা আৰু উত্তৰোত্তৰ জাতীয় উন্নতি সম্পূৰ্ণৰূপে নিৰ্ভৰশীল।

কবিতা

প্ৰহ্লাদ চন্দ্ৰ তাচা
প্ৰাক্‌বিশ্ববিদ্যালয়, কলা

# ॥ প্ৰসৱ বেদনা ॥

এটি বিকট চিঞৰ
তাৰ পিচত কান্দোন
অসহায় এক নাৰীৰ কান্দোন
হায়ঁ ! ইমান করুণ ?

অসহ্য প্ৰসৱ বেদনা
অন্তঃসত্বা অসমীৰ
উহ্‌ কি দারুণ যন্ত্ৰণা !

ক্ষন্তেক পিছত
সম্ভাষণ জনালে ক্লান্তা পৃথিবীক
এটি নৱজাত শিশুৱে
ক্ৰন্দনৱ তূৰ্য্য ধ্বনীৰে
নাম কি তাৰ ?
'নগাভূমি' ওৰফে 'নগালেণ্ড' !
গৰ্ভাশয়ত আকৌ ভ্ৰূণৰ বিচৰণ
দহমাহ দহদিন
প্ৰসৱ বেদনাৰ বিকট চিৎকাৰ
হায় ! ভগবান
আৰু এটি অবৈধ সন্তান
এইবাৰ ? এইবাৰ নাম কি হব তাৰ ?
'নেফা' ? নহয়
'উৰ্ব্বশীয়ম' ? নহয়
নাম 'অৰুণাচল' ।

পতিতা অসমী সগৰ্ভা
কেকাঁইছে
কিয় ?
হায় আকউ পূৰ্ব্ব-যন্ত্ৰণা
প্ৰসৱ বেদনা
আৰু এটি নিষিদ্ধ সন্তান
নাম পালে ই
'মেঘালয়' ।

পৰিয়াল পৰিকল্পনাৰ নীতি ভঙ্গ ;
গৰ্ভাশয়ত বীৰ্য্যৰ সঞ্চয়ণ
প্ৰসৱ বেদনাৰ অসহ্য যন্ত্ৰণা
হায় বিধি ! এই দশা কিয় ?
কেই মুহূৰ্ত্তৰ পিছত
নৱজাত শিশুৰ ক্ৰন্দনধ্বনী
এইবাৰ আহিল
'মিজোৰাম'
আৰু এটি অবৈধ সন্তানক
আদৰণি জনোৱাৰ প্ৰতিশ্ৰুতিৰে ।

হায়! হায়! পতিতাৰ কি দুৰ্দশা
ভগ্ন দেহ, জীৰ্ণ আভৰণ
আকৌ বীৰ্য্যৰ সঞ্চয়ণ
ভ্ৰূণৰ বিচৰণ
আৰু এটি জাৰজ সন্তানৰ সৃষ্টিৰ পূৰ্ব্বাভাষ
কিন্তু তাইযে দুৰ্ব্বলা!

কেনেকৈ তাই কৰিব প্ৰসৱ?
তেন্তে উপায়?

ভ্ৰূণ হত্যা?
সেয়া জানো সম্ভৱ?

কোনোবা এটা মহেন্দ্ৰক্ষণত ?)
হয়তো ভূমিষ্ঠ হব
নাম হব চাগ
'উজনি অসম'
ওৰফে কিবা এটা
নাভূত নাশ্ৰুত নাম।

---

গল্প

# ছিন্নৰেখা

বিপিন কুমাৰ বৰা
২য় বাৰ্ষিক, কলা

: এবা নবৌ, জীবন জাহ্নবীত সাঁতুৰিছোঁ আৰু সাঁতুৰিবই লাগিব... নদীৰ সোঁতে মোৰ বিবশ দেহাটো তোমালোকৰ মৰম চেনেহৰ ঘাটতে আনি তুলি দিবহি।

: তাইৰ বুকুৰ উঠানমা খিনিত তাৰ দৃষ্টি নিবদ্ধ হৈছিল।

: তুমি বিকাশক ভাল পাইছিলা, এতিয়াও পোৱা। ...বিকাশৰ তেজে এখন হাত আছে।

এয়া বিপিন বৰাৰ অন্তিনৰ নহলেও প্ৰায় সাৰ্থক সৃষ্টি হৰমোহন; বাপু, বিকাশ আৰু..

ৰেখাডাল ঠিক লম্ব ভাবে বৈ যাব লাগিছিল। স্পষ্ট ভাবে ৰেখাডাল তৰ্জ্জনী আৰু মধ্যমা আঙুলিৰ মাজেদি বৈ যাব লাগিছিল; অথবা মধ্যমা আঙুলিৰ ওচৰৈলকে যোৱাহেতেনো ভাবিব লগীয়া একো নাছিল। ৰাজদূত,

ৰাজ্যপাল নহলেও অন্ততঃ কিবা এটা ডাঙৰ চাকৰীয়াল হব পাৰিলেহেতেন। আনহাতে আঙ্‌লি কেইটাৰো কোনো বিশেষত্ব নাই। পেঞ্চিলৰ দৰে জোঙা আঙ্‌লিৰ এখন হাত আৰু হাতখনৰ মাজেদি লম্বভাবে বৈ যোৱা এডাল ৰেখাৰ লগত হৰমোহন বৰাই নিজৰ হাতখন তুলনা কৰি ভাবিলে। এৰা, নাইতো, তাৰ হাতখনত একো বিশেষত্ব নাই। গতিকে অন্ততঃ নামজ্বলা কিবা এটা হোৱাৰ চিন তাৰ দেহত নাই। অথচ সকলো মানুহ তাৰ দৰেই। ধেৎতেৰি কিবোৰ যে ভাবিছে সি নিজেই নাজানে। এইবোৰ ভবা কথানে? নিশ্চুপ হৈ পৰে সি। প্ৰতিভা হেনো ন'ব ভাগ কপালৰ ঘাম, দহ ভাগহে প্ৰেৰণা। তাত আৰু ভাবিবৰ কিটো আছে। কপালৰ ঘাম মাটিত পেলোৱা আৰু পাপা হাতত তুলি ধৰা। বচ্‌, জীৱনটো সহজ হৈ যাব; সুখী হৈ যাব।

কলেজৰ জীৱনটোৱেই সুখৰ আছিল, আকৌ ভাবিলে হৰমোহনে। কিয় ভাল লাগিছিল, অথবা কলেজীয়া জীৱনত ইমান কি ভাল লগা কাৰণ থাকিব পাৰে। আচলতে পুৰণা দিনবোৰত এটা আমেজ আছে। সেই দিনবোৰ যিমানে উদাসী নহওক পাহৰিব পৰা ক্ষমতা কাৰো নাই। অজয় হৰমোহনৰ বন্ধু আছিল। তথাকথিত ক্লাচ ফ্ৰেণ্ডবোৰতকৈ অজয়ক হৰমোহনে বেলেগ ভাবে ভাল পাইছিল। অজয় আছিল সুন্দৰ, সুগঢ়ি আৰু সৰ্ব্বৰহী। কলেজ কেন্টিন, কমন-ৰূমত অজয় থাকিলে গাজাৰ আড্ডাৰে জমি থাকে। গাৰ্ল হোষ্টেলৰ ফালে গলেতো কথাই নাই। অজয়দা, অজয় ভাইটি, অজয় কেৱল অজয়। গাল'ত কোমল হাতৰ সৰু সৰু চৰ, চিকুটা বাকুটাবোৰৰ অন্ত নাই। সেই অজয়ৰ হঠাৎ এদিন সকলোৰে অন্তৰত তীব্ৰ আঘাট সানি মৃত্যু হ'ল। অজয়ৰ মৃত্যু মৰ্ম্মন্তুদ আছিল তাত সন্দেহ নাই। প্ৰশিক্ষণমূলক ভ্ৰমণত গৈ অজয়ে কোবাল সোঁতৰ নদী এখনত পৰি খুব সাতুৰিছিল। সাতুঁৰি সাতুঁৰি ক্লান্ত হৈ শেষত নিজকে এৰি দিছিল সেই নদীত জীৱনান্তৰ কাৰণে। এৰি থৈ গৈছিল অমলা নামৰ তাৰ বাগ্‌দত্তাক। অমলা তাৰ লগতে কলেজত পঢ়িছিল। কলেজৰ ভালপোৱাৰ মাজত সিহঁতৰ আছিল ভৱিষ্যতৰ ৰঙীণ কল্পনা। হৰমোহনে লক্ষ্য কৰিলে যে ভালপোৱাৰ পৰা কোনোৱেই পলাতক হৈ থাকিব পৰা নাই। এজনৰ হিয়াক আন এজনৰ হিয়াই আপোন কৰি লব বিচাৰে। মনৰ মাজত কিছু দিনৰ বাবে অস্বস্তিৰ যন্ত্ৰণা সংহৰণ কৰি ৰখাৰ পিচত

এনে এটা দিন, এনে এটা সুযোগ আহি পৰে যে মনৰ দুৰ্ব্বলতাখিনি দ্বিতীয় ব্যক্তিৰ ওচৰত ভালপোৱা হিচাবে প্ৰকাৰান্তৰে ধৰা পৰি যায়। অমলাই অজয়ৰ মৃত্যুৰ পিচত বোধহয় হৰমোহনক তাকেই কব বিচাৰিছিল। কিন্তু কোৱা নহ'ল। নকওঁ বুলিয়েই নকলে।

খুব নিৰ্জ্জনতাৰ মাজত এৰি দিবৰ মন গ'ল তাইৰ নিজকে। স্তব্ধতাৰ তৰঙ্গয়ীত জীৱন জাহ্নবীত হেৰুৱাই দিবৰ মন গ'ল সাতুঁৰি সাতুঁৰি।

সাতুঁৰি সাতুঁৰি বিবশ হোৱা অজয়ৰ দেহাটো মেডিকেললৈ অনা হৈছিল। শীতৰ ঠেটুৰৈ ধৰা জাৰত কপাঁৰ দৰে কপিঁ কপিঁ অজয়ৰ ওঠঁযুৰি জাৰত শুব্ধ হৈ গৈছিল। কপিঁ উঠা ওঠঁযুৰিয়ে কিবা কব বিচাৰিছিল সম্ভৱ। নোৱাৰিলে। মৃত্যুৰ যন্ত্ৰণাত জঠৰ হোৱা অজয়ে একো কব নোৱাৰিলে। হাতীশুৰৰ নিচিনা আঙুলি, লম্বৰ দৰে স্পষ্ট সুদীৰ্ঘ এডাল ৰেখাযুক্ত হাত লৈ অজয়ৰ মৃত্যু হৈছিল হৰমোহনৰ চকুৰ আগতে। পিচে মৃত্যুৰ সময়ত সি "হে ৰাম' 'হে কৃষ্ণ' জাতীয় এযাৰ মহৎ বাণীও উচ্চাৰণ কৰিব নোৱাৰিলে দেখোন।

মানুহৰ জীৱনযে কি বিচিত্ৰ। এই বিচিত্ৰ ৰেহৰূপৰ মাজত অৱলুপ্তি হৈ আছে জীৱনৰ প্ৰকৃত অৰ্থ। কিন্তু সেই অৰ্থ ধৰা নপৰে সকলো সময়তে। জীৱনৰ কেনভাচত পুৰণা দিনবোৰ বছৰৰ পাছত বছৰ হৈ পাৰ হৈ গ'ল তথাপি হৰমোহনে স্মৃতিৰ এলবামৰ পৰা মচি পেলাব নোৱাৰিলে অজয় বা অমলাক। কলেজ ইউনিভাৰচিটিত উচ্চ শিক্ষা লবলৈ বহুতেই আহিছিল, আহিছে আৰু আহিব। এইদৰেই হৰমোহনে লগ পাইছিল একো একোটা মধুৰ দিন উপভোগ কৰি হৈ-হাল্লাৰ সৃষ্টি কৰা বহুত লৰাছোৱালীক। পিক্‌নিক্ খাবলৈ যোৱাৰ দৰেই অহা আহিছে যোৱা গৈছে। কাৰোবাৰ মুখত তৃপ্তিৰ হাঁহিৰ মুখৰতা, কাৰোবাৰ মুখত কলীয়া ডাৱৰৰ ছাঁ। বহুতে বহুতক যাচিলে হৃদয়ৰ তপত উম, বহুতে পাহৰি গ'ল নিজতে ব্যস্ত থাকি। ঠিক এইদৰেই মানুহৰ ৰংহীন জীৱন আহিছে, গৈছে—।

ঃ তই যাবিগৈ ;

মূৰ তুলি চালে হৰমোহনে। এটা দীঘল নিশ্বাস পেলাই শলাগিলে সি। 'প্ৰথম কেইদিনমান কষ্ট পাবি; কষ্ট পাম আমি।' ককায়েকে পুনৰ কলে।
ঃ কাছাৰীত মোকৰ্দ্দমা দাখিল কৰ!
ঃ মোকৰ্দ্দমা কৰি কি লাভ ?
ঃ কি ?
ঃ ওঁ, কি লাভ ? মানুহৰ আত্মসন্মান, আত্মজ্ঞান নাই নেকি ?
ঃ এতিয়াও আত্মসন্মান ৰবলৈ বাকী

আছেনে ? বহুতেই জানি গ'ল। বিষণ্ণতাৰ এটাই হৰমোহনৰ মুখমণ্ডলত উজাৰ খাই পৰা দেখা গ'ল।
ঃ ঠিক আছে মোকৰ্দ্দমা কৰিলোৱেই আৰু তায়ো ফিৰি আহিল হাতলৈ। কিন্তু লাভ ?
ঃ লাভ লোকচান গুলি মাৰ না। আগতে চব ঠিক হৈ যাওক তাৰ পিচত ভাবিম।
ঃ এইবোৰ কৰি .. নাই ডাঃ বিকাশক মই ক্ষমা কৰি দিছোঁ।
ঃ এৰা হব, দোষ এক প্ৰকাৰ মোৰেই— স্পষ্ট কণ্ঠস্বৰে কলে ককায়েকে।
ঃ দোষ-গুণৰ কথা নহয় ককাইদেউ; ডাঃ বিকাশৰ অবিহনে ৰাণুমা জীয়াই থকাৰে মস্কিল আছে।
মই জানো ৰাণুমাই ডাঃ বিকাশক ভাল পায়। সেইবুলি মই ৰাণুমাক ঘৃণা কৰিবলৈ নাযাওঁ। ডাঃ বিকাশৰ ওচৰলৈ যোৱাৰে পৰা মোৰ তাইক ভাল নেলাগিব পাৰে কিন্তু মনৰ বিশ্বাসবোৰ সম্পূৰ্ণ হেৰাই যোৱা নাই।
ঃ ৰাণুমাই কিবা কৈছে তোক ?
ঃ তাই কিবা কব জানো !
ঃ তেন্তে ?
ঃ মই বুজিব পাৰিছোঁ। তই আৰু এবাৰ চেষ্টা কৰা উচিত আছিল।
ঃ ধুৎ চেষ্টা। হৰমোহন বহাৰ পৰা উঠিল। তাৰ পিছত কলে 'ডাঃ বিকাশৰ চৰণত পৰি ক্ষমা ভিক্ষাৰ অনুৰোধ কৰিব পাৰোঁ। তাৰ ওচৰত মই ৰাণুমাৰ ভিক্ষা বিচাৰিব পাৰো ! আৰু মই কি কৰিব পাৰোঁ ?
ঃ হৰমোহন !
ঃ ওঁ, সেইটো সম্ভৱ নহয়। এইবোৰ তুচ্ছ কাৰবাৰ মোৰ ভাল নালাগে। ডাঃ বিকাশ তোৰ বন্ধু আছিল সেই কাৰণেই তাৰ ওচৰত নতজানু হোৱাটো উচিত নহয় আৰু শোভা নেপায়।

ককায়েকে ইজিচিয়াৰত দেহাটো অৱশ ভাবে এৰি দিলে। হঠাৎ কিবা এটা আবিষ্কাৰ কৰাৰ উৎকণ্ঠাৰে কৈ উঠিল—

ঃ শুনচোন, ডাইভোৰ্স কৰ।
ঃ ইমান সোপা সময় মোৰ হাতত নাই। তাইক দেখোন মাতি পঠাব পাৰি। মই তাইক চব কথা কৈ যাম।
ঃ কি কথা ?
ঃ ইচ্ছা কৰিলে তাই বিনা দ্বিধাই বিয়া কৰি লব পাৰে বিকাশক। অলপপৰ বৈ আকৌ ভাবিলে হৰমোহনে— ঠিক আছে মই তাইক মাতি পঠালোঁ। আহিব জানো ? নিশ্চয় আহিব। মই জানো তাই মোৰ পৰা তেনে এবাৰ কথাকে শুনিবলৈ বাট চাই আছে।
ঃ তোৰ কথা তাই বিশ্বাস কৰিব জানো ?
ঃ কৰিব, তাই মোক খুব বিশ্বাস কৰে।

আচৰিত ! ককায়েকে দৰ্জ্জাৰ মুখলৈ আগবাঢ়ি গৈ হৰমোহনলৈ এবাৰ চালে ব্যঙ্গমিশ্ৰিত দৃষ্টিৰে, তাৰ পিচত বাহিৰলৈ ওলাই গ'ল স্বাপদ খোজেৰে।

অমলা। অমলাই কি কব বিচাৰিছিল বুজি নাপালে হৰমোহনে। বুজি নেপালে অজয়ৰ কঁপা ওঁঠযুৰিয়ে কব বিচৰা কথা। অথবা তাৰ পত্নী ৰাণুমাৰ কথাখিনিও বুজি নেপালে। বিয়াৰ কেইমাহ মানৰ পিচত কেবাদিনো সন্ধিয়া হৰমোহনে ৰাণুমাক বিকাশৰ লগত দেখিছিল। ৰাণুমা আৰু বিকাশে মুকলিমনেৰে কথা পাতিছিল, হাঁহিছিল। অসম্ভৱ ভাবে সময়বোৰ কটাই দিব পাৰিছিল; আৰু এদিন হৰমোহনে বৰ লাজ লগাকৈ ৰাণুমাক দেউতাকৰ ঘৰত বিকাশৰ লগত দেখিছিল। ইমান দূৰ আগবাঢ়ি যোৱাৰ পিচতো ৰাণুমাৰ ব্যক্তি স্বাধীনতাৰ ওপৰত হৰমোহনে হাত দিয়া নাছিল। খুব পৰিষ্কাৰকৈ বুজিবলৈ হলে ৰাণুমা আৰু বিকাশৰ এখন স্বকীয়া সংসাৰৰ প্ৰয়োজন। জীৱনৰ ৰংবোৰত কোনো বিশ্বাস নাই নাই কোনো স্থিৰ প্ৰত্যয়। অমলাক বোল্লে হৰমোহনে কথা দিছিল। তাইৰ বাহিৰে আন কাকো বিয়া নকৰায়। অথচ বিয়া কৰালে সি।

কামাখ্যা মন্দিৰত আঠুলৈ ৰাণুমাই তাক কৈছিল জীৱনৰ আৰাধ্য দেবতা বুলি। অথচ আজি ৰাণুমাই তাৰ কোনো কথাকে মানি লব নোখোজে। ডাঃ বিকাশ তাৰ কলেজীয়া জীৱনৰ বন্ধু। হৰমোহনেই চিনাকি কৰি দিছিল ৰাণুমাৰ সৈতে। কিন্তু বিকাশে ৰাণুমাৰ ৰূপৰ অগ্নিশিখাত পৰি বন্ধুৰ খাতিৰ ৰাখিব নোৱাৰা হ'ল। সংযম কৰি ৰাখিব নোৱাৰিলে মনৰ দুৰ্ব্বলতাখিনি। তথাপিও কবলৈ যায় হৰমোহনে ৰাণুমাই তাক খু-ব বিশ্বাস কৰে বুলি।

ঘৰৰ কামকৰা লৰাটোক পঠাই দিলে হৰমোহনে ৰাণুমাক মাতি আনিবলৈ। দীঘলীয়া লেক্‌চাৰৰ প্ৰয়োজন নাই। সৰু আইদেউক সৰু বাবুৱে এতিয়াই ঘৰলৈ মাতিছে তাৰ লগতে। বচ্‌ ইমানেই। ইমানকে কৈ ৰাণুমাক মাতি আনিবলৈ কামকৰা লৰাটোক পঠাই দি হিয়াৰ কোনোবাখিনিত ভয়ানক যান্ত্ৰণা এটা অনুভৱ কৰিলে সি। ৰাণুমা আজি কেইবা মাহো অহা নাই। যোৱাৰে পৰা এদিন মাথো দেখিছিল তাইক। ৰাণুমাৰ কথা যিমানে মনত পৰিল সিমানে চিৎকাৰ কৰি উঠিল তাৰ সমগ্ৰসত্ত্বা। হাতদুখনেৰে মূৰটো চেপি ধৰি পাঁচাৰি আৰম্ভ কৰিলে। আকৌ সেই ভাব। পিকনিকলৈ যোৱাৰ দৰে কলেজীয়া জীৱনটো। এটা গভীৰ স্বপ্নৰ

দৰে লাগিল তাৰ।

ৰাণুমাক বিয়াৰ শেষ ৰাতি কোঠা-টোৰ নিভৃত পৰিবেশত যেতিয়া দেখিছিল হৰমোহনে তাইৰ বুকুৰ উঠানমাখিনিত তাৰ দৃষ্টি নিবিষ্ট হৈছিল। তেতিয়া এটা নতুন মানুহ পৰিচিত পৃথিবীৰ বাহিৰত এটা সত্বাৰ কাষলৈ আহি অপৰিসীম ভাল লাগিছিল তাৰ, ঠিক যেনেকৈ ভাল লাগিছিল ৰং তামাচাৰে পৰিপূৰ্ণ কলেজীয়া জীৱনটো।

হৰমোহন এইবাৰ বহি পৰিল। চকু দুটা পৰিষ্কাৰ কৰি নিজৰ ফট'খনকে চালে। ইংৰাজী বিভাগত পঢ়ি থাকোতে ইউনিভাৰ্চিটিত লোৱা ফট'। এতিয়া আৰু তাৰ সেই চেহেৰা নাই। গাল, মুখ চকু, হাত-ভৰিকে ধৰি গোটেই শৰাৰটোৰেই পৰিবৰ্ত্তন হ'ল। নহবনো কিয় ? ডিগ্ৰীলৈ ঘৰত, ঘৰতে বিয়া, বিয়াৰ পিচত এইয়া চাকৰি।

তাৰ আগতেই অমলাৰ ৰিং মেৰেজ অজয়ৰ লগত। তাৰ পিচত অজয়ৰ মৃত্যু। তুলিকাৰে গভীৰ প্ৰলেপসনা অমলা হৰমোহনৰ বাবে ছবি হৈয়ে ৰ ল। ঠিক অজয়ৰ মৃত্যুৰ পিচত আৰু ৰাণুমাক বিয়া কৰোৱাৰ ব্যৱধান খিনিত অমলাই যি সহানুভূতি দেখুৱাইছিল হৰমোহনে পাহৰিব নোৱাৰে। হৰমোহনে অনুভৱ কৰিছিল অমলাৰ শৰীৰত এটা দুৰ্ব্বল অনুকম্পা। কণ্ঠস্বৰৰ দ্ৰুত পৰিবৰ্ত্তন, সঘন নিশ্বাস, উঠনবুকুৰ সৌন্দৰ্য্যৰ তাড়ণা। আজি বিগত প্ৰতিচ্ছবিয়ে হৰমোহনৰ মগজুৰ কোনোবা নিৰ্জ্জন কক্ষত অনৰ্গল পায়চাৰি কৰি আছে। মাথোন অমলা, অমলা, অমলা. চঞ্চলা অমলাই হাঁহিছে। যৌৱনৰ ভৰত অমলাৰ ভৰি কঁপিছে। অমলাই মাতিছে তাক অথবা তাই দুখন হাতেৰে মুখখন ঢাকি কোনো এটা লাজ লগা মুহূৰ্ত্তক পাৰ কৰি দিব বিচাৰিছে।

: বাচ কেইবজাত ? অপ্ৰত্যাশিত মাতত উচপ খাই উঠিল হৰমোহন। মূৰ তুলি চালে— ককায়েক।

: দিনৰ এক বজাত।

: আজি নগলে নহয়নে ? ৰাণুমা আজি নাহিবও পাৰে। কিবা এটা কৰি নগলে ভাল হব জানো ? কপাল থুপাই ককায়েকে কলে।

হৰমোহনে প্ৰশ্নসূচক দৃষ্টিৰে ককায়ে-কলৈ চাই কলে—

:তইনো কিয় ইমান ভাবি হায়ৰাণ হৈছ ?

: কিবা এটা চিন্তা নকৰি জঠৰ হৈ পৰি থাকিলে হবনে ? তাতে বিয়াখন মোৰ পচন্দ মতেই হৈছিল।

: বাদ দে সেইবোৰ এতিয়া।

ককায়েকে দীঘল হুমুনিয়াহ এটা এৰি মন হাকুটিৰে খিৰিকিয়েদি আকাশৰ

শূণ্যতাত কিবা বিচাৰিলে। তাৰ পিচত আকউ বাহিৰলৈ গ'ল। হৰমোহনে আইনাত নিজকে এবাৰ চালে। চাক-ৰিটো অশেষ কষ্টৰ মূৰতহে পাইছে। দহ এঘাৰটা ইণ্টাৰভিউ দিয়াৰ পিচতহে এয়া সফলতা। এতিয়া আৰু বৈ থাকিলে কাম নচলিব। আনহাতে তাৰ ঘৰত থাকিও ভাল নলগা হৈছে। সি যেন বহুত দূৰলৈ গুচি যাব। এৰা, সি আজি চাকৰিৰ বাবে যাবই লাগিব।

বাণুমা নাহিব নেকি? নাহক। তাইক হৰমোহনে য'ৰে পৰা হলেও জনাব—ৰাণু তোমাৰ যি ইচ্ছা তাকে কৰিব পাৰা। এখন নতুন সংসাৰ তুমি বিকাশৰ লগত পাতি লব পাৰা। পৃথিৱীত বিচৰণ কৰি থাকিয়ে তুমি স্বৰ্গৰ সুখ উপভোগ কৰিব পাৰা। হাঁহিব পাৰা, নাচিব পাৰা তাত মোৰ কোনো আক্ষেপ নাই। বন্ধু অজয়ৰ দৰে নদীৰ সোতঁত সাতুঁৰি সাতুঁৰি নিজকে এৰি দিব পাৰা, কিন্তু মনত ৰাখিবা হঠাৎ নদীৰ চাকনৈয়াত পৰি নিজকে হেৰুৱাই ডঃ বিকাশৰ বুকুত জুই নজ্বলাবা। সেই জুয়ে তোমাকো পুৰিব। ভাবি ভাবি সি ন-বোৱৰেকৰ ওচৰ পালেগৈ। ন বোৱৰেক কামত ব্যস্ত আছিল। বহি-ৰ'ল মূঢ়াটো আগবঢ়াই দি কলে—

ঃ মইনা, হাতমুখ ধুই জলপান খাই লোৱা।

ঃ খাম বাৰু নবৌ, আগতে কোঁৱা মই কিবা অন্যায় কৰিছো নেকি?

ঃ নাইতো, তুমি কি অন্যায় কৰিছা! ৰাণুমাই তোমাৰ লগত এতিয়া আৰু কোনসতে যোগ-সূত্ৰ ৰাখে।

ঃ এৰা নবৌ, জীৱন জাহ্নবীত সাতুঁৰিছো আৰু সাতুৰিবই লাগিব। অজয়ৰ দৰে সাতুঁৰি সাতুঁৰি নিজকে এদিন এৰি দিব লাগিব। তোমালোকৰ ওচৰত মই সদায় ঋণী হৈ থাকিম। শেষত নদীৰ সোঁতে মোৰ বিবশ দেহাটো তোমালোকৰ মৰম চেনেহৰ ঘাটতে আনি তুলি দিবহি। তুমি জানা, মোৰ মনৰ অন্তৰালত কি এক ভয়াবহ মানসিক যন্ত্ৰণাৰ দাবানল অহৰহ জ্বলিব লাগিছে। সেই জুই নুমাবৰ বাবেই মই সোনকালে ইয়াৰ পৰা যাব ওলাইছো। অৱশ্যে জুই এদিন পলমকৈয়ো যাব পাৰিলোহেতেন। কিন্তু সিমান খনি ধৈৰ্য্য মোৰ নাই, নবৌ।

খুব কাতৰ কণ্ঠে কথাষোৰ কৈ গ'ল হৰমোহনে। চকু দুটা তাৰ অশ্ৰুসিক্ত হৈ পৰিল। বাহিৰত কোনোবা অহাৰ গম পাই—ন-বৌৱেকৰ কাষৰ পৰা উঠি গ'ল হৰমোহন। ৰাণুমা নেকি? নহয়। লৰাটো ঘূৰি আহিছে।

ঃ কি হ'ল সৰু আইদেউ অহা নাই নেকি? কি কলে, তাই নাহিব নেকি? একে-লগে বহুত প্ৰশ্ন কৰিলে হৰমোহনে।

ঃ নাই বাবু লগ নপালোঁ। কেনিবা ওলাই গ'ল।

ঃ বাৰু, তই যা, বাচ ষ্টেচনৰ পৰা গুৱাহাটীৰ টিকট এটা আনি আহ। সি নিৰাশ নহ'ল।

ৰাণুমা ঘৰত নথকাটো স্বাভাবিক। সি ভুলেই কৰি পেলাইছিল। এতিয়া ৰাণুমাই নিজৰ অভিমতৰ ওপৰত ভৰি দি বহুখিনি আগবাঢ়িব পৰা ক্ষমতা অৰ্জ্জন কৰি পেলাইছে। গভীৰ মানসিক অশান্তিৰ মাজত থকা মন এটা মুক্ত বিহঙ্গৰ দৰে উৰিব পোৱাটো কম আনন্দৰ কথানে? হাত মুখ ধুই হৰমোহনে ন-বৌৱেকে যতনাই দিয়া জলপানখিনি খাই চাহ একাপৰ প্ৰয়োজন বোধ কৰিলে। লৰালৰিকৈ চাহ কাপ দি নবৌৱেকে বিচনাত কান্দি থকা তিনিবছৰীয়া সোণটোক ডাঙি ললেগৈ। পিছে পাকঘৰৰ পৰা হৰমোহনে নবৌ নবৌ কৈ চিঞৰি উঠিল! কিনো অঘটন ঘটিল! একে উশাহতে নবৌৱেক পাকঘৰ পালেগৈ।

ঃ নবৌ, কি চাহ দিলাহে?

ঃ কি হ'ল চেনি নহ'ল নেকি?

ঃ চাহত চেনি বুলি নিমখকে দিলা।

এনে ভুল কেতিয়াবা সাধাৰণতে হয়। কোনোবা বিয়া এখনত চেনি বুলি নিমখ চাহ বহুতকে খুৱালে। ঘৰৰ গিৰিহঁতে চাহ মুখত দি গম পালে শুদ্ধ নিমখ। অন্যান্য খাওঁতাই চাগে' চেনিৰ অভাৱত নিমখকে দিছে বুলি ভাবি ললে। খুব এটা উতুলি মুতুলি পৰিৱেশত এনে কাম এটা হৈ যোৱাটো একো অস্বাভাৱিক নহয়। ঠিক এনেদৰেই হৰমোহনৰ জীৱনৰ ঘটনাবোৰো ঘটি আছে।

নতুনকৈ চাহ একাপ খাই হৰমোহন বেডিংপত্ৰ ঠিক কৰাত ব্যস্ত হৈ পৰিল। নবৌৱেকে ইটো সিটোৰ দিহা দি গ'ল। নবৌৱেকলৈ চালে সি। খুব ক্লান্ত যেন লাগিল। হয়তো বয়সৰ কাৰণে। কি অসম্ভৱ ভাবে সময়বোৰ পাৰহৈ গৈছে হৰমোহনৰ বাবে। কানৈ কলেজৰ হোষ্টেললৈ প্ৰথম যাবৰ দিনাও ঠিক এইদৰেই যোল্লবছৰীয়া হৰমোহনৰ কাপোৰ কানিবোৰ বান্ধি দিছিল নবৌৱেকে। লগতে ককায়েকে নজনাকৈ পঞ্চাচ টকা ৰূপ। ইমান মৰম লাগে তাৰ নবৌৱেক জনীলৈ। সপ্তাহত এখনকৈ চিঠি নবৌৱেকৰ পৰা পাইছিল সি। প্ৰতিখন চিঠি তাৰ জীৱনৰ বাবে বৰ লাগতিয়াল বস্তু আছিল।

ঃ নবৌ, ৰাণুমালৈ চিঠিকে এখন লিখি থৈ যাম। কামৰ মাজতে সি কলে।

ঃ লিখিব পাৰা। পিছে, কিনো লিখিবা?

এৰাতো, কিনো লিখিব। টেবুলৰ কাষত বহি কলমটো হাতত তুলি লৈ

গ'ল সি। তাৰ ভাষাবোৰ দেখোন হেৰাই যাব ধৰিছে। জোৰ কৰি আৰম্ভ কৰিলে সি।

মৰমৰ

বাণু,

মৰম জানিবা। আজি লিখিবলৈ বাধ্য হলোঁ। শেষবাৰৰ কাৰণে হলেও পঢ়ি চালে পৰিশ্ৰমৰ মৰ্য্যদা দিয়া হব। মানুহৰ বিবেকত জুই জ্বলিলে যি কোনো এটা সময়তে দুৰ্ব্বলতা আহি পৰে জীৱনলৈ। তেতিয়াই বিষময় হৈ পৰে সুখৰ সংসাৰ। ঠিক তেনে এটা দুৰ্ব্বল মুহূৰ্ত্ততে আমাৰ যুগ্ম জীৱনৰ মনোমালিন্য ঘটিল। তুমি গুছি গ'লা দেউতাৰাৰ ঘৰলৈ, ভালেই কৰিলা। মনৰ অশান্তিৰ মাজত থাকি জীৱনটোক সম্পূৰ্ণ ভাবে উপভোগ কৰিব পাৰে জানো কোনোবাই? অৱশ্যে ভুল অকল তোমাৰেই নহয়; ভুল মোৰো, ভুল তোমাৰ মা দেউতাৰ, ভুল এই বাস্তৱ পৃথিৱীখনৰ। আশানুৰূপ বস্তুটো নাপালে মন বিদ্ৰোহী হৈ উঠা স্বাভাবিক। মোৰ দোষ, তোমাক উপযুক্ত মানদণ্ডৰ ইন্ধন যোগাই দিব নোৱাৰাটোৱেই। বাণু, তুমি জানা আমাৰ দৰে টকা-পইচা নথকা মানুহে আজিৰ দিনত ঘপৰাই চাকৰি এটা যোগাৰ কৰি বিলাসিতাৰ মাজত দিন কটাবলৈ সপোন দেখাটো সম্পূৰ্ণ অৰ্থহীন। তথাপি তোমাৰ বাবে মই কষ্ট কৰিছিলোঁ। তুমি নুবুজিলা, গুছি গ'লা। যোৱা, তোমাক আৰু মই অমলাৰ কথা নকওঁ। তোমাৰ হৃদয় আৰু কোনোদিনে নকপেঁ। তুমি বিকাশক ভাল পাইছিলা, এতিয়াও পোৱা। মোৰ আপত্তি নাই বিকাশৰ লগত তোমাৰ বিয়া হোৱাত। মই ডাঃ বিকাশক মাফ্ কৰি দিছোঁ।

বাণু, তুমি সুখী নহলেও কৈছোঁ, মোৰ চাকৰি এটাৰ সুবিধা হ'ল গুৱাহাটীত। মই আজি যাবলৈ ওলালোঁ। বহু কথাই লিখিবলৈ আছিল। কিন্তু কিয় জানো কলমৰ আগ আৰু মনৰ ভাববোৰ ৰৈ গৈছে। বাণু, শেষত কামনা কৰিলো তোমাৰ আৰু ডাঃ বিকাশৰ জীৱনলৈ অনাবিল আনন্দৰ উৰ্ম্মি প্ৰৱাহক।

ইতি।

তোমাৰ 'মোহন'

চিঠিখন লিখি শেষ কৰি লিখিবলৈ পাহৰি যোৱা কথা এষাৰ তাৰ মনলৈ আহিল। ইলুটি সিলটি কৰি নিজৰ হাতখন সি আকৌ এবাৰ চালে। তাৰ ৰেখাডাল হেনো ঠিক লম্ব ভাবে মধ্যমা আঙুলিৰ ওচৰলৈকে বৈ যাব লাগিছিল আৰু মটহা-মটহ আঙুলিবোৰ হাতী শুঁৰৰ দৰে আগলৈ চিয়াঁ হব লাগিছিল। তেতিয়া বোলে সম্পত্তিবান হয়। বাণুমাই তেনে হাত যুক্ত মানুহবোৰক বৰ পচন্দ কৰে। তাতেই পৌৰুষত্বৰ লক্ষণ হেনো। বিকাশৰ তেনে এখন হাত আছে। অজয়ৰো আছিল। হয়তো অমলাৰো কাম্য আছিল সেই জাতীয় হাত। কিন্তু অজয় কিয়? ..... আৰু মোৰ......মই...... ??

# ॥ শ্ৰীমদ্ভাগবদগীতাৰ
# কৰ্ম্ম, জ্ঞান আৰু কৰ্ম্ম-সন্ন্যাস যোগ ॥

( গীতায়াঃ কৰ্ম্ম-জ্ঞান-কৰ্ম্মসন্ন্যাস যোগাঃ )

**শ্ৰীপ্ৰনবানন্দ ভট্টাচাৰ্য্য**
২য় বাৰ্ষিক কলা

[ গীতাৰ গভীৰ দাৰ্শনিক যুক্তি সমূহ বাখ্যা কৰা প্ৰকৃততে টান কাম। যদিও ভগৱান কৃষ্ণই সাধাৰণ লোকৰ কাৰণেই 'গীতা'ৰ তত্ত্ব সমূহ প্ৰচাৰ কৰিছে। আলোচ্য প্ৰবন্ধত গীতাৰ কৰ্ম্মযোগ, জ্ঞানযোগ আৰু কৰ্ম্ম সন্যাস-যোগ সম্পৰ্কে দুটামান কথা আলোচনা কৰিবলৈ চেষ্টা কৰা হৈছে মাথোন। ]

শ্ৰীমদ্ভাগৱৎ গীতাৰ দ্বিতীয় অধ্যায়ত ভগৱান শ্ৰীকৃষ্ণই অৰ্জ্জুনক এই সিদ্ধান্ত দিলে যে, কৰ্ম্মতকৈ বুদ্ধিযোগহে শ্ৰেষ্ঠ। অথচ লগে লগে অৰ্জ্জুনক ক্ষত্ৰীয় ধৰ্ম্ম পৰিত্যাগ নকৰি যুদ্ধ কৰিবলৈও উৎসাহ দিলে। যুদ্ধৰ দৰে হিংসাত্মক কাৰ্য্যই যদি কৰিব লাগে তেন্তে কৰ্ম্মত্যাগৰ স্বৰূপাৰ্থ নো কি? কৰ্ম্মযোগৰ অৰ্থই বা কি আৰু বুদ্ধিযোগৰ শ্ৰেষ্ঠতাৰ যুক্তিয়েই বা ক'ত? তেওঁয়েই কৈছে—কঠোৰ মানসিক ব্ৰতৰ দ্বাৰা ইন্দ্ৰিয় সংযম কৰি আসক্তি যুক্ত কৰ্ম্মৰ পৰা বিৰত থকা জনেই জীতেন্দ্ৰিয়। কিন্তু যুদ্ধ কৰাটো আসক্তিযুক্ত কৰ্ম্ম, কাৰণ ৰাজ্য লাভৰ আশাতহে যুদ্ধ কৰা হয়। আকৌ স্থিত প্ৰজ্ঞৰ লক্ষণ হ'ল—

"যদা সংহৰতে চায়ং কুৰ্ম্মোঽঙ্গাণীব সৰ্ব্বশঃ
ইন্দ্ৰিয়ানীন্দ্ৰিয়াৰ্থেভ্যস্তস্য প্ৰজ্ঞা প্ৰতিষ্ঠিতা ॥"

"কাছই যেনেকৈ নিজ অঙ্গপ্ৰত্যঙ্গ শৰীৰৰ ভিতৰত লুকুৱাই থয়, সেই দৰে জ্ঞানী ব্যক্তিয়েও সকলো ভোগ্য বস্তুৰ ( বিষয় ) পৰা ইন্দ্ৰিয় বিলাকক গোট খুৱাই আনিব পাৰে; আৰু তেওঁৰেই বুদ্ধি স্থিৰ হৈছে—তেওঁয়েই স্থিতপ্ৰজ্ঞ।"

যুদ্ধৰ মুখ্য উদ্দেশ্যই যিহেতু প্ৰতিদ্বন্দীক পৰাজিত কৰি নিজৰ ভোগ্য

বস্তু গ্ৰহণ কৰা তেন্তে তাত স্থিতপ্ৰজ্ঞৰ মূল্য ক'ত ?'

অৰ্জ্জুনৰ মনত কৌতুহল জাগিল। সংসাৰৰ পৰা মুক্তি লাভ কৰাই যদি তেওঁৰ কামনা হয় আৰু শ্ৰীকৃষ্ণই যি-হেতু কৰ্ম্মত্যাগ বা বুদ্ধিযোগকে শ্ৰেষ্ঠ জ্ঞান কৰিছে তেনেহলে তেওঁক যুদ্ধ কৰিবলৈ উৎসাহ দিয়াৰ যুক্তি কি ?

'জ্যায়সী চেৎ কৰ্ম্মনস্তে মতা বুদ্ধিজৰ্নাৰ্দ্দন।
তৎ কিং কৰ্ম্মনি ঘোৰে মাং নিয়োজয়সি
কেশব ॥"

উত্তৰত শ্ৰীকৃষ্ণই ক'লে যে, মানুহৰ প্ৰধান বস্তুটি হ'ল মন। মানুহৰ মনেই ছয় ৰিপুৰো গৰাকী। আৰু মনৰ দুৰ্ব্বলতাতেই ৰিপুয়ে আসৈ পায়। এজনৰ মন আনজনৰ মানত চিৰ-ৰহস্য হৈয়ে থাকিল।

নিজৰ মনকো যে শুদ্ধ বুলি কব পাৰি এনে লোকো বিৰল। কিন্তু এইটো থিক যে কৰ্ম্মত্যাগ কৰিও যি মনে মনে বিষয় চিন্তা কৰে সি পাপী আৰু তেওঁৰ আত্মাই নৰকত স্থান পায়। গতিকে মন শুদ্ধ কৰাই হ'ল মোক্ষ লাভৰ প্ৰথম ও প্ৰধান কৰ্ত্তব্য। দৈৱিক শক্তিৰ প্ৰভাৱত অথবা কঠোৰ ব্ৰতৰ প্ৰভাৱত কোনো জনৰ মন শুদ্ধ হয়। যাৰ মন শুদ্ধ তেওঁ ধ্যান ইত্যাদিৰ দ্বাৰা ব্ৰহ্মত্ব প্ৰাপ্ত হয়। বিশ্বামিত্ৰই কঠোৰ তপস্যাৰ দ্বাৰা ব্ৰহ্মত্ব প্ৰাপ্ত হৈছিল। কিন্তু সৰ্ব্বসাধাৰণৰ কাৰণে কৰ্ম্মত্যাগ কৰি মোক্ষ লাভ কৰা অত্যন্ত কঠিন। কৰ্ম্ম নকৰাকৈ কৰ্ম্ম-ত্যাগ কৰিব নোৱাৰি। কামনাৰ গন্ধ থকা কৰ্ম্ম ত্যাগ কৰাহে প্ৰকৃত কৰ্ম্মত্যাগ। কৰ্ম্মত্যাগেই হ'ল মন শুদ্ধিৰ পৰিচায়ক। কিন্তু কৰ্ম্মত্যাগ কৰিবলৈকে কৰ্ম্মযোগৰ বশবৰ্ত্তি হব লাগিব। নিষ্কাম হৈ কৰ্ম্ম কৰিবলৈ যি প্ৰেৰণা পাব তেওঁৰে মন শুদ্ধ। জ্ঞান আৰু কৰ্ম্ম দুয়োটাই উত্তম অৱশ্যে ব্যক্তি ভেদে যি কোনো এটাই শ্ৰেষ্ঠত্বৰ দাবী কৰিব পাৰে। কৰ্ম্মই প্ৰথম পাদ গতিকে নিষ্কাম কৰ্ম্মক এৰি গলেই জ্ঞানীৰ স্তৰত উঠিবলৈ যোৱাটো বৃথা। ইফালে মানুহৰ প্ৰকৃতিয়ে কৰ্ম্মৰ প্ৰতি মনক আকৰ্ষণ কৰিবই। ইয়াতে মানুহৰ মনত ভাল ভাব আৰু বিদ্বেষ ভাবৰ সৃষ্টি হয়; আৰু এই ভাব দুটাই বলপূৰ্বক মানুহক মনৰ ৰুচি অনুসৰি কাম কৰাই যায়।

মানুহৰ কৰ্ম্মেন্দ্ৰিয় পাঁচটা বাক, পাণি, পাদ, বায়ু আৰু উগস্থ। এই পাঁচটাক বলপূৰ্বক বশ কৰি মনত কোনো আসক্তি নাৰাখি যি জনে কেৱল কৰ্ত্তব্য অনুসাৰে নিজৰ হাত ভৰি ইত্যাদি কৰ্ম্মেন্দ্ৰিয়ৰ দ্বাৰা কাম কৰি যায় তেওঁয়েই কৰ্ম্মযোগী। আৰু যি জনে উপৰুক্ত পাঁচটা ইন্দ্ৰিয়ক বাহিৰে বাহিৰে সংযত

কৰি মনে মনে বিষয় বা ভোগ্য বস্তুৰ কথা ভাবে তেৱেঁই পাপীষ্ঠ অথবা ভণ্ড। মন শুদ্ধ কৰিবলৈ হলে যি নিষ্কাম কৰ্ম্ম কৰা হয় সি কেৱল ঈশ্বৰ প্ৰীতিৰ দ্বাৰাহে সম্ভৱ হয়। ঈশ্বৰ বা আত্মা সন্তুষ্টিৰ নিমিত্তে কৰা কামৰ বাহিৰে অন্য যি কোনো কৰ্ম্মই মানুহক সংসাৰ চক্ৰৰ মাজত পেলাই দিয়ে। গতিকে প্ৰকৃত কৰ্ম্মযোগৰ সাৰ্থকতা হ'ল আসক্তি ত্যাগ কৰি ঈশ্বৰৰ আৰাধনাৰ যোগেদি কৰ্ম্ম কৰাত। আত্মাই যে ঈশ্বৰ, এই কথা কৰ্ম্মযোগৰ দ্বাৰহে বুজিব পাৰি।

মানুহৰ শুদ্ধ মনক সন্তুষ্টি দিবলৈকে ব্ৰহ্মাই যজ্ঞৰ বিধান কৰিছে। মানুহৰ আত্মাক সন্তুষ্টি দিব যজ্ঞত সন্তুষ্ট হোৱা দেৱতা সকলে। [ যজ্ঞ পাঁচ প্ৰকাৰৰ— বেদপাঠ ব্ৰহ্মযজ্ঞ, তৰ্পণাদি পিতৃযজ্ঞ, হোমদেব যজ্ঞ, বলিদান ভূত যজ্ঞ, অতিথি সেৱা মনুষ্য যজ্ঞ—

"অধ্যয়নং ব্ৰহ্মযজ্ঞঃ পিতৃ যজ্ঞস্তু তৰ্পণম্।
হোমো দৈবো বলিৰ্ভৌতো নৃযজ্ঞোऽতিথিপূজনম্॥

—মনুসংহিতা। ]

যজ্ঞ কৰিলে তাত তুষ্ট হৈ দেৱতা-সকলে মানুহক আভীপ্সিত বস্তু দান কৰিব। সেই ভোগ্য বস্তু অতিথি সেৱাৰ যোগেদি ( মনুষ্য যজ্ঞ ) অথিতি ৰূপী দেবতাক ( কাৰণ, অতিথিয়ে সাক্ষাৎ দেবতা ) নিবেদন কৰি ভোগ কৰাটোহে প্ৰকৃত ধৰ্ম্ম। অন্যথাই নিজে ভোগ কৰোতা জন চোৰ। [ বেদত যজ্ঞৰ কথা এইদৰে আছে— যজ্ঞৰ পৰা মেঘ, মেঘৰ পৰা বৰষুণ, বৰষুণৰ পৰা অন্ন, অন্নৰ পৰা মানুহ, মানুহে আকৌ বেদ-পাঠ দ্বাৰা যজ্ঞাদি অনুষ্ঠান কৰে আৰু যজ্ঞৰ পৰা পুনৰ মেঘ; ইত্যাদি ক্ৰমে হোৱা পৰিবৰ্ত্তনক 'কৰ্ম্মচক্ৰ' বোলে। ] বেদ, পৰমব্ৰহ্মৰ নিশ্বাস— "অস্য মহতো ভূতস্য নিঃশ্বাসিত মেতদ্ খৎ ঋগ্ বেদো যজুৰ্ব্বেদঃ সামবেদঃ।" বেদৰ এই "কৰ্ম্মচক্ৰ" বিশ্বাস কৰোতা জনে যজ্ঞত প্ৰবৃত্ত হয় আৰু সেইদৰে কৰ্ম্মফলো যে ভগবানৰ ওচৰলৈকে যায় তাক বিশ্বাস কৰোতা জন কৰ্ম্মযোগী। আৰু "কৰ্ম্মচক্ৰ"ক বিশ্বাস নকৰোতা জন পাপী।

"যস্ত্বাত্মৰতিৰেব স্যাদাত্মতৃপ্তশ্চ মানবঃ।
আত্মন্যেব চ সন্তুষ্টস্তস্য কাৰ্য্যং ন বিদ্যতে॥
নৈব তস্য কৃতানৰ্থো নাকৃতেনেহ কশ্চন।
ন চাস্য সৰ্ব্বভূতেষু কশ্চিদৰ্থব্যপাশ্ৰয়।"

কিন্তু যি লোক কেৱল আত্মাই প্ৰীত, তৃপ্ত আৰু সন্তুষ্ট থাকে, তাৰ একো কৰাৰেই প্ৰয়োজন নাই। এই জগতত তেওঁৰ আৰু কৰ্ম্ম কৰাৰো প্ৰয়োজন নাই; কৰ্ম্ম নকৰিলেও তেওঁৰ পাপ নহয় আৰু নিজৰ প্ৰয়োজনাৰ্থে কোনো প্ৰাণীৰ আশ্ৰয় প্ৰাৰ্থীও তেওঁ

হব নালাগে ।

স্বৰূপার্থত শ্ৰীকৃষ্ণৰ এইয়ে যুক্তি যে অৰ্জ্জুন এনে ধৰণৰ জ্ঞানৰ চৰম অৱস্থাত উপনিত হোৱা নাই । আৰু আত্মাক চিনিবৰ বাবেই অৰ্জ্জুনৰ কৰ্ম্মৰ আৱশ্যক । ভগৱানে নিজেও কৰ্ম্ম কৰে ; কাৰণ মন শুদ্ধিৰ নিমিত্তে যি কৰ্ম্মৰ আৱশ্যক সেই কৰ্ম্মৰ প্ৰেৰণা লোকক দিবলৈকে তেওঁ কৰ্ম্মত ৰত হয় ।

প্ৰকৃত জ্ঞানীলোকে কৰ্ম্মত্যাগ নকৰে, ত্যাগ কৰে কামনা । মানুহৰ অন্তৰৰ সত্ব, ৰজ আৰু তম এই তিনিটা গুণেই মানুহক কৰ্ম্মৰত কৰে আৰু বুদ্ধিহীন লোকে তাকে নিজেই কৰা বুলি ভুল পথেৰে পৰিচালিত হয় । গুণ আৰু কৰ্ম্মৰ পৰা আত্মা পৃথক বস্তু এই সত্য যি জনে বুজিছে তেৱেঁই মাত্ৰ বুজে যে কৰ্ম্মৰ ভাগী ইন্দ্ৰিয়, আত্মা নহয় । এই কাৰণেই জ্ঞানীলোকে যি কোনো কাম নিজৰ লাভৰ নিমিত্তে কৰা বুলি কেতিয়াও নাভাবে । ইন্দ্ৰিয় সমূহে কাম কৰিলেও আত্মাহে তৃপ্ত হয় আৰু আত্মাই হ'ল ঈশ্বৰ । গতিকেই প্ৰকৃত ভক্ত বা জ্ঞানী লোকে, অন্য কথাত যাক কৰ্ম্মযোগী আখ্যা দিব পাৰি, তেওঁ নিজৰ মন, প্ৰাণ সকলো পৰমাত্মাৰ চৰণত সপি দি দেশ কাল পাত্ৰ অনুসাৰে কৰ্ম্ম ৰত হয় ।

সেয়ে শ্ৰীকৃষ্ণই কৈছে, "অৰ্জ্জুন, সকলো কৰ্ম্মৰ ফল মোক দি ভগবানত বিশ্বাস ৰাখি, 'কামনা', 'মোৰ মোৰ ভাব' আৰু দুখ ত্যাগ কৰি যুদ্ধ কৰা । ইও এটা ভগবানৰে ইচ্ছা ।

কিন্তু এই কথা ঠিক যে, জ্ঞান আহৰণেই হল মূল কথা । জ্ঞানীয়েহে ইন্দ্ৰিয় কামনাক অগ্ৰাহ্য কৰিব পাৰে । জ্ঞানীয়ে বুজে যে, নিজ ধৰ্ম্মই আত্মাৰ ধৰ্ম্ম । স্ব-ধৰ্ম্মত দোষ ত্ৰুটি থাকিলেও ই পৰধৰ্ম্মতকৈ ভাল ; কাৰণ পৰধৰ্ম্মত মনোনিবেশ কৰিবলৈ গলেই পতন অনিবাৰ্য্য । ইয়াতে অৰ্জ্জুনৰ প্ৰশ্ন হ'ল মানুহে পাপ কৰিব নুখুজিলেও কি বস্তুয়ে মানুহক পাপত নিযুক্ত কৰে ? কেতিয়াবা কেতিয়াবা বেয়া কামৰ প্ৰতিও মন আকৰ্ষিত হয় কিয় ?

শ্ৰীকৃষ্ণই কলেঃ

"কাম এষ ক্ৰোধ এষ ৰজো গুণ সমূদ্ভবঃ ।
মহাশনো মহাপাপ্মা বিদ্ধ্যেনমিহ বৈৰিনম্ ॥"

এয়ে হল কাম আৰু বাধাপ্ৰাপ্ত কামৰ উৎপন্ন হোৱাটোৱেই ক্ৰোধ । এই দুয়োটা ৰজোগুণৰ পৰা উৎপন্ন হয় । ইহঁত প্ৰবল আৰু ভয়ানক, ইহঁত একোতে সন্তুষ্ট নহয় । সেই বাবে ইহঁত মুক্তি পথৰ প্ৰধান শত্ৰু ।" এই কামেই জ্ঞানক ঢাকি ৰাখে । গতিকে মনক শুদ্ধ কৰাৰ প্ৰধান কৰ্ম্ম হ'ল ইন্দ্ৰিয়ক

বশ কৰি কাম ভাবক নষ্ট কৰা। শৰীৰতকৈ ইন্দ্ৰিয় শ্ৰেষ্ঠ, ইন্দ্ৰিয়তকৈ মন শ্ৰেষ্ঠ, আকৌ মনতকৈ বুদ্ধি আৰু বুদ্ধিতকৈও ডাঙৰ বস্তু হল আত্মা। গতিকে বুদ্ধিৰ সহায়েৰে মনক স্থিৰ কৰিব পাৰিলে কাম ভাবৰ সমাপ্তি ঘটিব আৰু তেতিয়াই আত্মা উপলব্ধি ঘটি মানুহজন জ্ঞানী বুলি পৰিগণিত হব।

শ্ৰীকৃষ্ণৰ মুখ-নিৰ্গত গীতাৰ মহান 'কৰ্ম্মযোগৰ' কথা সংক্ষেপে ইমানেই। আৰু ইয়াৰ লগে লগে ভগৱানে অৰ্জ্জুনক কোৱাৰ লগে লগে জ্ঞান যোগৰ অত্যন্ত গভীৰ সাৰ কথাভাগ 'গীতাৰ' পাঠক পাঠিকাৰ আগত ব্যক্ত কৰিছে। এতিয়া জ্ঞানেই নো কি আৰু জ্ঞানযোগৰ প্ৰকৃত অৰ্থই বা কি? তাকে অলপ চোৱা যাওক।

'গীতা'ত কোৱা হৈছে— নহি জ্ঞানেন সদৃশং পৱিত্ৰমিহ বিদ্যতে। জ্ঞানৰ সমান পৱিত্ৰ বস্তু ইহ জগতত নাই। গতিকে পৱিত্ৰতম্ এই অমূল্য ৰত্ন লাভ কৰোতা জন জানো কম ভাগ্যৱান!

ভগৱান শ্ৰীকৃষ্ণই নিজেই কৈছে যে জ্ঞানযোগৰ বিষয়ে তেওঁ সূৰ্য্যক উপদেশ দিছিল। সূৰ্য্যই সেই কথা মনুক শিকালে, মনুয়ে ইক্ষ্বাকু ৰজাক এই কথা শিকায় আৰু এই দ্বাৰেই শিষ্য ক্ৰমে এই জ্ঞানযোগ জ্ঞানী ৰাজৰ্ষি সকলে শিকে কিন্তু সংসাৰত অনেক দিন ধৰি জ্ঞানযোগৰ বিপৰীত ধৰ্ম্মী মনোভাৱৰ উদ্ভৱতা হেতু জ্ঞান যোগ সংসাৰৰ পৰা লোপ পাইছে। শ্ৰীকৃষ্ণৰ কথাত অৰ্জ্জুন আচৰিত হ'ল। নহবই বা কিয়? তেওঁয়েই হ'ল ত্ৰিভুবনৰ ত্ৰান কৰ্ত্তা স্বয়ং ঈশ্বৰ। শ্ৰীকৃষ্ণৰ মানবীয় ৰূপত অৰ্জ্জুনেই বা বুজিব কেনেকৈ যে তেওঁ বন্ধুয়েই সমস্ত বিশ্বৰ কেন্দ্ৰিভূত শক্তি। তেওঁ যেনে অলৌকিক তেওঁৰ জন্মও অলৌকিক। পৃথিবীত অধৰ্ম্মক পৰাজয় কৰি ধৰ্ম্মৰ প্ৰতিষ্ঠাৰ নিমিত্তেই তেওঁ যুগে যুগে জন্ম গ্ৰহণ কৰিছে। শ্ৰীকৃষ্ণই সমস্ত সত্য কথা খিনি অৰ্জ্জুনৰ আগত কলে আৰু কলে যে আত্মাৰ মৰণ নাই। ই বাৰে বাৰে জন্ম গ্ৰহণ কৰি থাকে। কিন্তু প্ৰত্যেক জন্মতে ই মায়াৰ বান্ধোনত পৰি পূৰ্ব্বজন্মৰ কথা পাহৰি যায়। সেই কাৰণে অৰ্জ্জুনেও নিজকে উপলব্ধি কৰিব নোৱাৰে। কিন্তু ভগৱানৰ জন্মও অলৌকিক তথা কৰ্ম্মও অলৌকিক। এই সত্য কথাষাৰ যি বুজিব সিয়ে মুক্তি লাভ কৰিব। এই সত্য কথাষাৰ হৃদয়ঙ্গম কৰিব পাৰোতা জনেই জ্ঞানী আৰু নিষ্কাম কৰ্ম্মৰ দ্বাৰাই এই পৱিত্ৰ বস্তুটি আহৰণ কৰিব পাৰি। এই খিনিতে শ্ৰীকৃষ্ণই অৰ্জ্জুনক কৈছে যে

যিহেতু শ্ৰীকৃষ্ণই পৰমব্ৰহ্ম গতিকে তেওঁয়েই একমাত্ৰ জ্ঞানী আৰু তেওঁৰ চৰণত আত্মসমৰ্পন কৰাটোৱেই হ'ল মানুহ হিচাবে অৰ্জ্জুনৰ কৰ্ত্তব্য। যুদ্ধ কৰি অধৰ্ম্মক পৰাজয় কৰাটো ভগৱানৰহে ইচ্ছা। অৰ্জ্জুন তেওঁৰ সহায়হে মাত্ৰ।

সংসাৰৰ আসক্তি ভয় ক্ৰোধ ইত্যাদি মায়া ত্যাগ কৰি মন ভগৱানত সপি দি জ্ঞানৰূপ তপস্যাৰ দ্বাৰা বহুতে মুক্তি পাইছে। তেৱেঁই সত্ত্ব, ৰজ তম গুণৰ সৃষ্টিকাৰী; তেৱেঁই কৰ্ম্ম অনুসাৰে ব্ৰাহ্মণ ক্ষত্ৰিয়, বৈশ্য আদি বৰ্ণ বিভেদকাৰী। কিন্তু অৱিনাশ ভগৱানৰ এই সৃষ্টিও 'মায়া' দ্বাৰাহে পৰিচালিত। ভগৱানৰ 'মায়াৰ' কথা বুজিয়েই জ্ঞানীলোকে আসক্তিহীন নিষ্কাম কৰ্ম্মৰ দ্বাৰা মুক্তি লাভ কৰে। কিন্তু জ্ঞানীয়েও প্ৰকৃততে নুবুজে যে কৰ্ম্ম কৰাৰ অৰ্থ কি বা নকৰাৰ অৰ্থ কি? ইয়াক 'জ্ঞান যোগৰ' দ্বাৰা বুজিব পাৰোতা জনেই 'কৰ্ম্ম সন্ন্যাস যোগ'ৰ তত্ত্ব বুজিব পাৰিব। অৱশ্যে জ্ঞানীলোকে এই কথাত নিচিন্ত যে কাম কৰা বা নকৰা কোনোটোৰে কৰ্ত্তা তেওঁ নহয়; ই মায়াৰ দ্বাৰাহে পৰিচালিত। তেওঁ জানে যে নিষ্কাম কৰ্ম্ম অকৰ্ম্মৰ সমান আৰু কোনো কাৰণ নোহোৱাকৈ শাস্ত্ৰোক্ত কৰ্ম্ম, নকৰিলেও 'কৰ্ম্ম বন্ধন' হয়। মুক্তি পথদৰ্শীলোকৰ প্ৰধান উদ্দেশ্য হ'ল নিষ্কাম কৰ্ম্মৰ দ্বাৰা জ্ঞান লাভ কৰা।

কোনো কোনো লোকে মুক্তিৰ নিমিত্তে কঠোৰ তপস্যা কৰে—, যজ্ঞ কৰি তাত প্ৰাণ পৰ্য্যন্ত আহুতি দিয়ে। বেদত বহু প্ৰকাৰ যজ্ঞৰ কথাও উল্লেখিত আছে। কিন্তু যজ্ঞৰ উৎপত্ত হ'ল কৰ্ম্মৰ পৰা; আত্মাৰ লগত ইয়াৰ সম্পৰ্ক নাই। গভীৰ তত্ত্ব বুজোতা জনেহে মুক্তি লাভ কৰে কিন্তু—

"শ্ৰেয়ান্ দ্ৰব্যময়াদ্ যজ্ঞাজ্ জ্ঞান যজ্ঞঃ
পৰন্তপ।
সৰ্ব্বং কৰ্ম্মখিলং পাৰ্থ জ্ঞান পৰি
সমাপ্যতে॥"

জ্ঞান যজ্ঞই হ'ল শ্ৰেষ্ঠ যজ্ঞ। সকলো কৰ্ম্মৰে শেষ দশা হ'ল জ্ঞান। গতিকে,

"তদ্ বিদ্ধি প্ৰণিপাতেন পৰি প্ৰশ্নেন
সেবয়া।
উপদেক্ষ্যন্তি তে জ্ঞানং জ্ঞানিনস্তত্ত্বদৰ্শিনঃ॥"

"হে অৰ্জ্জুন, সেই জ্ঞান পাবলৈ হলে গুৰুক প্ৰণাম কৰি তেওঁকে প্ৰশ্ন কৰা। তত্ত্বদৰ্শী যি সকলে গুৰুৰ উপদেশ আৰু শাস্ত্ৰ পাঠৰ দ্বাৰা তত্ত্বজ্ঞান লাভ কৰি নিজে সেই জ্ঞান সাক্ষাৎদৰ্শন বা অনুভৱ কৰিছে— তেওঁলোকেই তত্ত্বদৰ্শী) জ্ঞানী সকলে তোমাক তত্ত্ব জ্ঞান বুজাই দিব।" যাৰ জ্ঞান আছে তেওঁৰ জ্ঞানেই অন্যপাপক নাশ কৰি

পৱিত্ৰ কৰি তুলিব। অগ্নিয়েও কাষ্ঠৰূপ কৰ্ম্মক পুৰি ছাই কৰি পেলায়। ইয়াতে এটা কথা হ'ল ; যিদৰে অগ্নিপ্ৰজ্বলন কৰিবলৈ কাঠৰ দৰকাৰ সেই দৰে জ্ঞান উদ্ভৱ কৰিবলৈ কৰ্ম্ম দৰকাৰ আৰু অৱশেষত এই জ্ঞানেই কৰ্ম্মক নাশ কৰি মনটো পৱিত্ৰ কৰি তুলিব।

"নহি জ্ঞানেন সদৃশং পৱিত্ৰমিহ বিদ্যতে।
তৎ স্বয়ং যোগসংসিদ্ধঃ কালেনাত্মনি বিন্দতি।"

"জ্ঞানৰ সমান পৱিত্ৰ বস্তু আৰু এই জগতত নাই। কৰ্ম্মযোগ সিদ্ধি লাভ কৰিলে যোগীসকলে নিজেই এই জ্ঞান ( আত্মজ্ঞান ) নিজৰ মাজতে পায়।" সন্দিগ্ধ চিত্তই মানুহৰ আত্মাক বুজাত ভুল কৰে। জ্ঞান ৰূপ অস্ত্ৰই এই সন্দেহো কাটি পেলায়।

শ্ৰীকৃষ্ণই অৰ্জ্জুনক বুজালে যে, জ্ঞানে সকলো প্ৰকাৰ কৰ্ম্মৰ কুফল নাশ কৰে। জ্ঞানৰ সমান পৱিত্ৰ বস্তু আৰু নাই। কৰ্ম্মত্যাগেই শ্ৰেষ্ঠ। আকৌ কৰ্ম্ম নকৰিলে উপায় নাই। "কৰ্ম্মযোগ কৰাহে জ্ঞানীৰ লক্ষণ গতিকে তুমি যুদ্ধ কৰা।" অৰ্জ্জুন বিমোৰত পৰিল ; প্ৰকাশ কৰি কলে যে "তুমি একোবাৰ কৰ্ম্মত্যাগ কৰিবলৈ কৈ পুনৰ কৰ্ম্মযোগ কৰিবলৈ কৈছা। এই দুইটাৰ মাজত যিটো মোৰ বাবে মঙ্গলজনক সেইটোকে ঠিক কৰি কোৱা।"

তেতিয়া ভগৱানে ব্যাখ্যা কৰিলে কৰ্ম্ম সন্ন্যাস যোগৰ কথা। কৰ্ম্ম ত্যাগ আৰু নিষ্কাম কৰ্ম্মৰ দ্বাৰা 'কৰ্ম্মযোগ' পালন কৰা এই দুয়োটাই মুক্তিপথ দৰ্শী। কিন্তু দৰাচলতে নিষ্কাম কৰ্ম্ম কৰোতা জনেহে প্ৰকৃত জ্ঞানীৰ মাৰ্গত উঠিব পাৰে। সন্ন্যাসীৰ লক্ষণ হ'ল— কাৰো প্ৰতি বিদ্বেষ ভাব নথকা আৰু কাৰো প্ৰতি আসক্তিও নথকা। যিয়ে সুখ, দুখ এই দুয়োৰো বিপৰীতাৰ্থক ভাগ বুজিব পাৰিছে, তেৱেঁই নিত্য সন্ন্যাসী আৰু তেৱেঁই সহজতেই সংসাৰৰ বন্ধনৰ পৰা মুক্ত হয়। জ্ঞান যোগ আৰু কৰ্ম্মযোগ উভয়ৰে উদ্দেশ্য একে। ইহঁতৰ এটাৰ দ্বাৰা পৰিচালিত হলেও উভয়ৰে ফল লাভ কৰা যায়।

যি লোকে কৰ্ম্মযোগ আৰু জ্ঞান যোগক পৃথক্ পৃথক্ জ্ঞান কৰে, সি কৰ্ম্মযোগ বা জ্ঞানযোগ, এই দুটাৰ এটাও কি বস্তু হৃদয়ঙ্গম কৰিব নোৱাৰে। সিয়েই মূৰ্খ ব্যক্তি বুলি খ্যাত। কিন্তু যি সন্ন্যাসী, যি জ্ঞানী আৰু যি তত্ত্বদৰ্শী তেওঁ কৰ্ম্মযোগ আৰু জ্ঞানযোগৰ অৰ্থ যে একে তাক বুজিব পাৰে। ইহঁত দুয়োৰো উদ্দেশ্য নিষ্কাম কৰ্ম্মৰ দ্বাৰা আত্মশুদ্ধি কৰা। নিষ্কামৰ অৰ্থ হ'ল ইন্দ্ৰিয় জয়। বলপূৰ্ব্বক ইন্দ্ৰিয় সমূহক

জয় কৰিব পাৰোতা জন জীতেন্দ্ৰিয় । জীতেন্দ্ৰিয়সকলে বুজে যে, এই বিশ্বৰ সকলো আত্মাৰে এক পৰমাত্মাৰ লগত যোগসূত্ৰ আছে। ঈশ্বৰৰ অস্তিত্ব যদিও কেতিয়াবা স্বীকাৰ কৰা নাযায় তথাপিও পৰমাত্মাৰ অস্তিত্ব স্বীকাৰ কৰিবই লাগিব। এই পৰমাত্মা বা মহান শক্তিয়ে মানুহ প্ৰমূখ্যে সকলো জীৱকে মায়াৰ মাজত পেলাই দিয়ে । মায়াই সকলোকে পৰিচালিত কৰে । শ্ৰীকৃষ্ণইও মানুহ ৰূপে 'মায়া'ৰ দ্বাৰাই পৰিচালিত হৈ আছে । কিন্তু সন্ন্যাসী আৰু সাধাৰণ মানুহৰ মাজত পাৰ্থক্য এয়ে যে, সন্ন্যাসীয়ে বুজে— মানুহৰ সকলো ইন্দ্ৰিয়ই মায়াৰ দ্বাৰাহে পৰিচালিত হয় । আৰু উদ্দেশ্য হ'ল ভগৱান বা পৰমাত্মা। কাম, ক্ৰোধ, লোভ ইত্যাদি ৰিপু সমূহক পৰাজিত কৰি ইন্দ্ৰিয় সমূহক ইহঁতৰ দ্বাৰা পৰিচালিত হবলৈ নিদিলেই সি সন্ন্যাসীৰ মাৰ্গত উঠিবলৈ প্ৰয়াস পাব। কিন্তু সাধাৰণ মানুহে সকলো কামকে নিজে কৰা বুলি ভাবি নিজৰ সুখৰ কাৰণে চিন্তা কৰে । সিহঁতে ইন্দ্ৰিয় দমন কৰি 'মায়া'ৰ হাতত সমৰ্পন কৰিব নোখোজে বৰং ইন্দ্ৰিয় সমূহৰ কৰ্ত্তব্য নিজৰ মঙ্গলৰ কাৰণেহে বুলি ভাবে ।

জ্ঞানী ব্যক্তিৰ সম্মুখত বিশ্বখন এখন বিৰাট ৰঙ্গমঞ্চ আৰু সকলো জীৱই একো একো জন ভাৱৰীয়া । 'মায়া' ৰূপী অদৃশ্য ভগৱানে সকলো জীৱকে পৰিচালিত কৰে । ঈশ্বৰৰ ইচ্ছা পূৰণত মানুহৰ নিজস্ব একো ভূমিকা নাই ; নিজৰ প্ৰয়োজনাৰ্থে তেওঁ জীৱ বিলাকৰ কৰ্ম্মেন্দ্ৰিয় সমূহৰ দ্বাৰা কাম কৰাই যায়।

কৰ্ম্ম কৰি নিজে কৰা বুলি ভাবিলেই কৰ্ম্ম ফল নিজৰ গাত প্ৰতিফলিত হয় । কৰ্ম্মৰ ফলাফল যাৰ গাত প্ৰতিফলিত হব তেৱেঁই পাপী । সেয়ে ভগৱানত আত্ম সমৰ্পন কৰিলে কৰ্ম্মফলৰ ভাগী হব নালাগে ।

"ব্ৰহ্মণ্যাধায় কৰ্ম্মানি সঙ্গং ত্যা
কৰোতিযঃ।
লিপ্যতে নস পাপেন পদ্মপত্ৰমিবাম্ভমা॥

"পদুমৰ পাতত যি দৰে পানী লাগি নাথাকে ; সেইদৰে যি লোকে কৰ্ম্মৰ ফল ঈশ্বৰৰ ওপৰত সমৰ্পন কৰি, মনত কোনো আসক্তি নাৰাখি কৰ্ম্ম কৰে, তেওঁ পাপৰ মাজত নপৰে।"

ইপিনে "জ্ঞানেন তু তদজ্ঞানং
যেষাং নাশিতমাত্মানঃ ।
তেষামাদিত্যবজ্ জ্ঞানং প্ৰকাশয়তি
তৎপৰম্ ॥

"যি লোকৰ জ্ঞান উদয় হোৱাৰ হেতুকে অজ্ঞান নষ্ট হৈছে, তেওঁলোকৰ জ্ঞানেই সূৰ্য্যৰ দৰে প ম তত্ত্বক বা

ঈশ্বৰক দেখুৱাই দিয়ে ।” পোহৰে যি দৰে অন্ধকাৰ দূৰ কৰি নেদেখা বস্তুকো দেখুৱাই দিয়ে ; সেইদৰে তত্ত্বজ্ঞানে অজ্ঞানক নষ্ট কৰি প্ৰকৃত তত্ত্ব বুজাই দিয়ে।

এই বিলাক তত্ত্ব বুজোতা, আৰু পালন কৰোতা জনেই কৰ্ম্মযোগী, জ্ঞানযোগী বুলি খ্যাত আৰু তেওঁৰেই মুক্তি অৱশ্যম্ভাবী ।

“গীতা'ত কোৱা হৈছে যে যুদ্ধ কৰাটো অৰ্জ্জুনৰ কৰ্ত্তব্য নহয় যদিও ই ভগৱানৰ ইচ্ছা । ভগৱানৰ ইচ্ছাৰ বিৰুদ্ধে গলেই পাপ হয় । ভগৱানৰ বিৰাট ৰঙ্গমঞ্চত ‘ভূভাৰ হৰণ' নাটত অৰ্জ্জুন মাত্ৰ এজন ভাৱৰীয়া। ভাৱৰীয়াই নিজৰ সুফল কুফলৰ নিমিত্তে চিন্তা কৰাৰ দৰকাৰ নাই। নিজৰ কৰ্ত্তব্য বুজি লোৱাই তেওঁৰ মুখ্য কৰ্ম্ম । অৰ্জ্জুনক সহায় হিচাবে লোৱাৰ একমাত্ৰ উদ্দেশ্য হৈছে পৃথিবীত অধৰ্ম্মৰ পৰাজয়ৰ পটভূমি অঙ্কিত কৰা । অৰ্জ্জুনক এই কথা বুজাবলৈ যাওঁতেই কৰ্ম্মযোগ, জ্ঞানযোগকে ধৰি বিভিন্ন গভীৰ তত্ত্ব বিলাক ভগৱানে ব্যাখ্যা কৰিছে।

সৰ্ব্বশেষত ‘বেদান্ত-সাৰ'ৰ অন্তৰ্গত নিম্নলিখিত শ্লোক ফাঁকিৰে মোৰ এই সামান্য প্ৰবন্ধৰ মোখনি মাৰিম ।

“সুষুপ্তবজ্জাগ্ৰতি যো ন পশ্যতি
দ্বয়ঞ্চ পশ্যন্নপি চাদ্বয়ত্বতঃ ।
তথাপি কুৰ্ব্বন্নপি নিষ্ক্ৰিয়শ্চযঃ
স আত্মাবিন্নান্য ইতীহ নিশ্চয়ঃ ॥৮৫॥
বেদান্তসাৰঃ

“যি জনে জাগ্ৰত অৱস্থাতো সুষুপ্তৰ দৰে থাকে ; বেলেগ বেলেগ দৃশ্য সত্বেও যি জনৰ দৰ্শন অদ্বিতীয়, বাহ্য কৰ্ম্ম কৰিও যি জনৰ অন্তৰ নিষ্কাম, যি কেৱল পূৰ্ব্ব সংস্কাৰ জ্ঞান কৰি অভ্যস্তৰ দৰে কাম কৰে, অভিমান পূৰ্বক কামত লিপ্ত নহয় তেৱেঁই আত্মজ্ঞ বা জীৱন্মুক্ত ; তাৰ বাহিৰে অনালোক জীৱন্মুক্ত নহয় ।”

**কবিতাঃ**

অধ্যাপক ভবেন বৰুৱা

# বন্ধুৰ ৰিঙ

অচিন চৰাইৰ খোজৰ নিশব্দতাৰে
নীল নেবুলাৰ নীলাভ তোৰণ পাৰ হৈ
চিনাকী হম বুলি তোমাৰ লগত
আহিছিলো মই সোণালীপাম গাৱঁৰ
বাটত ।

ৰিঙ দি মাতিছিলো তোমাক ।

ছুহাতত ছুমুঠি গেৰুৱা মাটিৰ ধূলি লৈ
আহিছিলা তুমি
দূৰৰ পাহাৰলৈ আঙুলি দি কলা,
—ৰাতি হলে পাহাৰৰ হেনো বিজুলী চোকা
তৰোৱালে
পাহাৰৰ বগা শিল কাটে— ।

ইমান সচঁা তোমাৰ কথাই
বন্ধুৰ মৰম দি গ'ল মোক
তোমাৰ ছুহাত মোৰ কান্ধত তুলি
বন্ধুৰ মৰমৰে কলো,
—দিনৰ পাহাৰত বিজুলীৰ চোকা তৰোৱাল
কোমল ঘাহঁৰ পাত হৈ বতাহত ভাগে - ।

নাজানো তুমি কিয় ইয়াতেই পালা অকন
আমনি
আতৰি গলা
এটি ছুটি বহুখোজ কৰি ।
পিচ ললো তোমাৰ ।
দেখিলো, জুনৰ মৌন দুপৰত
ছুহাতত ৰঙা ৰঙা কৃষ্ণচূড়াৰ 'বুকে' লৈ
জুনৰ চোকা ৰ'দ
পখিলাৰ বগা পাখি
বিচাৰিছা ছুবৰি বননিৰ ওমলা ঘৰত ।

ৰিঙ দি মাতিছিলো তোমাক
নুশুনিলা তুমি ।

দেখিলো ইয়াতো তোমাৰ লাগিল আকৌ
আমনি
ৰঙা ৰঙা কৃষ্ণচূড়া হাতেৰে মোহাৰি
আতৰি গ'লা
এটি ছুটি বহুখোজ কৰি ।

পিচ ললো তোমাৰ ।

এইবাৰ আছা তুমি হেমন্তৰ আহঁতৰ
তলত
আহঁতৰ হালধীয়া পাতেৰে সাজিছা তুমি
কোন মৃত ৰজাৰ কিৰিটি ।

ৰিঙ্ দি মাতিছিলো তোমাক
নুশুনিলা তুমি।

দেখিলো ইয়াতো তোমাৰ লাগিল আকৌ আমনি

ছিঙি ভাঙি ৰজাৰ কিৰিটি
খোজ দিলা ধোৱাঁ উৰা গাওঁখনি বুলি।

* * *

এতিয়াতো আহিল সন্ধ্যা
ইয়াৰ পিচতেই আহিব আন্ধাৰ ৰাতি
দিনটোৰ ওমলা কথাৰে ৰাতিৰ সপোন সাজি
সপোনেৰে ৰাতিটোক পঠাবা খেদাই,
পুৱা হলে দুহাতত দুমুঠি গেৰুৱা মাটিৰ ধূলি লৈ
সোণালীপাম গাৱঁৰ বাটত আহিবা ওলাই।

মোকতো পাবা চিনি সোণালীপাম গাৱঁৰ বাটত
মোকতো পাবা চিনি কালিৰ মাতত।

এইবাৰ আহিলে তুমি
নলম আমি পাহাৰৰ খবৰ
মাথো সূৰ্য্যৰ মিঠা ৰ'দ পিঠিত বাকি
বহিম আমি সোণালীপাম গাৱঁৰ বাটত;
আৰু
দুয়ো মিলি কেৱল কাৰিম হিচাব
কিমান গাঁথি আছে আইতাৰ লাখুটি ডালত।

১৮

গ্ৰন্থবিহীন এটি ঘৰ খিৰিকীবিহীন এটা কোঠাৰ তুল্য। ক্ৰয় ক্ষমতা থকালেকে গ্ৰন্থত শৰণ নিদিয়াকৈ কোনো ব্যক্তিয়েই নিজৰ সতি সন্ততিক গঢ় দিব নোৱাৰে। আৰু দিলেও তেওঁৰ পৰিয়ালবৰ্গৰ প্ৰতি অনিষ্টহে সাধে। গ্ৰন্থৰাজিৰ লগত যোগা-যোগ ৰাখিহে লৰাছোৱালীয়ে অধ্যয়ন কৰিবলৈ শিকে। অধ্যয়নে জ্ঞানৰ পিপাসা বঢ়ায়।

এইচ, মেন।

# ॥ ভাৰতৰ অৰ্থনৈতিক স্বাধীনতাৰ বিপ্লৱত ৰাঁচী হেভী ইঞ্জিনীয়াৰিং কৰ্পোৰেচনৰ ভূমিকা ॥

**দিলীপ কুমাৰ চাংমাই**
২য় বাৰ্ষিক ( কলা )

কোনো এটা জাতিৰ ৰাজনৈতিক স্বাধীনতাই সেই জাতিৰ সকলো সমস্যা সমাধান কৰিব নোৱাৰে। যেতিয়ালৈকে এটা জাতিয়ে অৰ্থনৈতিক স্বাধীনতা লাভ নকৰে তেতিয়ালৈকে সেই জাতিৰ উন্নতি পথত বহুতো বাধা বিঘিনিয়ে হেঙাৰ স্বৰূপে থিয় দিয়ে। সেয়েহে পৃথিৱীৰ প্ৰত্যেকটো জাতিয়ে অৰ্থনৈতিক স্বাধীনতা লাভ কৰিবলৈ সংগ্ৰাম চলাই যাব ধৰিছে।

দুশবছৰীয়া পৰাধীনতাৰ শিকলি ছিঙি ১৯৪৭ চনৰ ১৫ আগষ্ট তাৰিখে ভাৰত স্বাধীন হ'ল। ভাৰতবাসীৰ অত-দিনৰ আশাৰ সপোনবোৰ বাস্তৱতাৰ পৰশ পালে। কিন্তু তেতিয়াও ভাৰত পৰৰ ওপৰত নিৰ্ভৰশীল। ৰাজনৈতিক স্বাধীনতা লাভ কৰিলে যদিও আত্মনিৰ্ভৰশীল হ'বলৈ আজিও বহুত বাকী। আত্মনিৰ্ভৰশীল নোহোৱালৈকে এটা জাতিক স্বাধীন জাতি বুলিব নোৱাৰি। ৰাজনৈতিক স্বাধীনতা প্ৰকৃত স্বাধীনতাৰ আধা অংশ মাথোন। আন অংশটো হ'ল অৰ্থনৈতিক স্বাধীনতা। এই স্বাধীনতা পাবৰ বাবে ভাৰতত এটা নতুন বিপ্লৱ আৰম্ভ হ'ল। লো, তীখা, চিমেণ্ট, সাৰ, ৰাসায়ণিক দ্ৰব্য, খনিজাত বস্তু আদিৰে হোৱা এই বিপ্লৱে ভাৰতক প্ৰতি-দান স্বৰূপে দিলে কাৰখানা, শিল্প উদ্যোগ, কাৰিকৰী প্ৰকল্প আদিৰ আধু-নিক মন্দিৰ, যি মন্দিৰ কোনো জাতিৰ স্বাৱলম্বন লাভৰ বাবে কৰা পূজাৰ থলি।

অৰ্থনৈতিক দিশত উন্নতি লাভ কৰিবলৈ তীখাৰ প্ৰয়োজনীয়তা নুই কৰিব নোৱাৰি। অথচ ভাৰতৰ তীখা

উৎপাদন পৃথিবীৰ ভিতৰত আটাইতকৈ কম আছিল ( 16 Kgs. per capita )। আনহাতেদি আমেৰিকা আৰু জাপানৰ উৎপাদন যথাক্ৰমে ৪৩৮ আৰু ৩২৮ কিলোগ্ৰাম। এই উৎপাদন বৃদ্ধি কৰিবৰ বাবে বেছি তীখা কাৰখানাৰ প্ৰয়োজন আৰু তীখা কাৰখানাৰ বাবে প্ৰযোজন হয় গধুৰ যন্ত্ৰ পাতিৰ। এই গধুৰ যন্ত্ৰ পাতি বিদেশৰ পৰা আমদানি কৰিবলৈ যথেষ্ট পৰিমানৰ বৈদেশিক মুদ্ৰাৰ প্ৰয়োজন অথচ অৰ্থনৈতিক দিশত ভাৰসাম্য বজাই ৰাখিবলৈ হলে ইমান বৈদেশিক মুদ্ৰা খৰচ কৰাটোও কঠিন হৈ পৰে।

এইবোৰ কাৰণলৈ লক্ষ্য ৰাখিয়েই বিহাৰ ৰাজ্যৰ ৰাঁচীত চৰকাৰী খণ্ডত হেভী ইঞ্জিনীয়াৰিং কৰ্পোৰেচন প্ৰকল্পটো প্ৰতিষ্ঠা কৰা হৈছে। যুগোশ্লোভাকিয়া আৰু ৰাচিয়াৰ সহযোগত গঢ়ি উঠা এই প্ৰকল্পটো ভাৰতৰ শিল্প আৰু অৰ্থনৈতিক বিপ্লৱৰ পাশুপাত অস্ত্ৰ। এই প্ৰকল্পই ভাৰতৰ এনেধৰনৰ গধুৰ যন্ত্ৰপাতিৰ উদ্যোগৰ মূল ভেটি। এই প্ৰকল্পই চিমেণ্ট, তীখা, সাৰ, ৰাসায়নিক দ্ৰব্য আদিৰ কাৰখানাৰ বাবে গধুৰ যন্ত্ৰপাতিৰ আৰু আন যাৱতীয় সৰঞ্জামৰ যোগান ধৰিছে। হেভীইঞ্জিনীয়াৰিং প্ৰকল্পক বাদ দি ভাৰতৰ অৰ্থনৈতিক আত্মনিৰ্ভৰশীলতাৰ কথা ভাবিবই নোৱাৰি।

ৰাঁচীৰ হেভী ইঞ্জিনীয়াৰিং কৰ্পোৰেচন এচিয়া মহাদেশৰ বৃহত্তম ইঞ্জিনীয়াৰিং প্ৰকল্প সমূহৰ এটা। তদুপৰি ই গুণৰ ফালৰ পৰা অদ্বিতীয়। তিনিটা বৃহৎ উদ্যোগ (১) সাঁচ ঢালাই উদ্যোগে (The Foundry Forge Plant) (২) গধুৰ যন্ত্ৰ সৰঞ্জাম উদ্যোগ (The Heavy Machine Building Plant) আৰু (৩) গধুৰ যন্ত্ৰ সৰঞ্জাম উদ্যোগ (The Heavy Machine Tools Plants) লগ লগাই এই প্ৰকল্পটো গঢ়ি তোলা হৈছে। ঢালাই কৰা, সাঁচত দিয়া, যন্ত্ৰপাতি নিৰ্ম্মান কৰা আৰু যন্ত্ৰপাতিৰ বাবে আৱশ্যকীয় সকলো সৰঞ্জাম নিৰ্ম্মান; এই সকলোবোৰ কাম এই একোটা প্ৰকল্পতে সমাধা কৰা হয়। প্ৰত্যেকটো উদ্যোগে আনটোৰ চাহিদা পূৰণ কৰিবলৈ সক্ষম হৈছে।

সাঁচ ঢালাই উদ্যোগ (The Foundry Forge Plant —

এই উদ্যোগটো যুগোশ্লোভিকিয়াৰ সহযোগত গঢ়ি উঠিছে। ই এচিয়াৰ সাঁচ ঢালাই উদ্যোগ সমূহৰ ভিতৰত বৃহত্তম। এই উদ্যোগটোৰ কালি ১,৩০,০০০ (একলাখ ত্ৰিশহাজাৰ) বৰ্গমিটাৰ। ইয়াৰ কাৰখানাটোৰ চাৰিওফালৰ দীঘ ২.৪ (দুই দশমিক চাৰি) কিলোমিটাৰ। এই উদ্যোগচক্ৰত ৪০,০০০ (চল্লিচ হাজাৰ)

টনতকৈ অধিক যন্ত্র-পাতি বহুৱা হৈছে। এই উদ্যোগে প্ৰকল্পটোৰ আন দুটা উদ্যোগলৈ সাচঁত দিয়া আৰু ঢালাই কৰা সামগ্ৰীৰ যোগান ধৰে। তদুপৰি ইয়াৰ উৎপাদিত বস্তুবোৰ দেশৰ আন গধুৰ উদ্যোগলৈ পঠোৱা হয়। এই উদ্যোগৰ বছেৰেকীয়া উৎপাদন ক্ষমতা এনে ধৰণৰ

1. Grey Iron Castings including In Got Moulds

.........34 445, Tonnes.

2. Steel Castings

...........40 182 ,,

3. Non-Ferrous Castings

............ .700 ,,

4. Forgings

.......... 46 473 ,,

5 Rools ( Grey Iron, Steels & Forged )

... ..... 21.310. ,,

এই উদ্যোগৰ বিভিন্ন শাখাৰ ভিতৰত গ্ৰে আয়ৰণ ফাউন্দ্ৰী, নন ফেৰাচ ফাউন্দ্ৰী, ষ্টীল ফাউন্দ্ৰী, ফৰ্জচপ আদি প্ৰধান। ফৰ্জচপত ক্ৰমান্বয়ে ১০০০ (এহেজাৰ) টন, ১৬৫০ (এক হেজাৰ ছয়শ পঞ্চাচ) টন আৰু ২৬৫০ (দুইহাজাৰ ছয়শ পঞ্চাচ) টন ওজনৰ তিনিটা হাইড্ৰলিক ফৰ্জিং প্ৰেচ বহুওৱা হৈছে। শেষৰটো প্ৰেচে ৩০ (ত্ৰিশ) টন ওজনৰ ঢালাই কৰা সামগ্ৰী উৎপাদন কৰে।

সাঁচ ঢালাই উদ্যোগটোত সাঁচত দিয়া আৰু ঢালাই কৰা ধাতুৰ অধ্বংসাত্মক পৰীক্ষা কৰিবলৈ যাৱতীয় সা-সজুলি আছে। উদ্যোগটোৰ উৎপাদিত বস্তুসমূহ শেষবাৰৰ বাবে পৰীক্ষা কৰি চাবলৈ এক্সৰে, গামাৰে, চুপাৰচনিক, ক্ৰেক ডিটেক্টৰচ, আদিৰে সজ্জিত পৰীক্ষাগাৰ আছে।

গধূৰ যন্ত্ৰ নিৰ্ম্মান উদ্যোগ The heavy machine building plant ) :—

ছোভিয়েট ৰাচিয়াৰ সহযোগত এই উদ্যোগ গঢ়ি তোলা হৈছে। ই এচিয়াৰ এনেধৰণৰ বৃহত্তম উদ্যোগসমূহৰ এটা। ইয়াৰ সৰ্ব্বমুঠ কালি হ'ল ৫,৭০,০০০ (পাচলাখ সত্তৰ হাজাৰ) বৰ্গমিটাৰ আৰু মূলউদ্যোগৰ কালি ২,০০,০০০ (দুইলাখ) বৰ্গমিটাৰ। এই উদ্যোগে লো আৰু তীখাৰ কাৰখানাসমূহৰ বাবে যন্ত্ৰপাতি আৰু সৰঞ্জামসমূহ উৎপাদিত কৰে।

এই উদ্যোগৰ পাঁচটা সাধাৰণ উৎপাদন বিভাগৰ ভিতৰত হেভীমেচিন বিভাগে ( Heavy machine department ) ১৫০ (এশ পঞ্চাচ) টন ওজনলৈকে গধূৰ যন্ত্ৰপাতি প্ৰস্তুত কৰে। তাৰ ভিতৰত চেপেটা আৰু শাণত দিয়া সৰঞ্জাম আদিয়ে প্ৰধান। ইয়াৰ বছেৰেকীয়া উৎপাদন ক্ষমতা ২৬০০০ (ছাব্বিশ হাজাৰ) টনতকৈ অধিক।

মিডিয়াম এণ্ড স্মল মেচিনাৰী বিভাগে (The medium and small machinery department) মজলীয়া আৰু সৰু আকাৰৰ যন্ত্ৰপাতি আৰু ৫০ (পঞ্চাচ) টন ওজনলৈকে গধূৰ সৰঞ্জাম প্ৰস্তুত কৰে। তদুপৰি আন উদ্যোগৰ বাবে প্ৰয়োজনীয় জোখৰ যান্ত্ৰিক সৰঞ্জাম উৎপাদন কৰে।

কক অভেন বাই প্ৰদাক্ট এণ্ড হেণ্ডলিং ইকুইপমেণ্ট ডিপার্টমেণ্ট (Coke oven byproduct and Handling equipment department) গোটেই উদ্যোগটোৰ ভিতৰত বৃহত্তম বিভাগ। ইয়াৰ বছেৰেকীয়া উৎপাদনৰ ক্ষমতা ৪৫,০০০ (পঞ্চলিশ হাজাৰ) টনতকৈ অধিক। এই বিভাগটো দুটা ভাগত বিভক্ত— ষ্ট্ৰাকচাৰেল চপ (Structural shop)। ষ্ট্ৰাকচাৰেল চপত ক্ৰেনৰ ধাম (Crame Ginder) তীখাৰ পিপা (Steel vessels) আদি উৎপন্ন কৰা হয়। মেচিন এচেম্‌ব্লী চপত যন্ত্ৰপাতি উৎপাদন কৰা হয় আৰু প্ৰয়োজন অনুসৰি জোৰা লগোৱা হয়।

গধুৰ যন্ত্ৰ নিৰ্ম্মান উদ্যোগটো ৮০,০০০ (আশী হাজাৰ) টন গধুৰ যন্ত্ৰ আৰু তাৰ সৰঞ্জামসমূহ উৎপাদন কৰা হৈছে। তাৰে ৬৫,০০০ (পয়ষষ্ঠি হেজাৰ) টন লো আৰু তীখা কাৰখানাৰ কামত লগোৱা হব। বাকীখিনিৰে চিমেণ্ট সাৰ, খনন আৰু তেল উলিওৱা আদি গধুৰ শিল্প সমূহৰ চাহিদা পূৰণ কৰা হব।

## গধুৰ যন্ত্ৰ সৰঞ্জাম উদ্যোগ (The Heavy Machine Tools Plant)—

এই উদ্যোগটো হেভী ইঞ্জিনীয়াৰিং কৰ্পোৰেচনৰ তৃতীয় উদ্যোগ। যুগোশ্লোভিকিয়াৰ সহযোগত এই উদ্যোগ নিৰ্ম্মান কৰা হৈছে। এই উদ্যোগৰ বছেৰেকীয়া উৎপাদন ক্ষমতা হল ১০,০০০ (দহ হাজাৰ) টন গধুৰ যন্ত্ৰৰ সৰঞ্জাম। দেশৰ মুঠ চাহিদাৰ শতকৰা দহভাগহে ই পুৰাবলৈ সক্ষম হৈছে। সম্প্ৰতি এই কাৰ্য্যক্ষমতা বিশ হাজাৰ টনলৈ সম্প্ৰসাৰিত কৰিবলৈ লোৱা হৈছে। ইয়াৰ উৎপাদিত যন্ত্ৰসমূহৰ সাধাৰণতে গড় ওজন হল ২৫ টনৰ পৰা ৩০ টন আৰু সৰ্ব্বোচ্চ ওজন হ'ল ১৮০ (এশ আশী) টন। এটা অংশৰ সৰ্ব্বোচ্চ ওজন হল ৫০ (পঞ্চাচ) টন। ই বছেৰেকত ২৭৮ (দুশ আঠসত্তৰ) টা যন্ত্ৰৰ সম্পূৰ্ণ সৰঞ্জাম নিৰ্ম্মান কৰিব পাৰে। এই উদ্যোগত সৰ্ব্বমুঠ খৰচ হৈছিল ২৩,০০০০০০০ (তেইশ কোটি) টকা।

এতিয়ালৈকে হেভী ইঞ্জিনীয়াৰিং কৰ্পোৰেচনে বহুতো গধুৰ যন্ত্ৰপাতি নিৰ্ম্মান কৰি ভাৰতৰ বিভিন্ন উদ্যোগলৈ

পঠাইছে। তাৰ ভিতৰত প্ৰতিৰক্ষা বিভাগ, বিপাশা পৰিকল্পনা, তেল আৰু প্ৰাকৃতিক গেচ বিভাগ, ৰেল বিভাগ আদিয়ে প্ৰধান। অদূৰ ভৱিষ্যতে গঢ়ি উঠিব লগা বিভিন্ন তীখা কাৰখানাকো ই যন্ত্ৰপাতি যোগান ধৰিব।

এতিয়া চোৱা যাওক হেভী ইঞ্জিনীয়াৰিং কৰ্পোৰেচনৰ পৰা ভাৰতৰ কি লাভ হৈছে। প্ৰথমতে ই বৈদেশিক মুদ্ৰা ৰাহি কৰিছে। দুৰ্গাপুৰ, ভিলাই, ৰুৰকেল্লা আৰু বোকাৰোত থকা তীখা কাৰখানা সমূহৰ বাহিৰেও দেশৰ আন আন ঠাইত, বেচৰকাৰী খণ্ডত গঢ়ি উঠা তীখাৰ কাৰখানা সমূহলৈ ই যাবতীয় সৰঞ্জাম আৰু যন্ত্ৰপাতি পঠাইছে। সেই উদ্যোগসমূহে ইয়াৰ সহায়েৰে আধুনিক যন্ত্ৰপাতিৰে সমৃদ্ধ হৈ বহুতো সামগ্ৰী উৎপাদন কৰি দেশৰ চাহিদা পূৰণ কৰিছে। হেভী ইঞ্জিনীয়াৰিং কৰ্পোৰেচনে যন্ত্ৰপাতি নিৰ্ম্মান কৰি বাহি কৰা বৈদেশিক মুদ্ৰাৰ পৰিমাণ হল ১০০ ০০,০০,০০০ (এশ কোটি) টকা।

তদুপৰি এই প্ৰকল্পই বৈদেশিক মুদ্ৰা অৰ্জ্জন কৰাতো দেশক সহায় কৰিছে। বিদেশৰ বজাৰত ইয়াৰ উৎপাদিত যন্ত্ৰপাতিয়ে বিশেষ সমাদৰ লাভ কৰিছে আৰু সেয়ে বিদেশৰ বজাৰত প্ৰতিদ্বন্দ্বিতা কৰিবলৈ সমৰ্থ হৈছে। অৱশ্যে ই এতিয়া খুব কম সৰঞ্জামহে ৰপ্তানি কৰিছে। অদূৰ ভবিষ্যতে ই যথেষ্ট পৰিমাণৰ যন্ত্ৰপাতি ৰপ্তানী কৰি এটা বুজন পৰিমাণৰ বৈদেশিক মুদ্ৰা অৰ্জ্জন কৰিব পাৰিব।

বৰ্ত্তমান ভাৰতৰ আটাইতকৈ ডাঙৰ সমস্যা হ'ল নিবনুৱা সমস্যা। এই সমস্যা সমাধান কৰাত হেভী ইঞ্জিনীয়াৰিং কৰ্পোৰেচনে এক উল্লেখযোগ্য ভূমিকা গ্ৰহণ কৰিছে। নিৰ্ম্মানকাৰ্য্য চলি থকা অৱস্থাত ই প্ৰায় আধা নিযুত মানুহৰ কৰ্ম্মসংস্থান দিছিল। বৰ্ত্তমান ইয়াত ২,০০০ (দুই হাজাৰ) জন ইঞ্জিনীয়াৰকে ধৰি ২০,০০০ (বিশ হাজাৰ জন কৰ্ম্মীয়ে কাম কৰি জীৱিকা উলিয়াইছে।

তদুপৰি হেভীইঞ্জিনীয়াৰিং কৰ্পোৰেচনে কাৰিকৰী শিক্ষাৰে শিক্ষিত কৰি তুলিবৰ বাবে নিবনুৱা যুৱকসকলক প্ৰশিক্ষণ দিয়াৰ ব্যৱস্থা কৰিছে। ইয়াত থকা প্ৰশিক্ষণ কেন্দ্ৰত বছৰি ১০০০ (একহাজাৰ) জন বাটৃ, ২০০০ (দুই-হেজাৰ জন কাৰিকৰী শিক্ষানবীশ (Technical Apprentic) আৰু ১৫০ (এশ পঞ্চাচ) জন অভিযন্তা (Engineer) ক প্ৰশিক্ষণ দিয়া হয়।

হেভী ইঞ্জিনীয়াৰিং কৰ্পোৰেচন প্ৰগতিৰ স্বাক্ষৰ। এতিয়ালৈকে ই বহুতো তীখা উদ্যোগ গঢ়ি তুলিছে। কিন্তু এয়া আৰম্ভনিহে। এই প্ৰকল্পটোৱে ছোট-

নাগপুৰ এলেকাত কেইবাটাও তীখা কাৰখানা আৰু উদ্যোগ গঢ়ি তুলিবলৈ লৈছে। তাত বহুতো ইঞ্জিনীয়াৰ আৰু অ'ন মানুহৰ কৰ্ম্মসংস্থান হব। হেভী ইঞ্জিনীয়াৰিং কৰ্পোৰেচনে জনসাধাৰণৰ বৰ্ত্তমান জীৱন নিৰ্ব্বাহৰ মানদণ্ড উন্নত কৰি তুলিব পাৰিব আৰু জনসাধাৰণক আত্মনিৰ্ভৰশীল হোৱাত সহায় কৰিব। এইদৰেই দেশৰ অৰ্থনৈতিক স্বাধীনতা পোৱাত ইন্ধন যোগাব। সেয়ে আমি এনে প্ৰকল্প গঢ়ি উঠাটো কামনা কৰো।

---

## কবিতা

# ॥ জীৱনৰ প্ৰতি ॥

**টঙ্কেশ্বৰ হাজৰিকা**
২য় বাৰ্ষিক, (কলা)

জীৱন !
নিৰাশাত যদিও
কঁপি উঠা,
সপোন নেদেখিবা
সাৰপাই মাথো দৌৰিবা
নিস্তব্ধতাৰ পিচে পিচে ;

তোমাৰ দুৱাৰ দলিত
পাখীলগা সময়বোৰে মাথো
কৰিব উপহাস।
আৰু তুমি—
তুমি অন্ধ হৈ ৰবা
পৃথিবীত।

* * *

# যাযাবৰ

যতীন্দ্ৰনাথ গগৈ

প্ৰাক্তন ছাত্ৰ

[ চমুপৰিচয়: শ্ৰীগগৈ আমাৰ কলেজৰ পৰা অসমীয়াত সন্মানেৰে স্নাতক হৈ বৰ্তমান ডিব্ৰুগড় বিশ্ববিদ্যালয়ত পঢ়ি আছে। স্কুলীয়া জীৱনৰে পৰা তেখেতে সাহিত্য চৰ্চা কৰি আহিছে। জ্যোতি দেৱী, গৰিমা গগৈ, আদি নামত প্ৰকাশ হোৱা কবিতা গল্পবিলাক তেখেতৰেই ৰচনা। আমাৰ কলেজত ৭০-৭১ চনৰ শ্ৰেষ্ঠ অভিনেতাৰ সন্মান অৰ্জ্জন কৰা বছৰতে এই গল্পটো বাৰ্ষিক গল্প প্ৰতিযোগিতাত প্ৰথম হৈছিল। সম্পাদক: ]

নিবিড় কোমল এই নিৰিবিলি সন্ধ্যাটোত এৰি অহা দিনৰ স্মৃতিৰ এলবাম মেলাৰ অন্তত দিগন্তই এইখন চহৰৰ পৰা পুনৰ বিদায় লোৱাকেই মনস্থ কৰিলে। অতীত জীৱনৰ স্মৃতিৰ উন্মাদনাত অধীৰ হৈ দিগন্ত কাকতিয়ে যাত্ৰা কৰাৰ কথা ভাবিলে আকো কৰবালৈ। নতুনকৈ।

আকস্মিক ভাবে দিগন্তই শান্তনাক লগ পাই যাব বুলি ভবা নাছিল। কিন্তু লগ পাই গ'ল। ইয়াৰ আগতে দিগন্তই এনে আকস্মিক ভাবে শান্তনাক লগ পাই যোৱাৰ বাবে কিবা ভাবিব লগা থাকিব পাৰে বুলি কোনোদিন চিন্তা কৰা নাছিল। কিন্তু একোকে নেভাবো বুলিও দিগন্তই ভাবিব লগা হ'ল বহুতো।

হঠাতে লগ পাই যোৱা শান্তনাই সেইটো মূহুৰ্ত্তত তাৰ স্মৃতিখিনিকে জোকাৰি যোৱা নাই—জোকাৰি গ'ল তাৰ অনুভূতিখিনিকো; যিটো দিগন্তই কামনা কৰা নাছিল একালৰ শান্তনা বৰুৱা আজিৰ শান্তনা দুৱৰাক লগ পাই যোৱাৰ আগলৈকে। বহুতো কথা, এটা উৰঁলি যাব ধৰা অধ্যায় আজি সুঁৱৰিব লগা হ'ল সি শিক্ষাজীৱনৰ স্নাতকোত্তৰ ডিগ্ৰীটো লোৱাৰ পিচৰে পৰা দিগন্ত কাকতি নামৰ এতিয়াৰ এই সৰু চহৰখনৰ নতুন কলেজৰ ইংৰাজীৰ অধ্যাপকজনে অস্থায়ী ভাবে অনেক ঠাইলৈ গৈছিল। দিগন্ত কাকতি এনে এজন মানুহ—যিজনে যেতিয়াই যি ইচ্ছা হয়, নাইবা কোনোবা বন্ধুৰ মুখত এখন নতুন ঠাইৰ

প্ৰসংসা শুনিবলৈ পায় তেতিয়াই সেই ঠাইলৈকে যাত্ৰা কৰে। এনেকৈয়ে জীৱনৰ পোন্ধৰটা বছৰ জন্মভূমি অসম আৰু বাহিৰৰ বিভিন্ন ঠাই ঘূৰি ঘূৰি পুনৰ উজনি অসমৰ এই নতুন চহৰ খনত আহি ওলাইছিলহি দিগন্ত।

অৱশ্যে এইটো ঠিক যে বিভিন্ন ঠাইৰ সাংবাদিক জীৱনৰ অভিজ্ঞতাবোৰ লিপিবদ্ধ কৰিবলৈ দিগন্তই পাহৰা নাছিল। ৰং, তুলিকা আৰু কলমৰ মাধ্যমেৰে যাত্ৰাপথৰ অভিজ্ঞতাবোৰ ৰাখি গৈছিল। দিগন্ত অন্য কথাত শিল্পী আৰু লিখকো। এনেকৈয়ে এদিন আহি ওলাইছিলহি ইয়াত—উজনি অসমৰ হঠাৎ প্ৰখ্যাত হৈ পৰা ফুলিয়াজানত। এটা মিঠা নাম। নতুন কলেজখনৰ ইংৰাজীৰ অধ্যাপক হৈ এবছৰ মানৰ আগতে দিগন্ত ইয়ালৈ আহিছিল। ভাল লাগি গ'ল দিগন্তৰ এই নতুন চহৰখন। ভাবিলে কেইটামান বছৰ ইয়াত কটাই যাব। কিন্তু দুটা বছৰো পূৰ্ণ নৌ-হওঁতেই পুনৰ মনস্থ কৰিলে এইখন চহৰো এৰি ক'ৰবালৈ গুছি যোৱাৰ কথা।

কিন্তু এইটো সত্য যে দিগন্তই শান্তনাক অপ্ৰত্যাশিত ভাবে লগ পাই নোযোৱা হলে এনেক গুছি যোৱাৰ কথা ভাবিবৰ কোনো কাৰণ নাছিল। প্ৰয়োজন নাছিল যদিও প্ৰয়োজন হ'ল ভবাৰ, চিন্তা কৰাৰ। অৱশ্যে এৰি অহা দিনৰ কথা-বোৰ শান্তনা তুৰবাক লগ পোৱাৰ বাবেই ভাবিব লগা হ'ল এনে নহয়। ভৱিষ্যত শূণ্য জীৱনটোত ঘটনাবহুল অতীতৰ কথাই প্ৰায়ে ভূমুকি মাৰি নাযায় বুলি কলে দিগন্তই নিজকে ফাঁকি দিয়া হ'ব। বিশেষকৈ এইখন চহৰত শান্তনাক লগ পাই যোৱাৰ পিচত নিৰিবিলি শান্ত পৰিবেশ এটাৰ মাজত এৰি অহা অতীত-টোৰ কথাকে গভীৰ ভাবে আকৌ এবাৰ সুৱঁৰিবলৈ বাধ্য হ'ল।

সন্ধ্যাৰ গৈৰিক দৃশ্যৰাজি চাই চাই পোৱা নোপোৱা, পাই হেৰুওৱা অতীত-টোৰ বিষয়ে নাভাবো বুলিও বহুত কথা ভাবিলে দিগন্তই। সেই বহুত কথাৰ মাজত যিখন মুখৰ ছবিয়ে তাৰ সমস্ত স্মৃতি জোকাৰি যায়, এৰি অহা অনেক সোৱঁৰণিত যিখন মুখ প্ৰথমেই দিগন্তৰ সমুখলৈ আহে সেইখন মুখ কিন্তু শান্তনাৰ নহয়; সেইখন মুখ বনানীৰ। বহুদিনৰ আগতে লগ পোৱা ধুনীয়া এজনী ঋজুদেহৰ গাভৰুৰ। বহুত আগতে একোছা খেলি মেলি চুলিৰে দৌৰি ফুৰা অকণমান এজনী ছোৱালীৰ। সেইজনী বনানীক দিগন্তই পাহৰা নাই। নোৱাৰে পাহৰিব।

বনানী!

– বহুত সৰু বয়সৰ পৰাই সি লগ পাইছিল এই বনানীক। বনানীতকৈ

সি আছিল পাঁচ বছৰৰ ডাঙৰ। তাৰ খেলাৰ সঙ্গী আছিল তাই। এই সৰুৰে পৰা লগ পোৱা বনানীজনীক এদিন এটা সময়ত হঠাৎ তাৰ অচিনাকি অচিনাকি লাগি গ'ল। যিটো ৰূপত সি তাইক চিনি পালে সেই ৰূপ সি কোনো দিন দেখা নাছিল। এখন দূৰ চহৰৰ মিশ্যনেৰি স্কুলৰ হোষ্টেলত থাকি পঢ়িছিল দিগন্ত। কেতিয়াবা কেতিয়াবা ঘৰলৈ আহি বনানীক লগ পালেও তেনে এক অচিনাকি ৰূপত কেতিয়াও দেখা নাছিল। তেতিয়া মানে দিগন্তই ৰং আৰু তুলিকাৰে অনুভূতি আদিৰ ওপৰত পৰীক্ষা চলাবলৈ আৰম্ভ কৰিছিল প্ৰায়। ছৱি অঁকাৰ প্ৰতি স্কুলীয়া জীৱনৰ পৰাই থকা বাপটো বয়সৰ লগে লগে বাঢ়ি গৈছিল দিগন্তৰ। আৰু এদিন অনুভূতিৰ ওপৰত কৰা পৰীক্ষাৰ মাজতেই তাৰ ৰং তুলিকাত বনানীৰ বিভিন্ন ৰূপ জীপ লৈ উঠিছিল, বনানীৰ অজ্ঞাতে অলক্ষিতে। তেতিয়া তাইৰ বয়স হৈছিল। ফ'গুনে ৰং আৰু সুৰভি সিঁচিছিল তাইৰ দেহত, মনত। পৃথিবীৰ সকলোবোৰ লাজ তাইৰ দেহৰ কোহে কোহে বিয়পি পৰিছিল। সময়ে কঢ়িয়াই অনা সেই সৰু সৰু ছবিবোৰ আজিও দিগন্তই মনৰ মাজত সাঁচি থৈছে। সৰু সৰু লগা মনোৰমা বনানীজনী পিচ'ল তাক দেখিলে শান্ত হৈ যোৱা, কিবা সুধিলে লাজতে ৰঙা পৰি যোৱা, কেতিয়াবা চকুহুটা বহলকৈ মেলি কেতিয়াবা মুখৰ ভিতৰতে কিবা এটা কৈ তাৰ কাষৰ পৰা দৌৰি আতঁৰি যোৱা বনানীজনীয়ে তাৰ মনৰ এটা ডাঙৰ অংশ অধিকাৰ কৰি ল'লে। বনানীৰ কবিতা কবিতা লগা সৰু চকু হুটাৰ ঈষৎ গভীৰ নীলাখিনিৰ সন্ধানত সি বাউল হৈ পৰিল। সেইবোৰ বয়সে শিকাই যোৱা স্মৃতি পাহৰো বুলিও পাহৰিব পৰা নাই দিগন্তই।

তাৰ চকুৰ আগতে ডাঙৰ হৈ দেহত অনেক ফুলৰ সুৰভি সানি যৌৱনক আদৰি কলেজৰ মজিয়াত ভৰি দিয়া বনানী নামৰ ছোৱালীজনী কিন্তু এদিন নাইকীয়া হৈ গ'ল। বহুতো বুজিও একো নুবুজা হৈ ৰ'ল দিগন্ত।

দিগন্তৰ দেউতাক অৰবিন্দ কাকতি আৰু বনানীৰ দেউতাক বিজয় সাহা বহুত দিনৰে বন্ধু। সেই সূত্ৰেই বনানী-হঁতৰ লগত তাৰ এৰাব নোৱাৰা সম্বন্ধ। সাহা পৰিয়ালে ভাল পাইছিল দিগন্ত-হঁতক ঠিক দিগন্তহঁতৰ মাক দেউতাকে তেওঁলোকক ভাল পোৱাৰ দৰেই। সাহা পৰিয়ালৰ প্ৰথমা সন্তান বনানীৰ আৰু এটা দিশ দিগন্তৰ ভাল লাগিছিল। সেয়া বনানীৰ গান। বনানীৰ কণ্ঠই হাজাৰ হাজাৰ শ্ৰোতাক আমোদ দিব পাৰিছিল। সেই বনানীয়ে কিন্তু তাৰ

আগত কোনো দিনে গান নাগাইছিল। নিজৰ কোঠাত নতুন গানৰ আখৰা কৰি থাকোতে সি অহাৰ গম পালে জিভা কামুৰি বৈ গৈছিল। কেতিয়াবা তাৰ সমুখলৈ যাব লগা হলেও প্ৰয়োজনীয় কথাখিনিৰ বাদে একো নকৈছিল। অৱশ্যে অন্য একো কথা দিগন্তই বনানীৰ লগত আলোচনা নকৰিছিল; যদিও তাৰ ইচ্ছা হৈছিল বনানীৰ সৈতে বহুত কথা পাতিবলৈ। সেই সময়ত সি কথাকে বিচাৰি নাপাইছিল। এইবোৰ মিঠা স্মৃতি দিগন্তই পাহৰো বুলিও পাহৰিব নোৱাৰে। কিন্তু বনানী এদিন আকস্মিক ভাবেই সিহঁতৰ মাজৰ পৰা হেৰাই গৈছিল। এদিন বনানীৰ মাকে তাক দেখি বৰ বেছিকৈ কান্দিছিল। বনানীৰ মাকৰ কান্দোনৰ অৰ্থ সি বুজিছিল। বনানীৰ মাকক বুজাবলৈ গৈ সি নিজৰ মনকে সংযত কৰি ৰাখিব পৰা নাছিল।

দিগন্তই যদি অদৃষ্টক বিশ্বাস কৰিবলৈ শিকিছিল, একমাত্ৰ বনানীৰ বাবে। বনানীৰ বাবে মৃত্যু তেনেকৈয়ে ঠিক হৈ আছিল। বৰ আকস্মিক আৰু কৰুণ ভাবে হেৰাই গৈছিল তাই। বনানী হেৰাই গৈছিল ট্ৰেইন দুৰ্ঘটনাত। কলিকতাৰ পৰা মোমায়েকৰ ডাঙৰ লৰা বিবেকৰ লগত আহোতে হোৱা দুৰ্ঘটনাত দুয়োজন বৰ কৰুণ ভাবে হেৰাই গৈছিল। ক্ষত-বিক্ষত শৰীৰটোৰ বাদে বনানীৰ একো নাথাকিল। পৃথিৱীৰ পৰা এযুৰি অনিন্দ্য সুন্দৰ স্বপ্নময়ী চকু, এখন মৰমী মুখ চিৰদিনলৈ আতঁৰি গৈছিল। মাথোন বৈ গৈছিল এখিনি সকৰুণ স্মৃতি। দিগন্তৰ বাবে।

দিনবোৰ হেৰাই গৈছিল। কিন্তু স্মৃতিবোৰ? তাইৰ পাচত বহুতকে লগ পোৱা স্বত্বেও তাইৰ স্মৃতি হেৰাই যোৱা নাছিল। কলেজ আৰু বিশ্ববিদ্যালয়ৰ জীৱনত নিবেদিতা, ইন্দু, মনিকা বহুতকে লগ পাইছিল সি। কিন্তু সিহঁতৰ কাকো দিগন্তই বন্ধুত্বৰ বাদে অন্য প্ৰকাৰে মন সমৰ্পন কৰিব নোৱাৰিলে। তাৰ ওচৰ চাপি অহা, তাক আপোন কৰি পাব বিচৰা তাক নিজৰ কৰি পালে বহুত ক্ষেত্ৰত সুখী হম বুলি ভবা ইন্দু, মনিকা বা নিবেদিতাক সি কোনো দিন একো নকলে। এদিন তাৰ চকুৰ আগতেই শিৰত সেন্দুৰ বোলাই সিহঁত বোৱাৰী জীৱনলৈ সোমাই গ'ল। বাকী থাকিল মাথো— তাক সকলোখিনি দি ভাল পাবলৈ বিচৰা শান্তনা। শান্তনাই তাৰ বাবে অপেক্ষা কৰি থকাৰ প্ৰত্যয় দিলে। সেয়া আছিল দিগন্তৰ এম, এৰ ফাইনেল দিয়া বছৰৰ কথা।

শান্তনাৰ কাষৰ পৰাত দিগন্ত এদিন গুচি আহিবলৈ বাধ্য হ'ল। কিন্তু

আতঁৰি অহাৰ পিচত মন আৰু জীৱন নিঃসঙ্গতাই আৱঁৰি ধৰাৰ অনুভৱ পলমকৈ হলেও সি কৰিছিল। শান্ত, স্নিগ্ধ কিবা এক জ্যোতি যেন দিগন্তৰ পৰা খু-উ-ব লাহে লাহে আতঁৰি গ'ল।

শান্তনা বৰুৱা। বহুতৰ লগতে তাৰ জীৱনলৈ অহা এই ছোৱালীজনীয়ে তাৰ অজানিতে, তাৰ বিশৃংখল জীৱনলৈ, বিক্ষিপ্ত মনলৈ কিবা এক প্ৰশান্তি আনিছিল। কিন্তু সেই শান্তনাক আতঁৰাই অৱশেষত দিগন্ত নিজৰ কৰ্ত্তব্য পথত অগ্ৰসৰ হ'ল। তাইৰ লগে লগে আতঁৰি গ'ল সি দেখা পোৱা অচিনাকি জ্যোতিখিনি। তাৰ কাষৰ পৰা সকলোখিনি আতঁৰি পৰাটোকে দিগন্তই কামনা কৰিছিল। সেয়ে সি আক্ষেপ বা অনুতাপ নকৰিলে। বৰঞ্চ সি শান্তিৰে উশাহ লবলৈ অৱকাশহে পাইছিল। সেই সময়ত এনে কিছুমান বহিঃ সংঘাটে তাক আৱঁৰি ধৰিছিল যে একপ্ৰকাৰ শান্তনাৰ চিন্তা উলঙ্ঘা কৰিবলৈ সি বাধ্য হৈ পৰিছিল। দেউতাকৰ মৃত্যুত সিহঁতৰ সৰু সংসাৰখনলৈ বহুতো বিপৰ্য্যয় নামি আহিছিল। বিবাহযাগ্যাভনীয়েকৰ বিয়াৰ চিন্তা, মাক আৰু ভায়েকৰ চিন্তা, দেউতাকৰ ব্যৱসায় আদিৰ চিন্তাই তাক শান্তনাৰ কাষৰ পৰা আতঁৰাই অনাত যথেষ্ট সহায় কৰিছিল।

দিগন্তই কেতিয়াবা ভাবে ইন্দু, মনিকা বা নিবেদিতাক সি নিজৰ কৰি লব পাৰিলেহেঁন। শান্তনাকো। কিন্তু বাস্তৱ পৃথিবীৰ সমাজ, জীৱন আদিৰ সৈতে নিজক ৰিজাই চোৱাৰ পাচত সি এটা বেলেগ সোঁতত এৰি দিলে জীৱনটো। সি যিটো জীৱন আদৰি লোৱাৰ কথা ভাবিছিল তাৰ সেই জীৱনত নিৰাপত্তা নথকাটো সি বৰ -বেছিকৈ অনুভৱ কৰিলে। তাৰ সেই জীৱনৰ সৈতে যেন কোনোৱেই সহযাত্ৰী হব নোৱাৰিব। সিহঁতৰ মাজত সি সেই সাহস বিচাৰি নেপালে। অৰ্থৰ অভাৱ তাৰ নাছিল। দেউতাকৰ সম্পত্তি সিহঁত তিনিটাৰ বাবে যথেষ্ট। ভনীয়েক আৰাধনাক এঘৰলৈ বিয়া দিয়াৰ পাচত সিহঁত দুই ভাই-ককাইৰ বাবে বাগানখনেই যথেষ্ট। ভায়েক সীমান্তই ডাক্তৰী পাছ কৰি অহাৰ পিচত সেইবোৰ আৰু সহজ হব। তেনেতে আহিল দিগন্তৰ জীৱনৰ চৰম ট্ৰেজিক প্ৰশ্নটো! দিগন্তই সেইবোৰৰ মাজত সোমাই থাকিব পাৰিবনে? তেনে এটা গতানুগতিক জীৱনত সি হয়তো দৈহিক শান্তি পাব, কিন্তু মনৰ শান্তি পাবনে নেপায় তাৰ নিজৰ ওপৰতে সন্দেহ জন্মিল। সি যিটো জীৱন, জীৱন ৰূপে পাবলৈ বিচাৰিছে সেইটো জীৱনৰ সৈতে অন্য এক এসুৰীয়া জীৱন ধাৰাক সি আকোঁৱালি লোৱাৰ স্বপ্ন যে কোনো-

দিন দেখা নাই।

দিগন্তৰ তেনে এটা নিজা দৰ্শন থকা জীৱনৰ সৈতে শান্তনাহঁতক সি জড়িত কৰিব পাৰিলেহেঁতেন। কিন্তু সন্ধৰে পৰা দুখ-দাৰিদ্ৰৰ সৈতে পৰিচয় নথকা সিহঁতৰ জীৱনত তাৰ সংগ্ৰামী যাযাবৰী জীৱনটোক আকোঁৱালি লোৱাৰ সাহস এদিন যেতিয়া শেষ হৈ যাব তেতিয়া সি কি কৰিব ? দিগন্তই বিচাৰে সংগ্ৰামী এই সাংবাদিক জীৱনটোকে। এই জীৱনটো বুজি পোৱাৰ পৰাই সি আদৰ্শ কৰি লৈছে। এনে এটা জীৱনক বুজাৰ বাস্তৱ সাহস কেইজনী ছোৱালীৰ আছে দিগন্তই জানে, জানিছিল প্ৰকৃতাৰ্থত।

এই সকলোবিলাক বাদ দি দিগন্তই কেতিয়াবা জীৱন যাত্ৰাত বনানীৰ অভাৱ উপলব্ধি কৰিছিল। এয়াযে তাৰ দুৰ্ব্বলতা, মূৰ্খামী সি বুজিছিল। তথাপি সি নিজক ফাঁকি দিব পৰা নাছিল। সেই কাৰণেই সি লগ পোৱা যি কোনো ছোৱালীকেই মনৰ মাজতে প্ৰথমতে বনানীৰ সৈতে ৰিজনি কৰি পেলাইছিল। সেই কাৰণেই ইন্দুহঁতৰ ঠাইত সি বনানীকেই আশা কৰিছিল। কিন্তু বনানী হৈ কোনো নাহিল তাৰ জীৱনলৈ।

অৱশেষত একক যাত্ৰী হৈ পৰিল দিগন্ত। সকলো আতঁৰি যোৱাৰ পিচত সি ভাবিলে নিজক গঢ় দিয়াৰ এয়াই সময়। অকল ভবাই নহয়, সি এক-প্ৰকাৰ প্ৰতিস্থা কৰি পেলালে নিজকে। সুদীৰ্ঘ পোন্ধৰটা বছৰৰ পাচত সি পুনৰ জন্মভূমিলৈ গুছি আহিল। কিন্তু আকৌ সি যাযাবৰী জীৱন যাত্ৰাত খোজ দিবলৈ বাধ্য হ'ল। তাৰ কাৰণ শান্তনা। আজিৰ শান্তনা দুৱৰাক আকস্মিক ভাবে লগ নোপোৱা হলে এনেকৈ সুৰ সলনি কৰাৰ কোনো অৰ্থ নাছিল। কেইদিন-মানৰ আগতে চহৰৰ কোম্পানী বজাৰৰ এদাঁতিত ৰৈ থকা 'ফিয়েট' কাৰ এখনৰ আগৰ আসনত শান্তনাক এটি তিনি বছৰীয়া শিশুৰ সৈতে দেখি সি অলপ আচৰিত হৈ গৈছিল যদিও আচৰিত হোৱাৰ কোনো বিশেষ কাৰণ নাছিল। শান্তনাও চকুৰে চকুৰে পৰি অবাক নোহোৱাকৈ নাছিল। শান্তনাই কলে তেওঁৰ স্বামী দুৱৰা এই চহৰলৈ বদলি হৈ অহাৰ কথা। নিজৰ কথাও দিগন্তই চমুকৈ কলে। সহজ ভাবেই শান্তনাৰ লগত কথা পাতিলে, তিনিবছৰীয়া সন্তান শান্তনুক মৰম কৰিলে। অৱশেষত মিঃ দুৱৰাক লগ নোপোৱাকৈয়ে সি গুচি আহিল।

একোকে নাভাবো বুলিও শান্তনাক লগ পোৱাৰে পৰা সি বহুত কথাই ভাবিলে। এই ঠাইখনত থকাৰ ইচ্ছা দিগন্তৰ নাইকিয়া হৈ গ'ল। শান্তনাক লগ

নোপোৱাহলেই ভাল আছিল নেকি দিগন্তই ভাবিলে। প্ৰথম বাৰৰ বাবে যেন সি বৰ বেয়াকৈ নিঃসঙ্গ অনুভৱ কৰিলে। এইখন চহৰৰ পৰা গুচি যোৱাৰ কথা ভাবিবলৈ যাওঁতে দিগন্তৰ মনৰ পৰ্দ্দাত যি দুখন মুখৰ ছবি ভাহি উঠিল বাৰে বাৰে সেয়া শান্তনা আৰু বনানীৰ। বনানীক হেৰুৱাই শান্তনাক লগ পোৱাত যি স্নিগ্ধ জ্যোতিৰ চিকমিকনিয়ে তাক আমনি কৰিছিল সেয়া আজি হঠাৎ উজ্জ্বল হৈ ধৰা দিলে। সেই চিকমিকনিৰ এক অসম্ভৱ সাদৃশ্য আছিল বনানীৰ সৈতে। সি কৰ নোৱাৰাকৈয়ে শান্তনাই বনানীৰ অভিব্যক্তি লৈ জিলিকি আছিল। তাৰেই ভুল হ'ল বুজাত। কিন্তু এতিয়া হেৰাই যোৱা বনানীক শান্তনাৰ মাজত নিবিড়ভাৱে বিচাৰি যাবলৈ শান্তনা এতিয়া বহু দূৰত। দিগন্তই ভাবিলে। বাহিৰত তেতিয়া যথেষ্ট আন্ধাৰ হৈছিল।

---

## কবিতা

# ॥ সহাঁৰি ॥

**মহানন্দ গগৈ**
১ম বাৰ্ষিক, (কলা)

সেইদিনা শৰতৰ শেৱালী তলত বহি
অকলে আপোনমনে নিৰৱ নিশাত,
চাইছিলো একেথৰে শূইণত চক্ষু ৰাখি
সন্ধিয়াৰ শুকতৰা দূৰ নীলিমাত।

তেতিয়াতো কোনোদিনে নেভাবিলো এটিবাৰো
নুবুজিলো তুমি মোৰ নিচেই কাষতে,
অপৰূপ ৰূপ লৈ বুকুৰ সুৰভি সানি
গাথিছিলো মালাধাৰি গোপনে গোপনে।

বতাহত কঁপি থকা আচলৰ আগ চাই
কোনোদিনে ৰচা মই নাছিলো কবিতা,

আবেগত উঠানমা ভৰপূৰ হুবুকুত
হোৱাতো নাছিল মোৰ প্ৰাণ মতলীয়া।

দেখাতো নাছিলো মই ভাষাভৰা নয়নত
সংগোপনে লিখিছিলো কিহৰ বাতৰি,
অপ্ৰকাশ বেদনাত নাজানিলো কেনেদৰে
সৰি যায় আধা ফুলা স্মৃতিৰ পাপৰি।

নকলাতো কাহানিও কিশোৰীৰ চপলতা
সংগোপনে মোৰ বাবে দিছিলা বিলাই,
চৌখেলা চুলিটাৰি চেনেহৰ চুমা যাচি
উৰিছিল বতাহত মোকেই ধিয়াই।

মোৰ মাত শুনি যদি বুকুৰ কঁপনি উঠি
উঠিছিল হুগালত লাজৰ ৰহন,
চাওঁনে নেচাওঁ কৰি হঠাতেই ধৰা পৰি
নেদেখিলো জাগিছিল যদি শিহঁৰণ।

আধা আলো আধা ছাঁয়া পাহাৰৰ ইটো পাৰে
দ্বীতিয়াৰ ম্লান জোন ধীৰে মাৰ গ'ল,
বেদনাৰ ক'লাছাঁয়া বিদায়ৰ শেষৰেখা
আকাশৰ ইটো পাৰে মাথো পৰি ৰ'ল।

তেতিয়াতো নজনালা নকলাতো এটিবাৰো
মাতিছিল সুৰে কাক তোমাৰ গানৰ,
জনাহলে আজি বাৰু ইদৰে চকুলো মচি
লিখিলোহেতেঁন জানো কবিতা প্ৰাণৰ ?

সেইদিনা আহিছিলা ষোড়শীৰ বেশ লৈ
চকু মোৰ অসীমৰ দূৰ দিগন্তত,
সসীমত বিচাৰিলো যেতিয়া তোমাক আজি
মিলি গলা কিয় তুমি অসীম বুকুত ?

# আন্তৰ্জ্জাতিক শ্ৰমিক সন্থা আৰু ভাৰত

নাৰায়ণ ঘাটোৱাৰ বি, এ
প্ৰাক্তন ছাত্ৰ

[ শ্ৰীঘাটোৱাৰ শ্ৰমিক সম্প্ৰদায়ৰ অন্যতম প্ৰধান বুদ্ধিজীৱী। তেখেতে আমাৰ কলেজৰ পৰাই স্নাতক হৈ বৰ্ত্তমান হুগ্ৰীজানত শ্ৰমিক সন্থাৰ সহকাৰী সম্পাদক হিচাবে কাম কৰি আছে। বনুৱা সম্প্ৰদায়ৰ বিভিন্ন দিশৰ তেখেতে বহুতো প্ৰবন্ধ ইতিমধ্যে লিখিছে। আন্তৰ্জাতিক শ্ৰমিক সন্থা আৰু ভাৰতৰ ওপৰত লিখা এই প্ৰবন্ধটো কানৈ কলেজ আলোচনীত প্ৰকাশ কৰিবলৈ পাই মই সুখী হৈছো। সম্পাদক ]

১৯১৮ চন। প্ৰথম মহাসমৰৰ ওৰ পৰাৰ লগে লগে ভাৰ্চাইত শান্তি চুক্তি স্বাক্ষৰিত হ'ল। উক্ত শান্তি চুক্তিত স্বাক্ষৰকাৰী ৰাষ্ট্ৰ নায়কসকলে বিশ্বৰ ৰাষ্ট্ৰ-সমূহৰ বাবে এটি মিলিত সংগঠন গঢ়ি তোলাৰ জল্পনা-কল্পনা কৰিবলৈ ধৰিলে যাতে ভৱিষ্যতে বিশ্ব-শান্তিত অবিহণা যোগাব পৰা যায়। পৰিকল্পনা অনুসৰি কামো হ'ল জাতিপুঞ্জ ( League of Nations ) গঠনৰ দ্বাৰা। ঠিক তেনে সময়তে আন্তৰ্জ্জাতিক পৰ্য্যায়ত শ্ৰমিক শ্ৰেণীৰ অৱস্থাৰ তদন্ত কৰিবলৈ এটি পোন্ধৰ জনীয়া সদস্যেৰে গঠিত আয়োগক ভাৰ দিয়া হ'ল। এই আয়োগেই ১৯১৮ চনৰ ২৮ জুন তাৰিখে আন্তৰ্জ্জাতিক শ্ৰমিক সন্থা গঠনৰ ঘোষণা কৰিলে। ৯ দফীয়া কাৰ্য্য-পন্থাও হাতত ললে। উক্ত ৯ দফীয়া কাৰ্য্য-পন্থা থোৰতে তলত দিয়া হ'ল।

(১) শ্ৰমিকক উৎপাদন ব্যৱস্থাৰ সামগ্ৰী হিচাবে গণ্য কৰা নহব।
(২) মালিক আৰু শ্ৰমিক আইনৰ মাজত থাকি সংগঠিত হোৱাৰ অধিকাৰ থাকিব।
(৩) দেশ, কাল আৰু স্থানভেদে জীৱন ধাৰণৰ প্ৰয়োজনীয় মজুৰি দিয়াৰ ব্যৱস্থা প্ৰৱৰ্ত্তন।
(৪) সপ্তাহত এদিন ছুটিৰ ব্যৱস্থা প্ৰৱৰ্ত্তন কৰা। সাপ্তাহিক ছুটি দেওবাৰে হলে ভাল।
(৫) কম বয়সীয়া লৰা-ছোৱালীৰ নিয়োগ ব্যৱস্থা ৰহিত কৰা। নিয়োগ

ব্যৱস্থাত যাতে পঢ়া-শুনা আৰু দৈহিক গঠনৰ অন্তৰায় নহয় তালৈ লক্ষ্য ৰখা।

(৬) দিনে আঠ ঘণ্টা আৰু সপ্তাহত ৪৮ ঘণ্টা খাটনিৰ সময় নিৰ্দ্ধাৰণ কৰা।

(৭) নিয়োজিত শ্ৰমিকৰ ক্ষেত্ৰত প্ৰযোজ্য আইন কানুন কাৰ্য্যকৰী হৈছে নে নাই তালৈ লক্ষ্য ৰখা।

(৮) একেখন দেশৰ সকলো শ্ৰমিককে সমান সা-সুবিধা প্ৰবৰ্ত্তন কৰা আৰু বৈষম্য দূৰ কৰা।

(৯) একে ধৰণৰ কামৰ বাবে একে ধৰণৰ মজুৰিৰ প্ৰবৰ্ত্তন কৰা।

এই আন্তৰ্জ্জাতিক শ্ৰমিক সন্থাটো ত্ৰিদলীয় ভিত্তিত প্ৰতিষ্ঠিত। চৰকাৰ, মালিক আৰু শ্ৰমিক— এই তিনিওটা দলৰ প্ৰতিনিধি লৈ আন্তৰ্জ্জাতিক শ্ৰমিক সন্থা গঠিত হ'ল। ইয়াৰ মুখ্য কাৰ্য্যালয় স্থাপন কৰা হ'ল চুইজাৰলেণ্ডৰ জেনেভা চহৰত। প্ৰত্যেক বছৰে এই সন্থাৰ মুকলি সন্মিলন বহে। প্ৰতিনিধিসকলৰ ভিতৰত চৰকাৰৰ তৰফৰ পৰা দুজন, মালিক আৰু শ্ৰমিকৰ এজনকৈ থাকে। প্ৰত্যেক দেশৰ প্ৰতিনিধিৰ সৈতে এজন বা ততোধিক উপদেষ্টাও যাব পাৰে। মুকলি সন্মিলনে কাৰ্য্য নিৰ্ব্বাহক সমিতি গঠন কৰে। এই কাৰ্য্য নিৰ্ব্বাহক বছেৰেকত সাধাৰণতে তিনিবাৰ বহে। বৰ্ত্তমান চৰকাৰৰ ২৪ জন, মালিকৰ ১২ জন আৰু শ্ৰমিকৰ ১২ জন সভ্যৰে গঠিত এই সমিতিয়ে সন্থাৰ কাৰ্য্যাৱলী আলোচনা আৰু পৰিচালনা কৰে। আন্তৰ্জ্জাতিক শ্ৰমিক সন্থাই গ্ৰহণ কৰা সিদ্ধান্ত সমূহ দুই ভাগত ভগাব পাৰি। যেনে – নীতিমূলক ব্যৱস্থা (Convention) আৰু পৰামৰ্শাৱলী (Recommendations)।

মুছলনীয়ে আবিছিনীয়া আক্ৰমণ কৰাৰ লগে লগে জাতিপুঞ্জৰ ভেটি থৰক বৰক হ'ল। মুঠতে দ্বিতীয় মহা-সমৰে জাতিপুঞ্জক সমাধিস্থ কৰিলে। কিন্তু সৌভাগ্যৰ বিষয় যে জাতিপুঞ্জৰ মৃত্যুৰ লগতে আন্তৰ্জ্জাতিক শ্ৰমিক সন্থাৰ মৃত্যু নঘটিল। কাৰণ সন্মিলিত জাতি সংঘৰ (United Nations Organisation) জন্মৰ পিচত উক্ত আন্তৰ্জ্জাতিক শ্ৰমিক সন্থাটো জাতি সংঘৰ বিশেষ অনুষ্ঠান (Specialised Agency) হিচাপে পৰিগণিত হ'ল। আনকি আগৰ দৰে ইয়াৰ কাৰ্য্যালয়ো জেনেভাতে থাকিল।

ওপৰত উল্লেখ কৰা হৈছে যে আন্তৰ্জ্জাতিক শ্ৰমিক সন্থাই ইয়াৰ বছেৰেকীয়া অধিবেশনত নীতিমূলক ব্যৱস্থা আৰু পৰামৰ্শাৱলী গ্ৰহণ কৰে। ১৯১৯ চনৰ পৰা আজিলৈকে ই ১২৮ টা

নীতিমূলক ব্যৱস্থা আৰু ১৩১ টা পৰামৰ্শাৱলী গ্ৰহণ কৰিছে। এইবিলাকৰ একত্ৰিত ৰূপেই হৈছে আন্তৰ্জ্জাতিক শ্ৰমিক সংহিতা ( International Labour Standards )। উল্লেখযোগ্য যে প্ৰত্যেক নীতিমূলক ব্যৱস্থা শ্ৰমিক প্ৰশাসন, সমাজ কল্যাণ বা মানবীয় অধিকাৰ পৰিচালনা কৰা একোখনি দলিল স্বৰূপ। তাৰোপৰি উন্নত কাৰিকৰী আৰু বৃত্তিমূলক প্ৰশিক্ষণৰ বাবে আন্তৰ্জ্জাতিক শ্ৰমিক সন্থাই ইটালীৰ টুৰিণত আন্তৰ্জ্জাতিক কাৰিকৰী আৰু বৃত্তিমূলক প্ৰশিক্ষণ কেন্দ্ৰ প্ৰতিষ্ঠা কৰিছে ১৯৬৫ চনত। আনকি আন্তৰ্জ্জাতিক শ্ৰমিক অধ্যয়নৰ বাবে জেনেভা চহৰত এটি অনুষ্ঠান প্ৰতিষ্ঠা কৰা হৈছে ১৯৬০ চনত। ই গবেষণামূলক প্ৰতিষ্ঠান।

যি বছৰত আন্তৰ্জ্জাতিক শ্ৰমিক সন্থা গঠিত হয় সেই বছৰৰ পৰাই ভাৰত ইয়াৰ অন্যতম প্ৰতিষ্ঠাতা সভ্য। ১৯২১ চনৰ পৰা ভাৰত ইয়াৰ কাৰ্য্য নিৰ্ব্বাহকৰো স্থায়ী সভ্য হোৱাৰ অধিকাৰী হবলৈ পোৱাটো আমাৰ গৌৰৱৰ বিষয়। তাৰোপৰি ভাৰতীয় শ্ৰমিকৰ বাবে আন্তৰ্জ্জাতিক শ্ৰমিক সন্থাই কি অবিহণা যোগাইছে তাৰো এটি আলোচনা কৰা এই প্ৰবন্ধৰ অন্যতম উদ্দেশ্য। ওপৰত উল্লেখ কৰা হৈছে যে আন্তৰ্জ্জাতিক শ্ৰমিক সন্থাৰ আৰম্ভণীৰ দিন ধৰি ভাৰত ইয়াৰ সভ্য। অৱশ্যে সেই সময়ত ভাৰত পৰাধীন আছিল। তথাপিও ইংৰাজ চৰকাৰে আন্তৰ্জ্জাতিক পৰ্য্যায়ত নিজৰ প্ৰভাৱ আৰু প্ৰতিপত্তি বৃদ্ধিৰ প্ৰচেষ্টা চলোৱাৰ ফলস্বৰূপেই ভাৰতে এই সন্থাৰ সভ্য পদ লাভ কৰিবলৈ সক্ষম হৈছিল।

দুখৰ বিষয় যে ১৯১৮-১৯ চনত ভাৰতত কোনো সৰ্ব্বভাৰতীয় শ্ৰমিক অনুষ্ঠান নাছিল। তথাপিও ইংৰাজ চৰকাৰে মনোনীত কৰি ভাৰতীয় শ্ৰমিক প্ৰতিনিধি আন্তৰ্জ্জাতিক শ্ৰমিক সন্থালৈ পঠিয়াইছিল। ফলত তেতিয়াৰ ইংৰাজ চৰকাৰ আন্তৰ্জ্জাতিক ক্ষেত্ৰত সমালোচনাৰ সন্মুখীন হৈছিল। বিশেষকৈ আন্তৰ্জ্জাতিক শ্ৰমিক সন্থাই এই বিষয়ত আগ ভাগ লৈছিল। উপায়ন্তৰ হৈ তেতিয়াৰ ভাৰত চৰকাৰে জাতীয় কংগ্ৰেছক সৰ্ব্বভাৰতীয় পৰ্য্যায়ত এটি শ্ৰমিক অনুষ্ঠান গঢ়ি তুলিবলৈ অনুৰোধ জনায়। উক্ত অনুৰোধ ৰক্ষাৰ্থে ১৯২০ চনত বোম্বাইত ট্ৰেড ইউনিয়ন কৰ্ম্মীসকলৰ এখন সভা বহে। সেই সভাতেই সৰ্ব্বভাৰতীয় পৰ্য্যায়ত এটি শ্ৰমিক অনুষ্ঠান গঠন কৰাৰ সিদ্ধান্ত লৈ ভাৰতীয় ট্ৰেড ইউনিয়ন কংগ্ৰেছ ( All India Trade Union Congress ) নামেৰে অনুষ্ঠানটিৰ জন্ম দিয়ে।

তেতিয়া জাতীয় কংগ্রেছৰ সভাপতি আছিল স্বনামধন্য লালা লজপৎ ৰায়। তেওঁকেই উক্ত অনুষ্ঠানটিৰো সভাপতি নিৰ্ব্বাচিত কৰা হয়। এ-আই-টি-ইউ-চিৰ সভাপতি হিচাবে তেওঁৱেই পোন প্ৰথম বাৰৰ বাবে ভাৰতীয় শ্ৰমিকৰ প্ৰতিনিধিত্ব কৰে আন্তৰ্জ্জাতিক শ্ৰমিক সন্থাত ১৯২০ চনত। আনকি এতিয়াও সৰ্ব্বভাৰতীয় ভিত্তিত সংখ্যা গৰিষ্ঠতা থকা শ্ৰমিক অনুষ্ঠানে এই সন্থাত যোগদান কৰাৰ অধিকাৰ পাই আছে।

১৯৬২ চনৰ আগলৈকে ভাৰতত ট্ৰেড্ ইউনিয়ন গঠন আইনৰ দ্বাৰা স্বীকৃতি হোৱা নাছিল। তেতিয়া ধৰ্ম্মঘট, শ্ৰমিক অশান্তি আদি হ'লে মালিকে পোনেই আইনৰ আশ্ৰয় লয়। উল্লেখযোগ্য যে ১৯১৮ চনত মাদ্ৰাজৰ বাকিংহাম আৰু কৰ্ণাটিক মিলৰ শ্ৰমিকসকলে বি পি ওৱাডিয়াৰ নেতৃত্বত ধৰ্ম্মঘট কৰে। তেতিয়া মিল মালিকে আইনৰ আশ্ৰয় লৈ মাদ্ৰাজ উচ্চ ন্যায়ালয়ৰ দ্বাৰা ওৱাডিয়াৰ ওপৰত নিষেধাজ্ঞা জাৰি কৰাবলৈও কুণ্ঠাবোধ নকৰিলে। ট্ৰেড্ ইউনিয়ন গঠন আইনৰ দ্বাৰা স্বীকৃত নহলে এনে হোৱাটো স্বাভাৱিক। সেই সময়ত কেন্দ্ৰীয় পৰিষদৰ সদস্য আছিল এন এম-যোশী। যোশীয়ে ১৯২০ চনত এখন বিল উত্থাপন কৰে; কিন্তু পৰিষদে ইয়াক অগ্ৰাহ্য কৰে। তথাপিও যোশী নিৰাশ নহৈ ১৯২০ চনৰ পৰা ১৯২৫ চনলৈকে প্ৰতি বছৰে বিলখন উত্থাপন কৰে। এইদৰে ট্ৰেড্ ইউনিয়ন গঠন আইন স্বীকৃতি নোপোৱাত তেতিয়াৰ ইংৰাজ চৰকাৰ আন্তৰ্জ্জাতিক পৰ্য্যায়ত সমালোচনাৰ সন্মুখীন হ'ল। শেষত যোশীয়ে প্ৰস্তুত কৰা বিলখনকে চৰকাৰী আইন হিচাবে পৰিষদত গ্ৰহণ কৰা হ'ল ১৯২৬ চনত। ইয়েই ভাৰতীয় ট্ৰেড্ ইউনিয়ন আইন ( Indian Trade Union Act, 1926 ) স্বৰূপে পৰিগণিত হ'ল।

আন্তৰ্জ্জাতিক শ্ৰমিক সন্থাই ভাৰতীয় শ্ৰমিকৰ কল্যাণাৰ্থে যথেষ্ট অৰিহণা যোগাইছে। কাৰণ ওপৰত উল্লেখ কৰা হৈছেই যে ভাৰতত প্ৰথম সৰ্ব্বভাৰতীয় শ্ৰমিক অনুষ্ঠান গঠনৰ মূলতে আন্তৰ্জ্জাতিক শ্ৰমিক সন্থা। ভাৰত স্বাধীন হোৱাৰ কেইমাহ মানৰ আগতে যেতিয়া এ-আই টি-ইউ চি কমিউনিষ্টৰ প্ৰভাৱাধীন হয় তেতিয়া কিছু সংখ্যক ট্ৰেড্ ইউনিয়ন নেতাই ১৯৪৭ চনৰ ৩ আৰু ৪ মে' তাৰিখে নতুন দিল্লীত এখন প্ৰতিনিধিমূলক সভা পাতি গান্ধীবাদী আদৰ্শেৰে সৰ্ব্বভাৰতীয় ভিত্তিত ভাৰতীয় ৰাষ্ট্ৰীয় মজদুৰ কংগ্ৰেছ ( Indian National Trade Union Congress) প্ৰতিষ্ঠা কৰে। পিচত ইয়েই সংখ্যা গৰিষ্ঠতা লাভ কৰি আন্তৰ্জ্জাতিক শ্ৰমিক সন্থাত প্ৰতিনিধিত্ব কৰাৰ সুযোগ ফেৰা এতিয়ালৈকে পাই আছে। মুঠতে ১৯৪৮ চনৰ পৰাই ইয়াত প্ৰতিনিধিত্ব কৰাৰ সুবিধা ভাৰতীয় ৰাষ্ট্ৰীয় মজদুৰ কংগ্ৰেছে পাইছে।

---

কবিতা

# হে আকাশ

অপৰাজিতা চুতীয়া
প্ৰাক্ বিশ্ববিদ্যালয়, বিজ্ঞান

পূৰ্ণিমাৰ ৰাতিয়ে আজি মোক মাতে
ৰিং দি, মহাশূণ্যৰ মাজে,
জোনৰ জেউতি আজি
মোৰ বাবে অতি স্বচ্ছ ;
কিন্তু ৰাতিৰ ৰহস্য যে অসীম—
ৰাতিৰ ক'লা বুকুৰ যি ৰূপ,
তাৰ যে তুলনা নাই ।
সদ্যস্নাতা কোনো গাভৰুৰ চকুৰ দৰেই
তাৰ গভীৰতা,
মাতৃৰ বুকুৰ দৰে তাৰ স্নিগ্ধতা,
কোনো অজান দেশৰ দৰে তাৰ টান ।

হে আকাশ, হে চিৰন্তন, হে অসীম !
মোক তোমাৰ মাজত মিলিব দিয়া,
মোৰ ধূলিময় জীৱন আজি পৱিত্ৰ হওক ।
দুখৰ সীমা পাৰ কৰি
তোমাৰ নীৰৱতালৈ মোক লৈ যোৱা ।
জীৱনতৰী যেতিয়া গধূৰ হৈ পৰে,
যেতিয়া দেখোঁ ক'তো মোৰ মুক্তি নাই,
যেতিয়া ভাবোঁ— মই বৰ অকলশৰীয়া
বন্ধুহীন— তেতিয়া হে আকাশ !

তুমি মোৰ সঙ্গী হোৱা ।
এই ধৰিত্ৰীক তুমি
তোমাৰ স্নিগ্ধ ৰূপেৰে
আচ্ছাদিত কৰি ৰাখা,
মোৰ তপ্ত জীৱন আজি তুমি
— শান্ত কৰা ।

# যন্ত্ৰণা

চজিনা চৌধুৰী
১ম বাৰ্ষিক, বিজ্ঞান

মানুহবিলাকে বজোৱা হাতচাপৰিৰ শব্দবোৰ মোৰ বুকুৰ নিৰ্দ্দিষ্ট ঠাইডোখৰত বিন্ধি যোৱা যেন লাগিল। "উহ্ কিযে অসহ্য! ভগৱান জানো সচাঁয়ে ইমান নিষ্ঠুৰ হব পাৰে?..........."

এয়া আছিল সভাখনত সভাপতিৰ ভাষণ মানে মোৰ ভাষণ। সভাৰ উদ্দেশ্য আছিল, অসমৰ বিভিন্ন ঠাইৰ বান-প্ৰপীড়িত ঠাইসমূহলৈ খাদ্যৰ যোগান, সহায় ইত্যাদি ইত্যাদি। ইমানদিনে মন্ত্ৰীসকলৰ কাণ্ডকাৰখানা দেখিয়ে আছোঁ। আগে পিছেও কোৱা অভ্যাস থকাত কবলৈ একো অসুবিধা নহ'ল।

সভা শেষ হোৱাত ভাৱিলোঁ—ঘৰলৈ যামনে, কৰবাত ফুৰিবলৈ! মিতালি, দেবজিৎ আৰু অৰুনিমা— ন্যাই নাই ঘৰলৈ এতিয়াই যোৱাৰ কথা ভাবিব নোৱাৰি। ব্ৰহ্মপুত্ৰৰ পানী বাঢ়ি বিপদ-সীমা পাৰ হৈছে। তাকে চাবলৈ ড্ৰাইভাৰক গাড়ী ব্ৰহ্মপুত্ৰৰ পাৰলৈ নৈ যাবলৈ কলো।

আজি পূৰ্ণিমা, জোনটো বৰ ধুনীয়াকৈ ওলাইছে। ধুনীয়া জোনটোত মানুহৰ ভৰি দিবলৈ অকনো সংকোচ নেলাগিল! এনে ধুনীয়াকৈ জোন উঠা দেখিলে মোৰ বহুকথাই মনত পৰি যায়। মাহঁতে কৈছিল মোৰ জন্ম হেনো এনেকুৱা পূৰ্ণিমা নিশাতে হৈছিল। মা-দেউতাৰ একমাত্ৰ লৰা মই। বাইতুজনীক মই এম,এ পঢ়ি থকা বছৰতে বিয়া দিয়া হৈছিল। মাহতঁৰ একমাত্ৰ আশাৰ স্থল মই। মই এজন বিখ্যাত কৱি হব লাগিব। ৱৰ্ডচ্ৱৰ্থ, কীট্ছৰ কবিতা পঢ়ি দেউতাই সপোন দেখিছিল তেওঁৰ একমাত্ৰ পুতেক এজন বিখ্যাত কবি হোৱাৰ; যিজনে কবিতাৰ মাজেদি ফুটাই তুলিব পাৰিব, মানুহৰ দুখ, শোক, যন্ত্ৰণা। কিন্তু পাৰিলো জানো দেউতাৰ আশাক বাস্তৱ ৰূপ দিব? উহ্ আকউ সেই যন্ত্ৰণা!! কিযে দাৰুণ!

বিখ্যাত কবি মই হব নোৱাৰিলোঁ। কাৰণটো যে নিলিখোঁ। এনে নহয়। কিন্তু

নিজৰ এই যন্ত্ৰণা বুকুত বান্ধি মই মানৱজাতিৰ যন্ত্ৰণা মোৰ কবিতাৰ মাজেদি প্ৰকাশ কৰিব নোৱাৰোঁ। আজিকালি মোৰ এই কষ্টৰ বাবেই মই কবিতা লিখিবলৈও পাহৰি গৈছোঁ। এম,এ পাচ কৰি কেইবছৰমানৰ অসাধ্য চেষ্টাত ডক্টৰেটটো ললো। তাৰ পিচতেই মা ঢুকাল। ভালেই হ'ল। মই ভাবো দেউতাও ঢুকোৱা হলে ভালেই আছিল। একমাত্ৰ পুতেকৰ যন্ত্ৰণা দেখিও বহুতো আশা লৈ দেউতা এতিয়াও জীয়াই আছে। জানে, কোনো উপায় নাই, কষ্ট মই পামেই। তথাপি আশা নকৰাকৈ জানো জীয়াই থকা সম্ভৱ। ময়ো জানো একে আশাকে বুকুত বান্ধি জীয়াই থকা নাই?

মাৰ মৃত্যুৰ পাচত দেউতা আৰু বাইদেউহঁতৰ কথামতেই মোৰ বিয়া হ'ল এজনী সহজ, সৰল, মৰমীয়াল ছোৱালীৰ লগত। অকনিমা! ডাঙৰ ডাঙৰ চকু দুটাৰে বেচ ধুনীয়া ছোৱালীজনী। 'পতিহী পৰম গুৰু' কথাষাৰ সুযোগত কৰি তেওঁ আজিও মোৰ যন্ত্ৰণা চাই মোৰ লগতে আছে। মই কৈছিলো, "মোৰ যন্ত্ৰণা চাই ইমান দুখত ইয়াত থাকিব নালাগে। তোমাৰ কাৰণে এতিয়াও আৰু অনেকে বাট চাই আছে।" কিন্তু তেতিয়া বহুত পলম হৈ গৈছিল। কাৰণ তেতিয়া আমাৰ মাজলৈ আহিছিল মিতু আৰু জিৎ।

মিতালি তিনিবছৰীয়া, ধুনীয়া মৰম লগা ছোৱালীজনী। অকনিমাই মাতে মিতু বুলি। এই অকনমান ছোৱালীজনীয়ে নাজানে এই অদ্ভুদ পৃথিৱীৰ দুখ-যন্ত্ৰণা, নাজানে তাইৰ মাক দেউতাক আৰু ককাকৰ দুখৰ কথা। তাই হাঁহিৰ বাহিৰে একোকে নাজানে। তাইৰ মানত পৃথিৱীখন খুব ধুনীয়া।

মিতুৰ জন্মৰ পিচতেই মোৰ চাকৰিৰ উন্নতি হৈছিল। বিশ্ববিদ্যালয়ৰ বুৰঞ্জী বিভাগৰ মই মুৰব্বী হৈছিলোঁ। দেউতা আৰু অকনিমাৰ আনন্দই মোকো আনন্দ দিছিল। ভাবিছিলো এইবাৰ অকনিয়া মিতু আৰু দেউতাক লৈ বহুত ঠাই ফুৰি আহিম। অনবৰতে কিতাপ পঢ়ি থাকো বুলি কৰা অকনিমাৰ অভিযোগটো এইবাৰ হয়়তো নাইকিয়া হব।

আৰু এবছৰৰ পাচত আহিল জিৎ। কোন দেৱতাৰ অভিশাপ লৈ আহিল বাৰু সি? জিতে ইমানবোৰ অভিশাপ কঢ়িয়াই আনিব বুলি জনাহলে তাক মই কেতিয়াবাই শেষ কৰি পেলালোহেঁতেন। তেতিয়া জিতৰ বয়স ছমাহ। ইমান ধুনীয়া মৰম লগা লৰাটোৱেনো ঘৰখনলৈ অভিশাপ কঢ়িয়াই আনিব পাৰে নে? তাৰ গাততো একো দোষ নাই।

সিটো কৰই নোৱাৰে ঘৰখনলৈ, দেউতাকলৈ সি ইমান অভিশাপ-কঢ়িয়াই আনিছে। দোষ তাৰ গাত নাই। এয়া মোৰেই ভাগ্যৰ দোষ। দুৰ্ভাগ্য।

সিদিনাও আছিল পূৰ্ণিমা। অৰুনিমা, জিৎ আৰু মই এই ঠাইতে বহি মিতু আৰু জিতৰ ভৱিষ্যতৰ কথা পাতিছিলোঁ। তাৰ পাচত মানৱ জাতিৰ সংকট, দুখ, যন্ত্ৰণাৰ বিষয়ে। হঠাতে আৰম্ভ হৈছিল মোৰ বুকুৰ সেই বিষটো। কি ভয়ানক যন্ত্ৰণা! অৰুনিমাই অসম্ভৱ ভয় খাইছিল। বৰ কষ্টেৰে গাড়ীত উঠি ঘৰলৈ আহিছিলোঁ। হস্পিতেলত পৰি আছিলো বহুত দিন। এৰেখন বিচনাতে একেটা কোঠাতে। ডাক্তৰে কৈছিল 'ভয় নাই ভাল হৈ যাব সোনকালেই!' বন্ধু, সহকৰ্ম্মী আৰু ছাত্ৰছাত্ৰী সকল আহিছিল দেখা কৰিবলৈ। অৰুনিমা, মিতু, জিৎ আৰু দেউতা সদায়ে আহিছিল। বহুতো আহিছিল। বহুতো আহিছিল, আৰু ঘূৰি গৈছিল আৰোগ্য কামনা কৰি। তাৰ পাচত এদিন মই হস্পিতেলৰ পৰা ওলাই আহিছিলোঁ। ডাক্তৰে কৈছিল অসুখটো ভালদৰে ধৰিব পৰা নাই। বেলেগ ঠাইত দেখুৱাব লাগিব। বিষটো অৱশ্যে তেতিয়া বহুত কমিছিল। অৰুনিমাই, বেচেৰিয়ে ভাবিছিল ভাল হৈ গ'ল; মই সুস্থ হৈ পৰিলোঁ। কিন্তু... !

কলিকতাৰ এজন ডাঙৰ ডাক্তৰৰ ওচৰলৈ গলো। তেওঁৰ উপদেশমতে কেইদিনমানৰ পাচত মই গৈছিলোঁ বম্বেলৈ। অৰুনিমা আৰু দেউতাৰ পৰা চিঠি পাইছিলো। উত্তৰ দিছিলোঁ। চাৰিমাহ চিকিৎসাৰ পাচত, মোৰ মনৰ মোৰ দেহৰ যন্ত্ৰণা কোনেও নজনাকৈ আকউ উভটি আহিছিলো।

তাৰ পিছতেই আৰম্ভ হৈছিল মোৰ দেহৰ ভিতৰত থকা সেই বিষাক্ত পোকটোৰ কামোৰণি। প্ৰাত্যহিক সি মোক তিল তিল কৈ শেষ কৰি নিছে। মোৰ বাদে সেই যন্ত্ৰণা কোনেও উপলব্ধি কৰিব নোৱাৰে। অৰুনিমা আৰু দেউতাক এদিন কথাটো কৈছিলোঁ। দেউতাই কান্দিছিল, অৰুনিমাই কিন্তু কন্দা নাছিল। হয়তো ভাগ্যৰ কথা ভাবিছিল। মিতু আৰু জিতে কিন্তু একো জনা নাছিল। জিতৰ জন্মৰ ছমাহৰ পাচতেই আৰম্ভ হৈছিল মোৰ সেই যন্ত্ৰণা।

আৰু সাতমাহৰ পাচত মোৰ মৃত্যু হব। বহি বহি মৃত্যুৰ ক্ষণ গণি থকাৰ বাহিৰে মোৰ আৰু একো উপায় নাই। জানিশুনি এটা নিৰ্দ্দিষ্ট সময়ত মৃত্যুক আকোঁৱালি লবলৈ, মৃত্যুলৈ অপেক্ষা কৰিবলৈ কিমান যে সাহসী হব লাগে,

মই বুজো, বুজিছিলোঁ। । বম্বেৰ বিখ্যাত ডাক্তৰজনে কৈছিল মোৰ খাদ্য নলীত কেন্সাৰ হৈছে। লাহে লাহে গোটেই শৰীৰতে বিয়পি পৰিব। কেইমাহ মানৰ পিচতেই মই একো খাব নোৱাৰা হম, ভোকত হয়তো চটফটাই থাকিব লাগিব। অৰুনিমা আৰু দেউতাই নিৰবে চকুলো টুকিব। কেতিয়াবা ভাবো আত্মহত্যা কৰিম। কিন্তু এই সাতমাহত অৰুনিমাৰ বাবে, ঘৰ খনৰ বাবে কিবা এটা কৰাৰ আশাতেই এনে যন্ত্ৰণা বুকুত বান্ধি জীয়াই আছোঁ।

সভাসমিতিত যেতিয়া মোৰ বক্তৃতা শুনি মানুহবিলাকে হাত চাপৰিবজায় তেতিয়া মোৰ এনে লাগে, মোৰ অবস্থাৰ কথা জানিয়ে যেন উপহাস কৰিছে। কিন্তু মই জানো মোৰ এই অসুখ দুজন ডাক্তৰ, অৰুনিমা আৰু দেউতাৰ বাহিৰে কোনোৱে নেজানে। তথাপিও যেন লাহে লাহে সকলোৱে জানিছে। কিন্তু মোৰ এই যন্ত্ৰণাৰ কথা মানুহবিলাকে জানো উপলব্ধি কৰিব পাৰিছে।

ঘড়ী চালো। আঠ বাজি ত্ৰিশ মিনিট গৈছে। জোনটো নেদেখি মনটো বেয়া লাগি গ'ল। ধুনীয়া জোনটো কেতিয়া মেঘে ঢাকি পেলালে কবই নোৱাৰিলোঁ। পোহৰ বিলাব নোৱাৰা দুখটো হয়তো জোনটোৱে উপলব্ধি কৰিছে! সেই দুখ জানো আনে অকন-মানো অনুভব কৰিব পাৰিছে !!

---

কবিতা

# বিচাৰ

অধ্যাপক শিৱ দত্ত

হে মহাকাশ,
হে উচ্চাকাশ,
হে বিশাল, নিশ্চল আকাশ
শূণ্যতাৰে দিগন্ত ব্যাপী থকা— তোমাৰ বহল বুকুত
অলিখিত মোৰ জীৱন কাহিনীক স্থান দিবা ?
পৃথিবীৰ কথা কৈছা ?

ইয়াৰ মানৱতাৰ কথা কৈছা ?
ইয়াৰ চেতনাহীন হৃদয়বোৰৰ কথা কৈছা ?
ইয়াৰ লাঞ্ছনাৰে ভৰা মনবোৰৰ কথা কৈছা ?!
ওহোঁ, ইয়াত মোৰ মনৰ স্থান নাই,
ইয়াত বুকুৰ কেচা মৰমৰ দাম নাই,
ইয়াত 'মানুহ' আছে 'মানৱতা' নাই,
ইয়াত 'জড়' আছে, 'চৈতন্য' নাই,
ইয়াত সকলো থাকিও, বহুত কিবা নাই।
শুনা আকাশ,
ইয়াত আমি স্বপ্ন ৰচোঁ ; আৰু তাকে দেখোঁ
পুৱতীত সকলো হেৰাই যায়।

মৰমৰ কথা কৈছা ?
কেচা মৰমৰ কথা কৈছা ?
সচাঁ পৱিত্ৰ মৰমৰ কথা কৈছা ?
তেন্তে শুনা,
আমি মাটিৰে পূজা কৰোঁ,
আমি ফুলেৰে পূজা কৰোঁ,
আমি দামেৰে পূজা কৰোঁ,
কিন্তু সেই পূজাৰ সাৰ্থকতা নাই।
কিয় বাৰু ? বিচাৰ কৰি দিবা ?
'সাগৰিকা'ৰ কথা কৈছা ?
জোৱাৰে উটাই লৈ গ'ল !
'দীপ্তি'ৰ কথা কৈছা ?
ধুমুহাই নুমাই থৈ গ'ল !
প্ৰেৰণাৰ কথা কৈছা ? উৎসাহৰ কথা কৈছা ?
প্ৰেৰণা উৎসাহৰ উৎস শুকাই গ'ল !
মোৰ 'স্বপ্নাৰ' কথা কৈছা ?
কম বাৰু এটি সন্ধ্যা তোমাক।
কাণে কাণে কম, বহলাই বুজাই কম ;
লগতে কম—
শেষনিশা উচুপি উচুপি কন্দা মন এটাৰ কথা !
লাহে লাহে নুমাই যোৱা এগছি চাকিৰ কথা !
তেতিয়া ; তেতিয়া তুমি বিচাৰ কৰি দিবা।

---

॥ উপন্যাসিকা ॥

গ্ৰহণান্তত উত্তমাশা গ্ৰহণান্তত উত্তমাশা গ্ৰহণান্তত উত্তমাশা গ্ৰহণান্তত উত্তমাশা গ্ৰহণান্তত উত্তমাশা

# গ্ৰহণান্তত উত্তমাশা

শ্ৰীহিতেশ বিকাশ গগৈ

**You don't write because you want to say something; you write because you have got something to say**

**F. S. Fitzgerld**

প্ৰত্যহিত এখনকৈ ছুশদিন আৰু প্ৰতি সপ্তাহত এখনকৈ ধৰিলে ছুশ সপ্তাহত মুঠ ছুশখন চিঠি। পাচবছৰত ছুশখন চিঠি। চিনাকি আখৰ চিনাকি হৈ অচিনাকি হোৱা কথা আৰু প্ৰতীক্ষাৰ অনুৰণন 'তোমাৰ কাৰণে অপেক্ষা কৰি কৰি মই মৰি যাম অবিনাশ - মই নিঃশেষ হৈ যাম।' কিন্তু কোনোবা মৰি যোৱা, শেষ হৈ যোৱালৈ মই বেজাৰ কৰিব নাজানো। ময়ো এদিন হেৰাই যাম, তাত ভাবিব লগা, বেজাৰ কৰিব লগা আছে কিটো! মোৰ টকাপইচা, ঘৰদুৱাৰ, গাড়ী--ইহঁতৰ অৱশ্যে কোনোবা উত্তৰাধিকাৰী থকা উচিত; আৰু ইবোৰৰ পৰিমাণ বাঢ়ি যোৱাৰ লগে লগে মোৰ মনটোৱেও কোনোবা উত্তৰাধিকাৰী থকাটো বেছিকৈ কামনা কৰিছে। সেই-বাবেই নিবেদিতা চলিহাৰ ছুশখন চিঠিৰ অন্তৰ্নিহিত আবেগিক তানটো মোৰ মনৰ মাজত এপাহ ভায়লেট ফুল হৈ লুকাভাকু খেলিছে। কিন্তু এইবোৰ চিন্তাক যদি মোৰ মগজুত ফাৰ্ষ্ট প্ৰিফাৰেঞ্চ দিওঁ তেতিয়া হলে মোৰ জীৱনৰ কিছুমান মূল্যবান সময় অপচয় হব। মোক এনজয়মেণ্ট লাগে। নিশান্ত ৰয় বা অনিনিকা পুৰ-কায়স্থৰ দৰে মোক মাত্ৰ এনজয়মেণ্টৰ প্ৰয়োজন। অনিনিকা বা নিশান্তৰ মতে 'লাইফ ইজ এ মুনলেছ নাইট উইদাউট এনজয়মেণ্ট।' অতীতলৈ আজি পাঁচ বছৰত মই কোনোদিন উভটি চোৱা নাই। মাত্ৰ চাব খুজিছো আজি। ৰাতিপুৱাতে অনিনিকালৈ ফোন কৰিছিলো, তাই মাদ্ৰাজলৈ গৈছে। কিছুমান চোৱাং

মালৰ সৈতে স্বৰূপা ঠাকুৰক বোলে মাদ্ৰাজৰ পুলিচে আটক কৰিছে। কালি বেঙ্কত কথাটো নিশান্তই কৈছিল। অনিনিকাক টকা লাগে পঞ্চাচ হাজাৰ। স্বৰূপা ঠাকুৰ অসম্ভৱ দুঃসাহসী। তাই নহলে নিশান্তহঁতৰ ব্যৱসায়ত বহুত ক্ষতি হব। নিশান্তও এইমাত্ৰ আমৰ্হাষ্ট ষ্ট্ৰীটৰ উকীল পবনেশ পাণ্ডেৰ ওচৰলৈ গৈছে। অৱশ্যে তেওঁ নহলেও শত্ৰুঘ্ন দাসগুপ্তা আছে। মুঠতে আজিৰ দিনটো মোৰ বাবে অলস দিন। এনেকুৱা অলস দিনবোৰ অনিনিকা নহলে মোৰ দুঃসহ হৈ উঠে। তাই কৈ গৈছে যদি প্ৰয়োজন হয় ভনীয়েক কণিকা বা কাজল ঘোষক কৈ গৈছে আহিবলৈ। এইটো অৱশ্যে সত্য যে কাজল ঘোষ, কালান্তিকা গাঙ্গুলী বা কণিকা পুৰকায়স্থৰ সংসৰ্গত থাকিলে আজিৰ দিনটোৰ ভিতৰতো অতীতলৈ উভটি চাবৰ সময় নেপালোহেতেন। গাটো আজি মোৰ অলস অলস লাগিছে। যোৱা নিশা প্ৰায় বাৰ বজালৈকে চৌৰঙ্গীৰ সেই নেপালী ছোৱালী মনিষা থাপাৰ লগত ৰামৰ বটলৰ মাজত ডুব গৈ আছিলো। কাঠমুণ্ডুৰ পৰা দুই এদিনৰ আগতে মডেল হৈ আহিছে তাই। এটা বজাত ঘৰ পাই দেখো বনকৰা ছোৱালীজনী শুই পৰিছে। আজি এয়া অলপ আগতে, তাই ডিনাৰ দিয়াৰ পিচত নিবেদিতাৰ চিঠি বিলাকৰ মাজেদি মই অতীতলৈ উভটি চাব খুজিছো।

অতীত? অতীত বুলিলেই কিছুমান হুমুনিয়াহ, কিছুমান মূৰকামুৰণি। অতীতৰ এছোৱা সময়ত মোৰ নামৰ পিচফালৰ আখৰ কেইটাৰ বাবে যে কিমান কষ্ট কৰিব লগা হ'ল তাৰ হিচাব আজিকালি মই নকৰোঁ। কাৰণ আজি কালি মোক সকলোৱে কলিকতাৰ বিখ্যাত বিজিনেছমেন আৰু ৰাইটাৰ বুলিয়ে জানে। মুখতে কবলৈ গলে মোৰ ইণ্ট্ৰডাক্চনটো এনেকুৱা ধৰনৰ হয়ঃ-মোৰ ঘৰ গুৱাহাটীৰ উপকণ্ঠৰ এখন গাওঁত। ঘৰৰ অৱস্থা অত্যন্তই বেয়া আছিল। স্কলাৰশ্বিপৰ টকাৰে কলেজ, ইউনিভাৰচিটি পঢ়িলো। মেট্ৰিকত মোৰ পজিচন সপ্তম আছিল। তাৰোপৰি বি, এছ চিৰ ৰসায়ণৰ সম্মান ৰাখিবলৈও সমৰ্থ হৈছিলোঁ। তাৰ পিচত কিন্তু মোৰ গতি বেলেগ হৈ গ'ল। আচলতে মই বিজ্ঞানৰ মানুহ নাছিলোঁ। মই অৰ্থনীতিত এম, এ পাচ কৰিলোঁ। প্ৰথম শ্ৰেণী অবশ্যে পালোঁ। দেউতা সৰু বয়সতে মৰাৰ বাবে মাই বহুত কষ্ট কৰিবলগা হৈছিল মোৰ বাবে। কিন্তু আজিকালি আৰু নহয়। ককাইদেৱে অধ্যাপনা কৰে। চেটিচফেকচন লভিব পাৰিলে আচলতে অধ্যাপনাৰ টকাৰে ভা'ল

দৰেই চলি যাব পাৰি। নবৌও হেনো অধ্যাপিকা হৈছে বুৰঞ্জীৰ। বিয়াৰ সময়ত অৱশ্যে গ্ৰেজুৱেট হে আছিল। যোৱা বছৰ গাড়ী লবৰ বাবে কুকাইদেৱে দহহেজাৰ টকা খুজিছিল; গতিকেই জানো গাড়ী আছে। মা বুঢ়ী হৈছে। ভাইটো এম, এছ চি পঢ়ি আছে। মাক তাৰ পঢ়াৰ কাৰনে টকা দিছোঁ। বৰ্তমান কোনো অভাৱ নাই, অভিযোগ নাই। ভনী জনীয়ে কেইখনমান অসমীয়া চিনেমাত নাচিছিল। কলিকতালৈ অহা কোনোবা এখন অসমীয়া চিনেমাত যৌন আবেদনময়ী দৃশ্য এটাৰ উৎকৎ অঙ্গসঞ্চালন কৰি দিয়া নাচ এটা দেখিছিলোঁ। বৰ্ত্তমান নবীন প্ৰযোজক পৰিচালক নিবেন্দু মান্নাৰ লগত বিয়া পাতিলে। মাই জনাইছিল বিয়াৰ সময়ত তাই প্ৰেগনেণ্ট আছিল। সেই হিচাবে ধৰিলে এতিয়ামানে দুই তিনিটা সন্তানৰ মাতৃ। মাই দুখীয়া ছোৱালী এজনী ৰাখি লৈছে কাম বন কৰি দিবলৈ। চুক্তি হেনো সময়ত বিয়া পাতি দিব লাগিব। বিয়াৰ বাবেও চাকৰনী সোমাব লগা হৈছে। অনিনিকাহতঁৰ দৃষ্টিত এইবোৰ বাৰু কি আখ্যা পাব?

কেতিয়াবা অৱশ্যে কিছুমান চিন্তাই মোক জুমুৰি দি ধৰে। যদি মোৰ ভাগ্যৰ এই সোতঁ পৰিবৰ্ত্তন নহলহেতেন! অধ্যাপক সোমোৱাহেতেন বৰ বেছি ৰিচাৰ্চ কৰি ডক্তৰেটটো পালোহেতেন। বহুতো দিশ মোৰ অপূৰ্ণ হৈ ৰ'লহেতেন। সেয়া এনজইমেণ্ট, টকা, ঘৰ, গাড়ী বহুত কিবা কিবি। তাৰোপৰি নিবেদিতাৰ দৰে হাজাৰ ছোৱালীয়ে মোক ক্লান্তিহীন প্ৰতিক্ষাৰ প্ৰত্যয় জন্মালেহেতেন। সৃষ্টি হলহেতেন হাজাৰ গল্প কৱিতাৰ। যিবোৰৰ বিনিময়ত গই হয়তো একো নাপালোহেতেন। অসমত সাহিত্য সাধনা কৰি জীৱিকা উলিয়াবলৈ চেষ্টা কৰা মানে পৰ্ব্বতত কাছ কণী বিচৰা। গল্প কবিতাৰ কিতাপ অসমৰ কেইজন মানুহে কিনি পঢ়ে। গতিকে অসমত থকাহলে মোৰ এই অবস্থাটো পাবলৈ বহুত দিন লাগিলহয়। মোৰ এই অবস্থাত উপনিত হোৱাৰ মূলতে মোৰ সাহিত্য সাধনাৰ গুণ, নিশান্ত, অনিনিকা, ডাঃ চলিহা সকলোৰে সমান অধিকাৰ আছে। গতিকে মই আজি অতীত বোলোতে এই বিলাক কথাৰ উল্লেখ কৰিবলৈ বাধ্য।

॥ ডাঃ চলিহাৰ কথা ॥

We have no more right to consume happiness without producing it than to consume wealth without producing it.

Barnad Shaw

ডাঃ বিবেক চলিহা আচলতে উজনী

অসমৰ মানুহ। দেউতাকৰ এখন বাগিছা আছিল। ভায়েকৰ হাতত দি গুৱাহাটীলৈ ডাঃ হৈ গুছি আহে চলিহাই। বৰ্ত্তমান ডাঃ বিবেক চলিহাৰ মানে-সন্মানে, টকাই-পইচাই এটা উভৈনদী অৱস্থা। পুতেক এজন ব্লুমিংটনত ৰিচাৰ্চ কৰি আছে। দিল্লী ইউনিভাৰচিটিৰ পৰা ফিজিক্সত প্ৰথম শ্ৰেণীৰ প্ৰথম হৈ এম, এচ, চি পাছ কৰিছে দুবছৰৰ আগতে। অৱশ্যে আমেৰিকালৈ যাবৰ দিনাহে পালম্ বিমান কোঠত মোৰ বাসব চলিহাৰ লগত পৰিচয়। ডাঙৰ পুতেকজন জাৰ্মানীত থাকে। সৰুজন কৃষি কলেজৰ লেক্চাৰাৰ। ডাঃ চলিহাৰ ডাঙৰজনী ছোৱালী বন্দিতা চলিহাৰ লগত মোৰ ভাল চিনাকি আছিল। মোৰ গল্প কবিতা পঢ়ি বোলে খু-উ-ব ভাল পাইছিল। তাই এডুকেচনত এম, এ পাছ কৰা বছৰতে মই ডাঃ চলিহাৰ ঘৰলৈ প্ৰথম যাওঁ। তেতিয়া মাজু জীয়েক চিলঙতে আছিল। সৰুজনী নিবেদিতাহে ঘৰত আছিল। সেই বছৰেই তাই মেট্ৰিক দিছিল। তাৰ পাচত বহুবাৰ মই ডাঃ চলিহাৰ ঘৰলৈ গৈছোঁ। তেওঁলোকৰ ঘৰখনৰ লগত মই নিবিড় ভাবে জড়িত হৈ পৰিছিলো কিন্তু ডাঃ চলিহাৰ লগতহে মই সহজ হব পৰা নাছিলোঁ। এবাৰ বসুৱা সম্প্ৰদায়ৰ সামাজিক চেতনাৰ ওপৰত লিখা গল্প এটা সমালোচনা কৰি মোক সুধিছিল ডাঃ চলিহাই মই নক্সালাইট নেকি! তাৰ পাচত এদিন আবেলি পৰ্টিকত বহি আছিলো। মই, বন্দিতা বাইদেউ আৰু নিবেদিতা বজাৰ কৰি আহিছিলোঁ। মাত্ৰ কেইদিন মান আগতে লোৱা ফিয়েটখন ময়ে ড্ৰাইভ কৰি আনিছিলোঁ। মোক ওচৰতে বহিবলৈ কৈ তেওঁ সুধিছিল।

: মোৰ সক ছোৱালীজনী তোমাৰ কেনে লাগে? মানে নিবেদিতাৰ কথা কৈছোঁ। কি কম কি নকম বুলি ভাবি উত্তৰ দিছিলোঁ—

: তাইৰ মগজু প্ৰচুৰ সম্ভাবনাপূৰ্ণ। বায়েকহঁততকৈ তাই এখোপ বেছি আগুৱাব বুলি মোৰ বিশ্বাস।

: কাৰেক্ট্। তাই ৰূপে-গুণে বায়েকহঁতকৈ চুপিৰিয়ৰ হব। ডাঃ চলিহাই ডাঙৰকৈ হাঁহি এটা মাৰি মোৰ কথাত সমৰ্থন জনাইছিল। তাৰ পাচত বহুত কথা পাতিছিল। কৈছিল মোৰ সাহিত্য সাধনাক তেওঁ শ্ৰদ্ধা কৰে। কিন্তু মই কেৱল সাহিত্য সাধনাতে মনোনিবেশ কৰা উচিত নহয়। টকা পইচা ঘটাৰ কথা চিন্তা কৰিব লাগে। তেওঁৰ নতুন ফিয়েটখন চলাই পোৱা আমেজটো নিজৰকৈ পোৱাৰ চিন্তা কৰিব লাগে।

: তুমি অৰ্থনীতিত হে এম এ. পঢ়িছা? বেল, কি কৰিবা ভৱিষ্যতে?

: ব্যৱসায়। এম, এ পাচ কৰিয়ে এটা

প্রেছ খুলিম। গুৱাহাটীত ভাল প্রেছৰ প্রয়োজন আছে। দেউতাৰ শেষ ইচ্ছা পূৰণ কৰিবৰ বাবে উকালতিও কৰিম। (ইতিমধ্যে মই এল, এল, বি পাছ কৰিছিলোঁ।) মই উত্তৰ দিছিলোঁ এনেকে উশাহতে।

: প্রেছ? আচৰিত হোৱা যেন দেখুৱাই ডাঃ চলিহাই কৈছিল 'কিতাপ প্রকাশ কৰিবা, নিউজ পেপাৰ উলিয়াবা, কিমান টকা পাবা? সেয়াই নহব, অবিনাশ। তুমি বহুতো কিৰাকিৰি কৰিব লাগিব। তোমাৰ এমবিচন সুদূৰ প্রসাৰী হ'ব লাগিব।

মোৰ মনৰ বন্ধ হৈ থকা দুৱাৰ এখন ডাঃ চলিহাই ঠেলামাৰি খুলি দিছিল। সেইদিনাৰ পৰা অহৰ্নিশ মোৰ মগজুত চিন্তাবোৰে খেলা কৰিবলৈ আৰম্ভ কৰিছিল। তৃতীয় বেল পৰাৰ পাচত হাতত চিনেমাৰ টিকেট কেইটা লৈ ক্যুৰোৱালৈ অপেক্ষা কৰি থকাৰ আমনিটোৱে মোৰ দেহ মন প্রায়ে বিবশ কৰি দিছিল। ডাঃ চলিহাই মোক নিবেদিতাৰ কথা তেনেকৈ সোধাৰ অৰ্থ মই কেইবা প্রকাৰেও লব খুজিলোঁ। অৱশ্যে নিবেদিতাই যে মোৰ হৃদয়ৰ কোনোবা নিভৃত আশ্রয় লৈছিল সেয়া একান্ত সচাঁ কথা। ডাঃ চলিহাই মোক সেই কথা সোধাৰ আগতে কেইবাবাৰো নিবেদিতাক মই বুকুৰ মাজত সুমুৱাই লৈছোঁ। বন্দিতাই জানিছিল, কিন্তু একো কোৱা নাছিল। এদিন নিবেদিতাৰ বুকুৰ মাজত ভাল পোৱাৰ নিবিড় প্রত্যয় বিচৰা পৰতে প্রথম বন্দিতাই মোক ধৰা পেলাইছিল। ঠিক তেনে এটা সময়তে, খেলিমেলি চিন্তাৰ মাজত হাবাথুৰি খোৱা সময়ছোৱাতে মোৰ জীৱনত পৰিল অন্য এজন মানুহৰ প্রভাৱ। যি জনে মোক এটা জটিল অঙ্কৰ উত্তৰ বিচৰা ক্ষেত্রত সহজ কৌশল এটা শিকাই দিলে। সেইজন নিশান্ত বয়।

## ॥ নিশান্ত বয়ৰ কথা ॥

**Laughter is not at all bad begining for friendship and it is by far the best ending for one.**

**Oscar Wilde.**

নাটকীয় ভাৱেই নিশান্তৰ লগত মোৰ পৰিচয়। নিশান্ত বয় আচলতে মোৰ জীৱনত আটাইতকৈ বেছি প্রভাৱ বিস্তাৰ কৰিব পৰা মানুহজন। মোমাইদেউৰ ঘৰত থাকি দেউতাৰ শেষ ইচ্ছাকণ পূৰণ কৰাৰ সময়তে ডিব্রুগড়ত মোৰ চিনাকি নিশান্তৰ স'তে। সেই সময় ছোৱাতে অৱশ্যে আৰু এজনী ছোৱালী মোৰ কক্ষপথলৈ আহিছিল; সেয়া কাবেৰি কলিতা। মোৰ গল্প কবিতাবোৰ তাই

বোলে খু-উব ভাল পাইছিল। দেউতাক বাগান এখনৰ মালিক। তাই মোক মাতিছিল প্ৰায়ে কথা পাতিবলৈ, হাঁহিবলৈ বা এনেয়ে। তাইৰ লগত মই কিছু দূৰ আগ বাঢ়িছিলো যদিও নিবেদিতাৰ স্মৃতি মোৰ মনৰ পৰা মচি পেলাব নোৱাৰিলো। কাৰণ মোৰ যৌৱনৰ প্ৰথম স্থিৰ সৌন্দৰ্য্যানুভূতি হিচাবে তাইৰ স্মৃতি কলিজাৰ এনে এটা অজন্তাত খোপনি পুতিছিল যে পাহৰি যোৱাটো সম্ভৱ নাছিল। তেনে সময়তে লগ পাইছিলো নিশান্তক। নিশান্ত বয় আছিল মই সন্মুখীন হোৱা বিস্ময়বোৰৰ ভিতৰত এটা। প্ৰথম বিস্ময়ৰ মৰ্য্যদা অৱশ্যে মই ডাঃ চলিহাক দিব লাগিব। ডঃ চলিহাই মোৰ সুপ্ত চেতনা এটাক সোণৰ কাঠিৰে জগাই দিলে। নিশান্তই মোক লগ পাই সুখী হোৱা যেন দেখুৱালেও আক্ষেপ কৰিছিল মোৰ সাহিত্য সাধনাৰ প্ৰকৃত সংব্যৱহাৰ হোৱা নাই বুলি। নিশান্ত ৰয় কলিকতাৰ নামী ব্যৱসায়ী আৰু কিতাপ প্ৰকাশক। প্ৰেছ আছে, পাৰ্টনাৰ আছে। তেওঁ মোক কলিকতালৈ লগ ধৰিছিল।

: মিঃ কাকতি, আপোনাক টকাৰ প্ৰয়োজন ? আপুনি এটা সুখ স্বচ্ছন্দৰ জীৱন বিচাৰে ? যদি বিচাৰে আপোনাক মই চেন্টপাৰচেন্ট্ এচিউৰেঞ্চ দিছো ; আপুনি কলিকতালৈ ওলাওক। আপোনাৰ ইংৰাজী, হিন্দী, বাংলা আৰু অসমীয়া চাৰিওটা ভাষাতে গভীৰ নলেজ আছে। আপুনি কিতাপ লিখিব মই প্ৰকাশ কৰিম। ডিটেকটিভ আৰু চেক্সৰ কিতাপে আজি কলিকতাৰ বজাৰতেই নহয় অসমৰ বজাৰতো প্ৰচুৰ গ্ৰাহক পায়। আপুনি দেখিব কাকতি, উইদিন এ ছৰ্ট পেৰিয়দ উই উইল গেট এ লট্ অব্ মনি।

কেইবাদিনো চিন্তা কৰাৰ পাচত মই কথাষাৰত মূল্য দিবলৈ বাধ্য হলো। ডাঃ চলিহা বা নিশান্তই নহয়, ময়ো জানো অসমত সাহিত্য সাধনা কৰি ধনী হব নোৱাৰি। অৱশ্যে কলিকতালৈ আহি কেৱল কিতাপ লিখি মই ধনী হোৱা বুলিলে ভুল কোৱা হব। এদিন মই গুছি আহিলো। ডাঃ চলিহাই নিবেদিতাৰ পৰাই জানিলে। নিবেদিতাই কলে, "তোমাৰ ইচ্ছা আৰু সময়লৈ মই অপেক্ষা কৰি ৰম অবিনাশ ‥।" আৰু এয়া পাঁচ বছৰ মই অসমৰ মাটিত ভৰি দিয়া নাই। নিবেদিতাৰ পৰা মই চিঠি পাই আছো, কিন্তু কোনো এখন চিঠিকে মই গুৰুত্ব দিবলৈ সময় পোৱা নাই। এই পাঁচবছৰতে মই বাসত্তৰখন কিতাপ লিখিছো চাৰিটা ভাষাত। আলোচনী সম্পাদনা কৰিছো। বিক্ৰি হৈছে, টকা

পাইছো। তাৰোপৰি আৰু বহুত কাম মই কৰিছো যাৰ বিনিয়মত মই পাইছো টকা আৰু মানসিক প্ৰশান্তি। মোৰ ডিটেকটিভ আৰু চেক্সৰ কিতাপবোৰ গোটেই ভাৰতে বিক্ৰি হোৱাৰ মূলতে আছে নিশান্ত আৰু অনিনিকা। নিশান্তৰ গোটেই ভাৰতত অলেখ ব্যৱসায়ী বন্ধু আছে। যিবিলাক ব্যৱসায়ত টকা আছে সেইবিলাক ব্যৱসায়তে নিশান্ত জড়িত। নিশান্তৰ জীৱনদৰ্শন যদি কিবা আছে, আৰনিং এণ্ড এনজয়মেণ্ট। ব্যৱসায়ৰ কিছুমান গুৰুত্বপূৰ্ণ দিশত সহায় কৰাৰ বাবে মই পাইছো টকাৰ ভাগ। মই যি পাইছো অৱশ্যে নিশান্তৰ বাবে বিশেষ একো নহব পাৰে কিন্তু মোৰ বাবে যথেষ্ট। তথাপিও প্ৰয়োজনবোধ বোলা শব্দটো আছে যেতিয়া মোৰো প্ৰয়োজনৰ শেষ নাই। প্ৰয়োজনবোধ নাথাকিলে মানুহৰ জীৱনত বিস্ময় শব্দটোৰ সতে পৰিচয় নহয়।

॥ অনিনিকা পুৰকায়স্থৰ কথা ॥

When you can think yesterday without regret and tomorrow without fear you are on the road of success

Anon.

অনিনিকা পুৰকায়স্থই উত্তৰাধিকাৰী সূত্ৰে কিবা পোৱা বুলি মোক কোনো দিন কোৱা নাই। অৰ্থাভাৱৰ পৰিপেক্ষিতত কলেজীয়া জীৱনৰ যতি পেলোৱা এজনী ছোৱালীৰ দ্বাৰা ইমানবোৰ কাম সম্ভৱ হব পাৰে বুলি পাঁচ বছৰৰ আগতে মোৰ মনত কোনো প্ৰকাৰ বিশ্বাসৰ ভাৱ অঙ্কুৰিত হবলৈ সুবিধা ঘটা নাছিল। তাইৰ সংসাৰখন সৰু। ভনীয়েক কনিকা, তাই আৰু মাক। জীৱনটোক বৰ সহজ বুলি ভাবিব পৰা ছোৱালী অনিনিকা। মোৰ বাবে অনিনিকা এটা অন্যতম প্ৰধান বিস্ময়। লক্ষ্ণৌৰ এখন হোটেলত একেটা কোঠাতে থকা সেই বিশেষ ৰাতিটোতে তাই মোক সকলো কথা কৈছিল। কৈছিল উপভোগ বোলা বস্তুটোত পবিত্ৰতা, অপবিত্ৰতা, স্থান কাল পাত্ৰৰ কিবা বিচাৰ থকা উচিত বুলি তাই নাভাবে। তাই মাত্ৰ প্ৰয়োজন বোধৰ ওপৰতে ইয়াৰ বিচাৰ বুলি ভাবে। আচলতে সেয়া মোক লৈয়ে কৈছিল; মই বুজিছিলো। তাই কৈছিল তাইৰ শিৰৰ ৰঙা ভাববোধক চিনটোৰ প্ৰয়োজনবোধ বৰ সোনকালে নকৰে। সেই নিশাই মোৰ তথাকথিত ব্যক্তিত্বৰ অবলুপ্তি ঘটিছিল। তাৰ পাচত বহুত নিশাই কলিকতা, দিল্লী, মাদ্ৰাজ, লক্ষ্ণৌৰ হোটেলত একেলগে অনিনিকাৰ লগত মই কটাই দিছো। তাই জগাই দিয়া সুপ্ত চেতনাটোৰ ওপৰত

আত্মসমর্পন কৰিয়েই মই কনিকা, কালা-ন্তিকা, কাজল বা সাবিত্ৰীক নিবিড়ভাবে গ্ৰহণ কৰিছোঁ। নিবেদিতাৰ কথা অনিনিকাই জানে। তাইহঁ হাহেঁ নিবেদিতাৰ চিঠিৰ ক্লান্তিহীন প্ৰতীক্ষাৰ কথা শুনি। অনিনিকাৰ মতে প্ৰতীক্ষা কাহানিও ক্লান্তিহীন হব নোৱাৰে। প্ৰতী-ক্ষাৰ ক্লান্তি আছে। তাইৰ নিচিনা ছোৱালীৰ বাবেতো প্ৰতীক্ষাৰ কোনো ব্যাখ্যা নাই। প্ৰথমতে দুই এখন চিঠিৰ উত্তৰ মই নিবেদিতালৈ দিছিলো। পিচলৈ সেই অনুকম্পাও অনিনিকাৰ জীৱন দৰ্শনৰ মেঘালী ছায়াত হেৰাই গৈছিল। মোৰ বাবে নিবেদিতা বা অন্য এজনী নাৰীৰ শিৰত ৰঙা ভাব-বোধক চিন এডালৰ প্ৰয়োজনবোধটো এক তিক্ত উপলদ্ধিৰ গেৰেকনিত হেৰাই গৈছিল। কিন্তু সিদিনা অলপতে নিশান্তই মোক কৈছিল: কাকতি, আপোনাৰ একান্ত ব্যক্তিগত দৰ্শন আমাৰ বাবেই পঙ্গু হোৱাটোত ঠিক আমি কিছু দুঃখীত হম। আপুনি ইচ্ছা কৰিলে ইয়াতে বা অসমত গৈ বিয়া পাতিব পাৰে। কিন্তু তাৰ পাচতো আপুনি আমাক পাহৰিব নেলাগিব। অৱশ্যে আপোনাক নতুন জীৱন ধাৰণত ই যাতে কোনো প্ৰকাৰৰ বাধা দিব নোৱাৰে তাৰ বাবে আপুনি এনে এজনী ছোৱালী বিয়া কৰিব লাগিব যি আপোনাক সহাৰিহে জনাব, প্ৰতিবাদ নহয়। সেয়ে সেই ক্ষেত্ৰত আপুনি এটা সুস্থ জুবিছডিক-চনৰ কাষ চাপিলে মই ভাল পাম।' আৰু বহুকথাই কৈছিল নিশান্তই। যিবোৰ কথাই তেওঁৰ নিজা জীৱন দৰ্শ-নৰো দুৰ্ব্বলতাৰ কথাকে সুচায়। অৱশ্যে উত্তৰাধিকাৰী নিশান্তৰো থকা উচিত। নিশান্তৰ বিজিনেছৰ প্ৰধান পাৰ্টনাৰ অনিনিকাৰ পৰাও শুনিবলৈ পাইছিলো মই। সিদিনাই মই শুনিছিলো মোৰ কাহিনী এটাৰে বোলে কোনোবা প্ৰযোজক এজনে 'প্ৰাপ্ত বয়স্কৰ জন্য' এখন চিনেমা কৰাৰ কথা ভাবিছে। অৱশ্যে মোৰ কাহিনীৰ আদৰ্শ নাই বুলি মই নকওঁ। প্ৰত্যেকখন কিতাপতে মই একোটা মহান আদৰ্শৰ ছাঁ পেলা-বলৈ চেষ্টাৰ ত্ৰুটি কৰা নাই। মোৰ ৰচনাক বাংলা সমালোচক সকলে মৰ্য্যদা যথেষ্ট পৰিমানে দিব খোজে। প্ৰথমতে মই একান্ত টকাৰ বাবেই লিখিছিলো। কিন্তু আজিকালি দিনবোৰ কেলেণ্ডাৰৰ পাতত মৰহি যোৱাৰ লগে লগে সমা-লোচকৰ দৃষ্টি আকৰ্ষণ কৰাৰো চেষ্টা কৰিছো। আজিকালি মোৰ জীৱনত ব্যস্ততা আৰু অবকাশৰ সম-সমাবেশ ঘটিছে। অনিনিকাৰ জীৱন দৰ্শনৰ প্ৰভাব যে মোৰ জীৱনত পৰা নাই সেয়া নহয়। অনিনিকাই কৈছিল টকা

টকাই, টকাৰ কলা, বগা নাই। ময়ো এদিন তাকেই ভাবিলোঁ।

নিশান্তৰ দৰে অনিনিকাইও মোৰ কোলাত মূৰ থৈ সিদিনা কৈ গৈছিল বহুত কথা। যিবিলাক কথাৰ মাজত এটা অসুস্থ দুৰ্ব্বলতাৰ গোন্ধ আছিল। যিবিলাক প্ৰশ্ন আৰু উত্তৰৰ মাজমজিয়াত এটা তৰঙ্গীত কোমলতাই আহাৰ মাহৰ জোনৰ দৰে পায়চাৰি কৰিছিল। সেয়া আছিল তাইৰ চৌৰঙ্গীৰ বান্ধবী কাজলৰ ঘৰ। এটা আৰজেণ্ট এনগেজমেণ্টত কাজল গুছি গৈছিল। পশ্চিমৰ খিৰিকিৰ নীলা পৰ্দাৰ ফাকেদি সোমাই অহা এজাক বতাহে তাইৰ চুলিবোৰ কঁপাইছিল। দামী চেণ্টৰ গোন্ধ এটা মোৰ নাকত আস্ফালিত হৈ খিৰিকিয়েদি বাহিৰৰ বতাহত মিলি গৈছিল। মই অনুভব কৰিছিলোঁ অচিন চিনাকি এটা মদিৰ আমেজ। কিছুমান তিৰোতা মানুহৰ উচ্ছশ্বৰে পৰা গালিৰ শব্দ বতাহত উটি অহাত অবশিষ্ট খিৰিকিখনো বন্ধ কৰি দিছিল অনিনিকাই। তাৰ পাচত এটা স্থবীৰ মৌনতাত এটা গুপ্ত চেতনাৰ সহজ স্ফুৰণ। তাই সৰুকৈ মাতছিল।

ঃ অবিনাশ!

ঃ ওঁ। কিবা কবা?

ঃ তুমি বিয়া নকৰোৱা?

ঃ বিয়া? কিয় সুধিলা?

ঃ ধৰা এনেয়ে!

ঃ ভাবিব লাগিব!

ঃ বিয়া যদি কৰোৱা, কাক কৰাবা? নিবেদিতাক? তাই তোমাৰ বাবে ক্লান্তিহীন প্ৰতীক্ষা কৰি থকা নাই জানো?

ঃ কৈছোৱেইতো ভাবিব লাগিব। তাই মূৰটো আতৰাই নি বহিছিল। মোৰ হাত এখন তাইৰ হাতৰ মাজত সাবটি ধৰিছিল। অনুভৱ কৰিছিলো সৰ্ব্বদেহত এটা কপনি।

চোৱা অবিনাশ, তুমি মোৰ জীৱন দৰ্শনৰ দ্বাৰা অন্ধ পৰিচালিত হৈ যদি বিয়া নেপাতা মই দুখ পাম। কিছু দিনৰ পৰা মই অনুভব কৰিছোঁ মোৰ, কাজল, কনিকা আৰু কালান্তিকাৰ মাজৰ মিঠা পৃথিবীখনৰ বিষাক্ত এজাক বতাহে যেন দূৰৰ কোনোবা এখন মৰমৰ উপনদীক বিষময় কৰি পেলাইছে। যিমান নিষ্ঠুৰ হলেও আমাৰ অন্তৰত কোমল কিছুমান অনুভূতি আছে। সিহঁতেও কেতিয়াবা জীপ লৈ উঠে। অৱশ্যে তুমি আমাক পাহাৰ যোৱাটো কাম্যাতীত। তোমাৰ বিচ্ছিন্নতাই আমাক এক গভীৰ ক্ষতিৰ যন্ত্ৰণা দিব। তোমাক মই ভাল পাওঁ অবিনাশ, কিন্তু এই ভাল পোৱা ঠেক এটা গণ্ডীৰ মাজত সীমাবদ্ধ নহয়। এইয়া প্ৰেম নহয়। মোৰ এই ভালপোৱা তুমি যিভাবেই লোৱা মোৰ আপত্তিৰ প্ৰশ্ন নুঠে। এইটো অৱশ্যে মই ভাবো

তোমাৰ বিয়া এনে এজনী ছোৱালীৰ লগত হোৱা উচিত যাৰ লগতে বিযুগ্ম হলে তোমাৰ কৰ্ম্মক্ষেত্ৰত একনো বাধা নপৰে। বাধা পৰিলেই জানিবা তুমিও আমাৰ ভীষণ ক্ষতিৰ যন্ত্ৰণাৰ ভাগী হব লাগিব। এসময়ত তাই বাথি কমলৈ উঠি গৈছিল। মই ভাবিছিলো। নিশান্ত আৰু অনিনিকাৰ জুৰিচদিৰ্ক্চন মতে মই কনিকা, কাজল, কালান্তিকা বা আনিনিকাকে বিয়া কৰাব লাগে। কিছুদিনৰ ব্যৱধানত মই ঠিক এনে ধৰণৰ মন্তব্যই কাজল-কালান্তিকৰ পৰাও পাইছিলো। সেই কাৰণেই কিছু দিনৰ পৰা মোৰ মগজুত এই প্ৰশ্নটোৰ সপক্ষে আৰু বিপক্ষে কিছুমান সৰু সৰু প্ৰশ্নৰ শোভাযাত্ৰা আৰম্ভ হৈছে। কেতিয়াবা খালি হোৱা ৰমৰ বটল, ঘড়ীৰ ডায়েল বা আয়নাত মোৰ নিজৰ মুখ খনৰ প্ৰতিচ্ছবিৰ কাষতে আৰু এখন আলসুৱা মুখৰ ছবি ভাহি উঠে। সেয়া ডাঃ বিবেক চলিহাৰ সৰু জীয়েক নিবেদিতাৰ ছবি! এয়া নিশান্ত হঁতেও জানে। নিবেদিতাৰ তুখন চিঠিৰ জীয়া সত্যটো তেওঁলোকে জানে। সেয়ে এয়া মই 'হাউচফুল' নামৰ ৰঙা আখৰ কেইটা দেখি, বৰ উৎকণ্ঠাৰে গৈ হলৰ কাষৰ পৰা লাহে লাহে গুছি অহা অস্মৰী লৰা এটাৰ দৰে অতীতৰ মিঠা স্বপ্ন এটাৰ ফাললৈ গুছি গৈছোঁ।

॥ মিচ নিবেদিতা চলিহা ॥

"There is nothing half so sweet in life as lover's young dream.
Thomas Moore.

নিবেদিতালৈ মনত পৰিলেই এটা ৰেকাৰ্ড, দেচিমেলৰ দৰে পুনৰ ডাঃ চলিহালৈ, নিশান্তলৈ, কাবেৰিলৈ মনত পৰি যায়। তেতিয়া তাই মেট্ৰিক দিছিল মাথোন। এতিয়া ইউনিভাৰচিটিৰ ৰোমাণ্টিক মজিয়াখনো গছকি আহিল। তেতিয়া তাইৰ দেহত, মনত জীৱনৰ ৰঙীণ সময় ছোৱাৰ আৰম্ভণি মাথোন। আচলতে এনে কিছুমান যাত্ৰা আছে য'ত গৈ পোৱাতকৈ গৈ থকাৰ আনন্দ নিবিড়, এনে কিছুমান মিঠা ঘটনা আছে যাৰ পৰিপূৰ্ণতাতকৈ আৰম্ভণিৰ পিচ ছোৱাহে বেছি মধুৰ।

নিবেদিতাৰ সতে মিলামিচা কৰাত মোৰ কোনোপ্ৰকাৰ বাধা নাছিল। বাধা দিয়া নাছিল চলিহাই, বন্দিতাই, মাকে। নিবেদিতা আৰু মই মৰমৰ নদীত সাতুৰি সাতুৰি ভাবিছিলো আমাৰ সমান সুখী সংসাৰত যেন কোনো নাই। ঘণ্টাৰ পিচত ঘণ্টা আমি কথা পাতিছিলো. ভাল লগা গানবোৰ ৰেকৰ্ড প্লেয়াৰত একেৰাহে কেইবাবাৰো বজাইছিলো। হৃদয়ৰ গভীৰতম্ প্ৰদেশৰ বাতৰি কৈছিলো।

ইজনে সিজনক। তাই কৈছিল মোৰ মৰমে তাইক এখন নেদেখা সপোন ৰাজ্যলৈ লৈ যায়। মোৰ মৰমৰ পৰশেৰে তাইৰ ভৰিপৰে দেহমন। সেয়ে ভাৱাক্রান্ত কোনোবা এটা কৃষ্ণচূড়া বনৰ আবেলি তাই কৈছিল।

: মোৰ বাবে তুমি এটা মধুৰ তন্দ্ৰাৰ আমেজ !

: মাথোন কি সেয়াই ?

: অ' নহয়, মোৰ বাবে তুমি মৰমৰ বিশাল এখন সাগৰ। প্ৰতীতিৰ এখন্ বিস্তৃর্ণ আকাশ। এটা অন্তহীন ফাগুন। এটা মদিৰ কলাপী সপোন।

চিগাৰেটৰ ধোঁৱাখিনিৰে অস্থিৰ বতাহৰ বুকুত এটা ৰিং সাজিবলৈ চেষ্টা কৰি মই কৈছিলো।

: আৰু মোৰ বাবে তুমি ?

: 'মই কি জানো !' তাই কৈছিল। মূৰটো মোৰ বুকুৰ মাজলৈ টানি আনি মই তাইৰ ভীতি-পিগলা চকু জুৰিলৈ চাই কৈছিলো—

: মই যদি তোমাৰ বাবে মৰমৰ বিশাল সাগৰ, তুমি তাত প্ৰণয়ৰ অন্তৰীপ উত্ত-মাশা ; মই যদি ফাগুন তুলি পলাশৰ ৰঙীণ উত্তাপ, তুমি যদি বনফুল মই ভাগৰুৱা অলি, মই যদি প্ৰতীতিৰ নীলিম আকাশ, তুমি পুৰবী তৰাৰ প্ৰতিশ্ৰুতি।

আমিযে এৰা এৰি হব নোৱাৰো সেয়া বুজিছিলো। তেনে সময়তে নিশান্ত আৰু ডাঃ চলিহাৰ যৌথ তোষামোদত মোৰ মস্তিস্কত নামহীন এটা হেচা পৰিছিল। নিবেদিতাৰ সতে মোৰ পাঁচ বছৰৰ আগৰ শেষ দেখাদেখিৰ ছবিখন মই পাহৰিব নোৱাৰো। কামাখ্যাৰ পৰা অহা দিনা তোলা আমাৰ যুগ্ম ফটো-খন দি তাই কৈছিল।

: এয়া সদায় তোমাৰ ওচৰতে ৰাখিবা অবিনাশ দা ! কিয় জানো মোৰ অন্তৰে কান্দিছে আজি। তোমাৰ এই যাত্ৰা যেন মোৰ বাবে হৈ উঠিব এটা দাৰুণ যন্ত্ৰণা। আমি যেন গৈ আছো। গৈ গৈ এখন নদী পাইছো। এখন শিলনিত পুৱাৰ ৰদজাকে মিঠা আবেশ সিচিছে। তুমি মোক এছটা শিলত বহিবলৈ কৈ ফুল আনিবলৈ গৈছা। মই বহি আছোঁ। মোৰ ক্লান্তি নাই। অস্বস্তি নাই, তোমাৰ উপস্থিতিৰ বাবে। তুমি আনি দিব খোজা বন গোলাপৰ সুৰভিখিনিৰ বাবে। শেষত মই তোমাক বিচাৰি গৈছো। তুমি এজোপা গছৰ চাঁত বহি আছা। মই মাতিছো। তুমি মোক এৰি দৌৰিছা। মই মাতিছো, তুমি দৌৰিছা। শেষত মই পৰি গৈছো। মোৰ মুখৰ পৰা তেজ ওলাইছে। পানী এডোঙা ৰঙা হৈ পৰিছে।....... উহ্ মই আৰু ভাবিব নোৱাৰো অবিনাশ দা !

: 'ছিঃ নিতা, ইমান ঠুনুকা নহবা। মোক তুমি কিমান নীচ বুলি ভাবিব পাৰা বাৰু? তোমাৰ সৰু সৰু কথাবোৰ, তোমাৰ ৰূপৰ টুকুৰা ছবিবোৰ, মৰমবোৰ মই কাহানিও নাপাহৰো।'

সেয়া আছিল শেষ দেখা দেখি। ফ'টখন মই কিমানবাৰ চাইছো নাজানো। কিন্তু চিঠিবোৰ? প্ৰথমতে খুব উৎসাহেৰে ডাকটিকট গোটাই শেষত আমনি লাগিলে খেলি মেলিকৈ পেলাই থোৱা সৰু লৰা এটাৰ দৰেই, তাইৰ চিঠিবোৰৰ প্ৰতি মোৰ অনুৰাগৰ হ্ৰাস বৃদ্ধিৰ কথা ভাবিবলৈ মোৰ অবকাশৰ ছিদ্ৰ নাছিল।

কিন্তু এইদৰে এজনী ছোৱালীৰ মনৰ ধাস্যত অনভিপ্সীত এটা দুঃসহ তুফানৰ প্ৰস্তুতি চলোৱাৰ মোৰ কি ৰাইট থাকিব পাৰে? তাইৰ শিৰৰ ৰঙা ভাববোধক অঙ্ক কাবোবাব কাৰণেও আঁকি সৰ পাৰিলেহেঁতেন! বন্দিতাইও বহুতবাৰ লিখিছে মোলৈ। তেন্তে? মোৰ মগজুৰ পোক বিলাকৰ মাজত যেন এটা সংঘৰ্ষ আৰম্ভ হৈছে। এয়া মোৰ মূৰটো ঘূৰিছে। ড্ৰয়িং ৰুমৰ প্ৰতিটো বস্তু ঘূৰিছে। প্ৰতিখন চিঠিৰ পৰাই যেন একোটা যন্ত্ৰণা কাতৰ হুমুনিয়াহ আহি মোৰ বুকুৰ কোমল অংশত খুন্দা মাৰিছেহি। কিছুমান নগ্ন পৰীয়ে যেন মোক উৰিবলৈ শিকাইছে। ওপৰলৈ। আকাশৰ অনেক ওপৰলৈ। মোৰ গাত আলকাতৰা ৰঙৰ পাখি গজিছে। এটা জ্বলন্ত নক্ষত্ৰৰ ওচৰলৈ মোক লৈ গৈছে সিহঁতে। কিছুমান হালধীয়া উত্তাপ আহি মোৰ পাখিবোৰ পুৰি পেলাইছে। মই তললৈ সৰি পৰিছোঁ। এখন নদী পাইছোঁ। পানীবোৰ খাব খোজাৰ লগে লগেই সকলোবোৰ ক্লেদ হৈ গৈছে। কিন্তু ই কি? এখন উপনদীৰ সেউজীয়া কিছুমান পানী বৈ আহিছে। লগে লগে এজনী ছোৱালী। তাইৰ পৰশত মোৰ আলকাতৰা ৰঙৰ গাটো উজ্জ্বল হৈ উঠিছে। তাইৰ বুকুৰ কোমলতাখিনিয়ে মোৰ বুকুৰ আটাইতকৈ কঠিন অংশ কোমলাই পেলাইছে। তাই দেৱীনে মানৱী মই ভাবিছোঁ। পানীবোৰ আৰু বেছি সেউজীয়া হৈছে। নিশা আহিছে। এটা হালধীয়া জোন উদয় হৈছে। তাই কান্দিছে। তাইৰ চকুলোবোৰ এপাহ পদুম হৈছে। সেই পদুম পাহিত বহি আমি যাত্ৰা কৰিছো এটা ঘাট বিচাৰি— এটা অন্তহীন ফাগুনৰ কলাপী নদীৰ ঘাট।

ই কি? মোৰ কোঠাটো আন্ধাৰে আৱৰি ধৰিছে। হয়তো মই সপোন দেখিছিলোঁ। সপোনতে কেতিয়াবাই মই নিবেদিতা আৰু মোৰ যুগ্ম ফট'খন সাবটি ধৰিছো।

---

★ গ্ৰহণান্তত উত্তমাশা মূল উপান্যাস 'অন্তৰীপ'ৰ সংক্ষিপ্তৰূপ। চৰিত্ৰ আৰু ঘটনা সম্পূৰ্ণ কাল্পনিক। ৰচনাকাল ডিচেম্বৰ—'৭০

# হেৰোৱা অনুৰাগৰ কথাৰে

ফটিক গগৈ
১ম বাৰ্ষিক, কলা

হেমন্ত শুভ্ৰ কোনো এক মনোলোভা আবেলিত
কাজল সনা এজোৰ সলাজ নয়নে
বাৰে বাৰে আমনি কৰিছিল মোক।
অৰ্দ্ধনিমিলিত অনুৰাগ মিছিল হুটি ওঁঠে
কিবা যেন কৈছিল,
সেয়ে মনে মোৰ নাচিছিল সংগোপনে।
পূৰ্ণতাৰ সুনিবিড় আবিৰে সিদিনা
মোৰ মন দিগন্তত মদিৰ ৰঙৰ বৰ্ণালীৰে
আঁকিছিল কামধেনু।
কিন্তু আজি
সেই তুচকুৰ তীক্ষ্ণ চাৱনিত
কঁপি উঠিল মোৰ সমগ্ৰ সত্বা,
ভৰি পৰিল মোৰ মন
এক নিঃসীম জড়তাৰে,
আৰু
কোনোবাই আহি যেন মোক
কাণে কাণে কলে: 'তুবোৰ্দ্ধ্যৰ মাজতেই
নাৰীৰ সৃষ্টি, স্থিতি আৰু লয়'।
শেষত মই বুজিলো এয়া একো নহয়
মাথো এখন ছবি — প্ৰত্যাখানৰ।

# সুন্দৰৰ বৰচ'ৰা

"সুৰবে দেউলবে
ৰূপবে শিকলি
ভাঙি দিয়া খুলি
ছুৱাৰ সোণোৱালী
পূজাৰী অ' সুন্দৰ পূজাৰী
সুন্দৰ পূজাৰী অ'—।"

সংস্কৃতিৰ পথাৰখন আমাৰ জাতিৰ আমাৰ দেশৰ কৃষ্টি সভ্যতাক ৰামধেনুৰ সাত ৰঙৰ বৰ্ণালীৰে ৰঙীণ কৰাৰ চৰম অনুকূল স্থান। বিশ্বৰ দৰবাৰত অতীত কৃষ্টি সংস্কৃতিক জগাই তুলি, সংস্কৃতিৰ ন-কঠিয়াতলিত সুন্দৰৰ সাধনাৰে জ্যোতিৰ কণিকা ঢালি আমাৰ সুন্দৰৰ বৰঘৰখন আটোম টোকাৰি কৰাৰ সপোন আমিও দেখোঁ। এই মধুৰ স্বপ্নেৰে বিধৌত হৈ অতি মহৎ প্ৰচেষ্টাক আগত ৰাখি ক্ষীণ শকতিৰে কানৈ কলেজ আলোচনীৰ ২৬ তম সংখ্যাৰ সুন্দৰৰ বৰ'চৰাটি মুকলি কৰিছোঁ। ধৰাৰ বুকুত, জন মানসত আমাৰ এইখন লুইতপৰীয়া দেশৰ কৃষ্টি সংস্কৃতিক চিৰ জাগ্ৰত কৰি আমাৰ মহান মানৱতাক সত্যম্ শিৱম্ সুন্দৰমৰ মন্ত্ৰেৰে সুন্দৰতৰ কৰাই আমাৰ উদ্দেশ্য। সেয়ে কবিৰ ভাষাতে কবলৈ মন যায়

'সঁাচি পাতে ভাষা দিব
চিফুঙে আশা দিব
ৰংঘৰে মেলিব ছুৱাৰ
সমাজে সাৰটিব মহান মানৱতা
বিজ্ঞানে আনিব জোৱাঁৰ।'

**ঃ আমাৰ সংস্কৃতিৰ বৰঘৰৰ মজিয়াৰ দাপোন স্বৰূপ অসমৰ শাস্ত্ৰীয় সংগীতঃ—**

***"Classical music is the kind that we keep hoping will turn into a time."***

***Hubbard.***

বহুত দূৰ দেশলৈ দৌৰি নাযাওঁ। মাথোন অতীতলৈ উভটি চাওঁ। আজিৰ অসমীয়াই পাহৰি যোৱা চৰ্চ্চাবিহীন আমাৰ সংস্কৃতিৰ চোঘৰত কোনোবাই চিঞৰিছে; 'আমি অসমীয়া নহওঁ দুখীয়া। কিন্তু সেই চিঞৰ আমি কেইজনে কান

পাতি শুনিছো। সংস্কৃতিৰ ভাবমূৰ্ত্তিক জগাই তুলিবলৈ আজি কেইজন অসমীয়াই ওলাই আহি আমাৰ শাস্ত্ৰ সম্মত সংস্কৃতিক বুতলি আনি আমাৰ দেশৰ লুপ্ত সংস্কৃতিৰ উদ্ধাৰ কৰিছে ?

*"The music at a marriage procession always reminds me of the music of soldiers marching to battle."*

এনে মহান কৈ কব পৰা Heine ৰ দৰে আমি অসমীয়াই কিন্তু, অতীত সংস্কৃতিৰ অবিহনে এটা জাতিয়ে কেতিয়াও সভ্যতাৰ উচ্চ শিখৰত উঠিব নোৱাৰে বুলি জানিও শাস্ত্ৰীয় সংস্কৃতিৰ আপুৰুগীয়া অমৃত স্বননক অবজ্ঞা কৰিছোঁ। এটা জাতিৰ কাৰণে প্ৰাচীন সংস্কৃতি উন্নতিৰ উপজীব্য। আমাৰ অসমতো আছে শংকৰী সংস্কৃতি, লোক সংস্কৃতি, স্থাপত্য ভাস্কৰ্য্য, ভাৱনা, নৃত্য আদি অনেক। গতিকে আমাৰ মাজৰ পৰাই ইবিলাকৰ সম্যক অধ্যয়নৰ দ্বাৰা উন্নিত কৰি জগতৰ যুগজয়ী কালজয়ী সংস্কৃতিৰ লগত সমানে আগুৱাই নিবলৈ বাট মুকলি কৰোতা ওলাব লাগিব।

**গীতৰ শৰাই :** সুৰ সাগৰৰ মুকুতা বুটলি সুন্দৰৰ বৰচ'ৰাৰ গীতৰ শৰাইত আগবঢ়াইছোঁ। দুজন কানৈয়ানৰ দুটি গীত।

## গীত ★

মেহদী আলম
প্ৰাকবিশ্ববিদ্যালয়, (কলা)

শুনা অ' বন্ধু গৰজি উঠিছে
লুইতৰে অশান্ত পাৰ.
আগলি বতাহে জনালে বাতৰি
আগমনি এজাক ধুমুহাৰ।

বিহাৰে আচলত চকুলো সৰিলে
গাভৰুৰ খোপাতে কপৌ মৰহিলে,
চেনাইৰে বিহুৱান উৰলি গ'ল
বহাগৰ গীতবোৰ কথা হৈ ৰ'ল,
বিঙা হ'ল অসমীৰে সেউজী পথাৰ।

সোণালী অসমীৰ ৰূপো হেৰালে
বঙালী পাচোৱাই ৰং কাঢ়ি নিলে
বাঙালী নাচনী থমকি ৰ'ল
ঢোলীয়া ডেকাও ভাগৰি গ'ল,
জীৱন যুজঁৰ ধ্বনীৰে হ'ল
— লুইতৰ পাৰ হাহাঁকাৰ।

কোনে পতিয়াব ইতিহাস কঁপিলে
লুইতৰ পাৰতে বনজুই জ্বলিলে,
সুঁৱৰে ন-আভা বিহুগীত হ'ল
প্ৰলয়ত নাচনী বলীয়া হ'ল
সেয়েহে নতুনৰ বতৰাই
কৰিছে উতলা লুইতৰে পাৰ।

## গীত *

কুহিৰাম গগৈ
২য় বাৰ্ষিক, কলা

এই দেশৰে
কুলি কেতেকীৰ গান,
এই দেশৰে
অলিয়া-বলীয়া প্ৰাণ,
এই দেশৰে
আঘোনৰ পথাৰৰে
সোণ বৰণীয়া ধান
-আমি ভাল পাওঁ ।
আমি গাওঁ
এই দেশৰে
জনতাৰ কল্যাণৰ গান,
আমি চাওঁ
এই দেশৰে
উৰলি শেষহোৱা প্ৰাণী
বিচাৰো উহঁ
এই দেশৰে
বিশ্ব দৰবাৰত স্থান
-আমি দুখ পাওঁ ।
আমি গছকি-খচকি
আজি আগুৱাওঁ
কলুষতা অন্ধকাৰ এই সমাজৰ,
আমি আগুৱাওঁ
আমি নিজিৰাওঁ
সন্ধান আমাৰ এক নতুন সমাজৰ,
জোনাকী দেশৰ
নতুন পোহৰৰ
ৰেঙণিয়ে ধুওৱা এই
মধুৰ আহ্বান ।

## ঃএজন প্ৰাক্তন কানৈয়ানৰ কৃতিত্ব ঃআমাৰ গৌৰৱ

অসমৰ কথাছৰি জগতত উজ্জ্বল ভবিষ্যতৰ পৰিচয় দিছে আমাৰ কলেজৰ এজন কৃতি প্ৰাক্তন ছাত্ৰই । তেওঁ হ'ল অসমৰ কথাছবি জগতৰ সুপৰিচিত উদীয়মান অভিনেতা বিজু ফুকন । শ্ৰীফুকনে ইতিমধ্যে 'বৰুৱাৰ সংসাৰ', 'ললিতা' আৰু 'অৰণ্য' — কথাছবিত সু-অভিনয় কৰি অতি কম সময়ৰ ভিতৰতে আত্ম প্ৰতিষ্ঠা লাভ কৰিবলৈ সমৰ্থ হৈছে । তেখেতলৈ সুন্দৰৰ বৰচ'ৰাৰ আন্তৰিক অভিনন্দন । গৌৰৱৰ কথা যে ফুকনে নায়ক হিচাবে অভিনয় কৰা 'অৰণ্য' নামৰ কথাছবিখনে বছৰৰ বোলছবি প্ৰতিযোগিতাত আঞ্চলিক ভাষাৰ ভিত্তিত ৰাষ্ট্ৰপতিৰ ৰূপৰ পদক পাইছে । ইয়াৰ উপৰিও তেওঁ কেইবাখনো ছবিত অভিনয় কৰি আছে । শ্ৰীফুকনৰ উজ্জ্বল ভবিষ্যত কামনা কৰিলো ।

## সুন্দৰৰ ন দিগন্তত কানৈয়ানৰ প্ৰতিভা—

এইবছৰ ২৭ তম বাৰ্ষিক প্ৰতিযোগিতাত এইসকল কানৈয়ানে কৃতিত্ব অৰ্জ্জন কৰিলেঃ—

শ্ৰেষ্ঠ গায়িকা— মঞ্জুলা দত্ত।
শ্ৰেষ্ঠ অভিনেতা— ভাৰত দত্ত ( সিহঁত জীয়াই থাকে। )
শ্ৰেষ্ঠ অভিনেত্ৰী— ৰাণী শৰ্ম্মা।
শ্ৰেষ্ঠ পৰিচালক— অঞ্জন দত্ত।
শ্ৰেষ্ঠ নাটক— "সিহঁত জীয়াই থাকে"
( পৰিচালনা কৰিছিল প্ৰনৱ গোস্বামীয়ে )

## শিল্পী ব্ৰজেন বৰুৱাৰ মৃত্যুত—

অসমৰ খ্যাতনামা কথাছবি নিৰ্মাতা, সফল পৰিচালক, জনপ্ৰিয় সংগীতজ্ঞ আৰু শক্তিশালী অভিনেতা ব্ৰজেন বৰুৱাৰ, ২৮ জুনৰ দিনা গোলাঘাটৰ ৰাজ্যিক হস্পিতালত হোৱা অকাল বিয়োগত অসমৰ কথাছবি জগত এক গভীৰ ক্ষতিৰ সন্মুখীন হবলগা হয়। মৃত্যুৰ সময়ত এই গুণী শিল্পীজনাৰ বয়স মাত্ৰ ৪৫ বছৰ হৈছিল, আৰু মৃত্যুৰ আগদিনা তেখেতৰ শেহতীয়া কথাছবি ,ওপজা সোণৰ মাটিৰ চিত্ৰ গ্ৰহণৰ কাম শেষ কৰিছিল। ইটো সিটো বহুতো' 'ডঃ বেজবৰুৱা' 'মুকুতা' আৰু 'ললিতা'ৰ সাফল্যৰ দ্বাৰা অসমৰ কথাছবি জগতলৈ যুগান্তৰ আনোতা এই জনা স্বনামধন্য শিল্পীৰ আছিল সুন্দৰৰ প্ৰতি এক অন্তহীন আবেগ; অসমৰ কথাছবি জগতক উন্নিত কৰাৰ এটা দীঘল সপোন। কিন্তু এই সপোন দিঠকত ৰূপায়িত নোহওঁতেই, সাফল্যৰ শিখৰত উঠিবলৈ আৰু জনপ্ৰিয়তাৰ পৰিচয় পাবলৈ আৰম্ভ কৰোতেই নিয়তিয়ে 'এখন নেদেখা নদীৰ সিপাৰলৈ' লৈ গ'ল। ব্ৰজেন বৰুৱাৰ আত্মাই শান্তিৰে জিৰণি লওক ; সুন্দৰৰ বৰচৰাৰ হৈ আমি ইয়াকে কামনা কৰো।

## বিহুগীতৰ অন্য নাম : যৌৱন—

বিহু যেনেকৈ অসমীয়াৰ হৃদয়ে হিয়া-জুৰে লগা আপোন বস্তু ঠিক তেনেকৈয়ে, বিহুগীতবোৰও অসমীয়া ডেকা-গাভৰুৰ এআকাশ উৰণীয়া মন, পোৱা নোপোৱাৰ, হোৱা নোহোৱাৰ ভাবাবেগৰ মদিৰ সমলয়। আকাশে বতাহে, হাবিয়ে-

বননীয়ে অসমৰ বিহু বলীয়া ডেকা-গাভৰুহতৰ বুকুৰ দৰদবোৰ, বিবক্ষাবোৰ বিহুগীত হৈ বিয়পি পৰিল। নৈৰাশ্য, আশাবাদ, মিলন বিচ্ছেদ, নিবেদন প্ৰত্যা-খান এইবোৰতো পুৰণা নহয়—এইবোৰ চিৰ নতুন সচাঁ বস্তুয়েই বিহুগীতৰ প্ৰাণ। যদি আমি সূক্ষ্ম দৃষ্টিৰে বিশ্লেষণ কৰি চাওঁ তেতিয়াহলে দেখিবলৈ পাওঁ বিহু গীতৰ কাব্যিক সৌন্দৰ্য্যৰ তুলনা নাই। আশা-নিৰাশা, প্ৰকৃতিৰ অনবদ্য ৰূপ, প্ৰেম-প্ৰণয় সকলো আমি পাওঁ। বিহু-বলীয়া ডেকাই 'বাহঁৰ আগলৈ" 'কোন ডাল পোন' কেবল তাকে চোৱা নাই। আকাশত দেখিছে 'তৰাই জকমকাই' লুইতত দেখিছে 'বৰে কৈ চাপৰি'—তাৰো-পৰি দিহিং নৈ তেওঁ এৰি দিব পাৰে, দিচাং নৈও পাৰে কিন্তু মনৰ মানুহজনীৰ মৰম চেনেহ তেওঁ কাহানিও এৰিব নোৱাৰে। প্ৰেম প্ৰতাখ্যাত হৈ কোনোবা বিহুৱা ডেকাই গাইছে—

'স্মৃতি থাকিব অজৰ অমৰ ভাৱে
ভাগিব প্ৰতিমা মোৰ,
থমকি থমকি নিৰবে বাজিব
নোহোৱা মিলনৰ সুৰ।'

প্ৰেয়সীয়েও হয়তো ভগৱানকেই ভঙা-পতাৰ একমাত্ৰ গৰাকী বুলি প্ৰত্যয় মনাবলৈ বৃথা চেষ্টা কৰি কৈছে—

ৰচিলে কি হব প্ৰেমৰ কবিতা
গালে কি হব গান,
পূজিলে কি হব ধূপে তুলসীয়ে
প্ৰতিমায়ে নেপালে প্ৰাণ।

অন্য এজনে কিন্তু সাহ কৰি কৈছে—

নৈ পানী বাঢ়িছে বাঢ়ক চেনেহী
তালৈ মই নকৰো ভয়,
পানীৰে সোঁততে উটি যাম চেনেহী
পচাঁ কাঠ সাবটি লৈ।

'প্ৰেমৰ গছত গুটি নৌ লাগোতেই শতৰুৱে ডাল ভাঙিলেও" 'নৈ পানী বাঢ়িলেও, ঘৰত কেতেৰা মাত হলেও 'চিপচাকিৰ পোহৰত নিৰলা কুটিৰত" তেওঁৰ প্ৰেয়সীৰ প্ৰতিচ্ছবি আঁকিবই, ভাটিলৈ গৈ শিমলু তুলা আনিবই, তেওঁৰ সাহ আছে। শেষত একো নহলে হয়তো তেওঁ মনৰ মানুহজনীক কব 'সীমান্তৰ ৰণলৈ বলা যাওঁ মৰমী ......।" এই বিহুগীতবোৰত কি নাই বাৰু? আছে ক্ষোভ, আছে দৰদ।

কল্পনাৰ সাগৰখন দেখি পোৱা হলে
পাৰত ললো হেতেন ঘৰ,
প্ৰেমৰে দেৱতাক লগ পোৱা হলে
মাগি ললো হেতেঁন বৰ।

'বৰ মাগিবলৈ নেপালে'ও 'লতা বগাবলৈ টান' হলেও 'অন্তিমৰ সময়ত বিচনাৰ কাষতে বহি মাত লগোৱাৰ' প্ৰতিশ্ৰুতিৰে 'প্ৰেম ফুলৰ বিহুৱান' বৈ দিবলৈ কোনোবা কিন্তু তেওঁৰ জীৱনলৈ আহে। কাৰণ তেওঁতো নিশ্চয় নোকোৱাকৈ নাথাকে

"সেইজোপা গছৰে কোনো এটি ডালতে এৰি দিম জীৱনৰে শোক ।"·········এৰা এইবোৰ কথাত প্ৰাণ আছে । এইবোৰ যৌৱন যৌৱন লগা কথা । ফাগুন ফাগুন লগা উৰণীয়া প্ৰেমৰ কথা । এইবোৰতে ইমান মিঠা আবেগ থকা কাৰণেই এইবাৰ অসমৰ বিহুৱা দল এটাই পাটলিপুত্ৰৰ আকাশ বতাহ কপাঁই আহিলে গৈ । এনে ধৰণৰ যৌৱন যৌৱন লগা কথাবোৰ ভাঙনি কৰি দিয়াত বোলে পাটলিপুত্ৰৰ ৰাইজ অধীৰ হৈ উঠিছিল । ৰাজ্যপাল দেৱকান্ত বৰুৱাইও বিহুত যোগ দিছিল । এৰা, যিজন মানুহে 'গছে পাতে বিহুগীত গোৱা' শুনে ৰাজ্যপাল হল বুলিয়েই জানো বিহু ননচাকৈ থাকিব পাৰিব ?

## শেষত একাষাৰঃ

'এইবাৰ সুন্দৰৰ বৰচ'ৰাটি মনোগ্ৰাহীকৈ চপোৱাৰ ইচ্ছা আছিল । কিন্তু ঠাইৰ অভাৱত সেয়া কৰিব পৰা নহল । এইখিনিতে পঢ়ুৱৈৰ সমাজক কিঞ্চিত্‍মানো আনন্দ দিব পৰাতেই আমাৰ সাৰ্থকতা । শেষত আন্তৰিক শ্ৰদ্ধা আৰু প্ৰীতি সম্ভাষণেৰে মেলানি মাগিলোঁ । ধন্যবাদ । ॥ ইতি ॥

পৰিচালনা

– হিতেশবিকাশ গগৈ

– মোহন সোনোৱাল

## দৃষ্টিভঙ্গী

লিখক কাক কয় ? যিজনে এটা বাক্য নিৰ্ম্মান কৰি আনন্দ পায় আৰু যাৰ বাক্য নিৰ্ম্মানৰ ক্ষমতা আছে তেওঁকেই লিখক বুলি কোৱা হয় ।

ৰবাৰ্টলীণ্ড্ ।

নিজৰ জীৱনত সদায় বৰ্জোৱাৰ দৰে সাধাৰণ আৰু নিয়মীয়া হবলৈ শিকিবা ; তেতিয়াহে কামৰ মাজেদি তুমি নিজৰ উগ্ৰতা আৰু মৌলিকতা প্ৰকাশ কৰিব পাৰিবা ।

গুষ্টাভ্ ফ্লবেয়ৰ ।



Miss. Rani Sarmah
Best Actress
1971-72

Miss. Manjula Dutta
Best Singer of this
year 1971-72.





**Mr. Bharat Dutta**
Best Actor 1971-72.



**Mr. Kumud Ranjan Das**
Best Literary man 1971-72.




Best Chorus Group
Mr. Bizan Hazarika and his party

" অসমৰ চৰকাৰী বেচৰকাৰী প্ৰতিষ্ঠানত চাকৰি ওলায়—
কিন্তু মোৰ দৰে দুখীয়া অসহায় লোকৰ হাজাৰটা
ইণ্টাৰভিউৱে কাম নিদিয়ে। ... দেশৰ
থলুৱা প্ৰাৰ্থীক উদ্যোগ প্ৰতিষ্ঠানত
নিয়োগ কৰিব লাগে বুলি অসম চৰ-
কাৰে বিধান সভাত নিয়োগ পৰ্য্যা-
লোচনা কমিটি এখন গঠন
কৰিছিল। ... কিন্তু মোৰ
প্ৰতিবাদ কোনেও নুশুনিলে।
∴ এয়া শ্ৰীসোনোৱালৰেই
একমাত্ৰ দৰদ সহয়।
দৰদ কাৰ?
বহুতৰ!
তেন্তে ?

# ॥ প্ৰাচীৰ ॥

শ্ৰীমোহন সোণোৱাল
২য় বাৰ্ষিক (কলা)

দেউতা,

আপোনাৰ মৃত্যুৰ কাৰণটোৱে মোক একেবাৰে বিব্ৰত কৰি তুলিছে। কোনো কথা নভবা নিচিন্তাকৈ আত্ম-সন্মানৰ আঘাট অকণক সহ্য কৰিব নোৱাৰি আপুনি আত্মহত্যাৰে মৃত্যুৰ পথ বাচি ললে। ইয়াৰ ফলত হয়তো আপুনি সংসাৰৰ ঘাটপ্ৰতিঘাটৰ পৰা মুক্তি পালে। কিন্তু দেউতা আপুনি বাৰু পোনাকন আৰু গাভৰু ছোৱালী কেইজনীৰ মুখলৈ চাই কিয় সেইকন আঘাটক সহ্য কৰিব নোৱাৰিলে? সংসাৰ চলোৱাৰ সকলো দায়িত্ব নৌবুজোতেই আপুনি কিয় বাৰু এজনী বয়সে আচোৰি যোৱা বাইদেউ আৰু তিনিজনীকৈ গাভৰু ভণ্টীৰ গধুৰ দায়িত্ব মোৰ ওপৰত জাপি থৈ গল। মই যে কিমান কান্দিছিলো। চাকৰিৰ সন্ধানত দিনৰ দিনটো ঘুৰি

ঘূৰি নিশা টোপনিত লালকাল হৈ বিচনাত পৰি আছিলোঁ। নিচেই পুৱাতে ভণ্টিহঁতৰ কান্দোনত সাৰ পাই উঠি দেখিছিলো পচুলিৰ বকুল জোপাত আপোনাৰ দেহাটো ওলমি আছে। ভণ্টি-হঁতৰ লগতে মযো তেতিয়া কান্দি কান্দি অচেতন হৈছিলো। মাৰ মৃত্যু হোৱা এবছৰ হোৱা নাই। ইমান সামান্য কথা এটাত আপুনি কিয় বাৰু আত্মহত্যা কৰিলে? মাৰ মৃত্যুৰ বেদনাই আমাৰ মনৰ পৰা শেষ হৈ যোৱা নাই আজি আকৌ আপুনিও সেই একে বেদনাকে দি আমাৰ মাজৰ পৰা গুচি গ'ল। সৰুতে আপুনি কোৱা সাৰুৱা কথাবোৰ আজি মোৰ বৰ মনত পৰিছে। আপোনাৰ উপদেশ, আশীৰ্ব্বাদ এইবোৰে মোক মহৎ হবলৈ প্ৰেৰণা যোগাইছিল। কিন্তু সেই কথাবোৰ আপুনি নিজেই পাহৰি গ'ল। সংসাৰত জীয়াই থাকিবলৈ হলে ঘাট প্ৰতিঘাট আছেই। ধনী দুখীয়া সংসাৰত থাকিবই। এয়া আদিতম সত্য। সংঘাটে আনি দিয়ে জীৱনৰ তৰঙ্গ। জীয়াই থকাৰ অনেক পথ আছে দেউতা, মাথো লাগে সংঘাট অতিক্ৰম কৰা শক্তি আৰু সাহস। সেয়েহে ধৈৰ্য্য ধৰিছিলো। আমি দুখীয়া; আমাৰ পদে পদে অভাৱ অভিযোগ আছে, বাধা বিঘিনি আছে; তথাপি আমাৰ দিনবোৰ সুখেৰেই আগবাঢ়িছিল। অন্ততঃ আপোনাৰ প্ৰেছৰ চাকৰিটো আছিল। কষ্টৰ বিনিময়ত পোৱা টকা কেইটাৰে আমাৰ সৰু পৰিয়ালটো চলি যোৱাত কোনো অসুবিধা হোৱা নাছিল। মাহৰ শেষত অৱশ্যে দিগদাৰ হৈছিল যদিও মায়ে কোনোমতে জোৰা টাপলি মাৰি চলাই দিছিল। এইবোৰ জীৱন সংগ্ৰামৰ সৰু সৰু কথা আপুনি কিয় পাহৰি গ'ল দেউতা! আজি এবছৰৰ আগতে পুৰণি ৰোগটোত মাৰ মৃত্যু হ'ল। মাক মই দেখা নেপালোহি। মই যে কিমান দুৰ্ভগীয়া দেউতা! সেই-বোৰ কথা মোৰ স্মৃতিৰ মণিকোঠত সাঁচি ৰখা কথা। আপোনাৰ আশা আছিল মই পঢ়ি শুনি ডাঙৰ মানুহ হব লাগে। ঘৰখনলৈ এটি চিৰ নতুন সুখৰ ৰেঙণি আনিব লাগে। আপুনি মোৰ কাৰণেই দিনৰ দিনটো প্ৰেছত খাটে; মাই কষ্টকো কষ্ট নুবুলি দুই এপইচা আৰ্জ্জে। ভনিকেইজনীয়েতো পঢ়া শুনা কৰিবই নোৱাৰিলে। মযো আপোনাৰ আৰু মাৰ আশীষ শিৰত লৈ ভাল হবলৈ যত্ন কৰিছিলোঁ।

জানে দেউতা আজি মোৰ অতীতৰ কিছুমান কথা বৰকৈ মনত পৰিছে। আপোনাৰো চাগে মনত আছে। আমি তেতিয়া স্কুলত। সেই সময়ত দেশত

সমাজবাদৰ ধ্বনি উঠিছিল। এদল মানুহে, সমাজবাদী সকলে প্ৰচাৰ কৰি ফুৰিছিল দেশৰ সকলো মানুহ সমান হব লাগে। ধনী আৰু দুখীয়াৰ কোনো ভেদ থাকিব নালাগে। কষ্টৰ বিনিময়ত সকলোৰে দুবেলা দুমুঠি খাবলৈ পাব লাগে। এই শ্লগানবোৰে মোৰ অন্তৰতো তেতিয়া বাৰুকৈয়ে ৰেখাপাত কৰিছিল দেউতা। কিন্তু দুৰ্নীতিৰে ভৰা দেশখনত সমাজবাদৰ সলনি এখন ভেজাঁল দেশহে সৃষ্টি হ'ল। চকুৰ আগতে এইবোৰ দেখি দেখি আমনি লগাত এদিন সমাজবাদৰ চিন্তা বাদ দিলো। কি কৰিম উপায় নাই আমি যে ইমান দুৰ্ব্বল। সচাঁ কথা কি জানে দেউতা, আমাৰ বাহুত বল আছে সাহস নাই। মোৰ দৰে হাজাৰজন যুৱকৰ বাহুৰ শক্তিবোৰ লাহে লাহে লোপ পাই আহিছে। তাৰ পাচত এইবোৰ কথা পাহৰি যাবলৈ চেষ্টা কৰিলো।

পঢ়া শুনাত পুনৰ মন দিলো। মোৰ কাৰণে একমাত্ৰ গৌৰৱৰ কাৰণ কি জানে দেউতা, ভগবানৰ আশীৰ্ব্বাদ আৰু আপোনালোকৰ মঙ্গল কামনাত মই এবাৰো বেয়া নকৰাকৈ বিশ্ববিদ্যালয়ৰ সন্মানীয় ডিগ্ৰী এটা লবলৈ পালোঁ। ইয়াৰ বাহিৰে জানো মোৰ কাৰণে আৰু অন্য কিবা গৌৰৱৰ কথা থাকিব পাৰে?

কলেজত পঢ়ি থাকোঁতে মই যে কিমান কষ্টক বুকুত সাবটি লৈছিলো সেইবোৰ কথা কাকো জানিব দিয়া নাছিলোঁ। আপোনালোকে দিয়া সৰু অঙ্কৰ টকা কেইটাৰে সস্তীয়া ভাড়া ঘৰ এটা যোগাৰ কৰি মোৰ কলেজীয়া জীৱন আৰম্ভ কৰিছিলো। পঢ়াৰ মাচুল মোৰ কাৰণে যোগাৰ হৈছিল চৰকাৰে দিয়া বৃত্তিৰ টকাৰে। অভাৱ হলেও কষ্ট স্বীকাৰ কৰি সকলো সহ্য কৰি দিনবোৰ অতিবাহিত কৰিছিলো। পুৱাৰ সময় ছোৱাত এটা টিউচন যোগাৰ কৰি লৈছিলো। সকলো কিতাপপত্ৰ কিনি পঢ়াটো মোৰ কাৰণে সম্ভৱ নাছিল। কলেজৰ ক্লাচবোৰ কৰাৰ পাচত আজৰি সময়কনত মই লাইব্ৰেৰীত সোমাই পঢ়াশুনা কৰিছিলো। লাইব্ৰেৰীতে মই প্ৰায় মোৰ প্ৰয়োজনীয় টোকাবোৰ লিখি লৈছিলো। কিতাপৰ কাৰণে যে মোৰ কিমান কষ্ট হৈছিল। তেতিয়া এইবোৰ কষ্টক সামান্য কষ্ট বুলি মই স্বীকাৰ কৰিছিলোঁ। তথাপি সংঘাটে আমাক এৰা নিদিয়ে দেউতা! বি-এ পৰীক্ষা শেষ হবলৈ মাথোন দুটা দিন বাকী আছিল। সেই সময়তে মই মাৰ মৃত্যুৰ সংবাদ পালো। বহুতো ধৈৰ্য্য ধৰিলো। তেতিয়া মই ঘৰলৈ দৌৰি নাহিলো। বেদনাৰে ভৰা এখন অন্তৰ লৈ পৰীক্ষাটো

শেষ কৰি ঘৰলৈ আহিলো। তেতিয়া দেখিছিলোঁ আপোনালোক শোকত বিহ্বল। মোক দেখাৰ লগে লগে যে আপোনালোকে হুৰাওৱাৰে কান্দি পেলাইছিল। সেইবোৰ দৃশ্য মবহি যোৱাই নাই দেউতা! এইয়া আকৌ আপোনাৰ মৃত্যুৰ লগে লগে জীয়া বেদনা কিছুমানক সাৰটি ললোঁ।

মাৰ মৃত্যুৰ পাচত মই ডিষ্টিংচন সহকাৰে বি, এ পাছ কৰিলো। সেইদিনা আমাৰ ঘৰখনত আনন্দৰ যি এখন ছৱি দেখিছিলোঁ তেতিয়া যে মোৰ মালৈ ইমান মনত পৰিছিল। আনহাতেদি সেই সময়তে আপুনিও চকুৰ দৃষ্টি কম হোৱাত চাকৰিৰ পৰা অৱসৰ পাইছিল। বিশ্ববিদ্যালয়ৰ সন্মানীয় ডিগ্ৰী এটা পোৱাৰ পাচত মই ভাবিছিলোঁ দৰিদ্ৰতাই গ্ৰাস কৰা আমাৰ ঘৰখনক চাকৰি কৰি উপাৰ্জন কৰা টকাৰে টনকীয়াল কৰিম। সেয়ে আপোনাৰ চাকৰিৰ শেষত মোৰ ছাত্ৰজীৱনৰ যতি পৰিল। জীৱনৰ সকলো উচ্চ আকাংখ্যা বাদ দি চাকৰি এটি যোগাৰ কৰিবলৈ চেষ্টা কৰিলো। তেতিয়া আপোনাৰ দৰে ময়ো ভাবিছিলোঁ বি, এ পাচ কৰিলোঁ যেতিয়া নিশ্চয় অতি সোনকালে চাকৰি এটা পাম। কিন্তু মোৰ দুৰ্ভাগ্য দেউতা অসমৰ চৰকাৰী বেচৰকাৰী উদ্যোগ প্ৰতিস্থানত যিমানে চাকৰিৰ সম্ভেদ পালো মই সকলোতে আবেদন কৰিলো, ইণ্টাৰভিউ দিলো কিন্তু কতো চাকৰি এটা নাপালো। জানে দেউতা, অসমৰ চৰকাৰী বেচৰকাৰী উদ্যোগ প্ৰতিস্থানত চাকৰি ওলায় কিন্তু মোৰ দৰে দুখীয়া অসহায় লোকৰ হাজাৰটা ইণ্টাৰভিউৱে কাম নিদিয়ে। পাচত শুনিবলৈ পাওঁ সেইবোৰ চাকৰি বহিৰাগত কিছুমান লোকেহে পায়। তেতিয়া মই ইমান বিদ্ৰোহী হৈ পৰো! দেশৰ থলুৱা প্ৰাৰ্থীক উদ্যোগ প্ৰতিস্থানত নিয়োগ কৰিব লাগে বুলি অসম চৰকাৰে অসম বিধান সভাত নিয়োগ পৰ্য্যালোচনা কমিটি গঠন কৰিছিল। কিন্তু এই কমিটি গঠন হোৱাৰ পাচতো দেখিলো অসমৰ প্ৰায়বোৰ উদ্যোগ প্ৰতিষ্ঠানত বাহৰাগত লোকে চাকৰি কৰি জীৱিকা নিৰ্ব্বাহ কৰে। এনেবোৰ দুনীৰ্তি মূলক কাৰ্য্যৰ কাৰণে মই প্ৰতিবাদ জনাই কেইবাবাৰো বাতৰি কাকতৰ সম্পাদকলৈ চিঠি লিখিলো। কিন্তু মোৰ প্ৰতিবাদ কোনেও নুশুনিলে। এটা কথা প্ৰতি মুহূৰ্ত্ততে ভাবিবলৈ বাধ্য হওঁ যোৱা পোন্ধৰ বছৰকাল ত্ৰিপাঠী অসমৰ শ্ৰম আৰু উদ্যোগ মন্ত্ৰী হৈ থাকিল। এই ইমান দীঘল সময় হোৱাতো অসমৰ থলুৱা লোকে দেশৰ উদ্যোগ প্ৰতিস্থানত চাকৰি পাব লাগে বুলি এষাৰ মাত মতা তেখেতৰ

মুখত নুশুনিলোঁ। এনেবোৰ দুৰ্নীতি দেখি মোৰ সৰু অন্তৰখন একেবাৰে ভাগি পৰিছিল। দেউতা, তেতিয়া আপোনাৰ, বাইদেউ আৰু ভনীকেইজনীৰ শুকান মুখ কেইখনে মোক বৰ চিন্তান্বিত কৰি তুলিছিল। চাকৰি বিচাৰি বিচাৰি আমনি লগাৰ পাচত অটো ৰিক্সা চলোৱাৰ কথা ভাবিলো। তাৰ কাৰণে এখন পাৰমিটৰ আবেদন কৰিলো। কিন্তু মোৰ হাতত পাৰমিটৰ কাৰণে আগধন নাছিল। টকা ঋণ লবলৈ চৰকাৰৰ ওচৰত আবেদন কৰিলো। কিন্তু পৈত্তিক সম্পত্তি নিচেই কম হোৱাৰ কাৰণে টকা ঋণ নাপালো।

তাৰ পাচত দেশৰ পঞ্চম সাধাৰণ নিৰ্ব্বাচন আহিল। জানে দেউতা তেতিয়া মই মোৰ ব্যক্তিত্বক বিক্ৰি কৰিলো। চৰকাৰৰ পক্ষে সমৰ্থন জনাই ইফালে সিফালে ঘূৰিলো। অৱশেষত আমাৰ দলৰ নিৰঙ্কুশ ভোটৰ ব্যৱধানত জয় হ'ল। দেউতা, সাধাৰণ নিৰ্ব্বাচনৰ কেইমাহমানৰ পাচতে খবৰ পালো মোৰ কাৰণে অসমৰ গড় কাপ্তানি বিভাগত লৱাৰ ডিভিজনত চাকৰি এটা ওলাল। মাহৰ পহিলা তাৰিখে কামত ভৰ্ত্তি হব লাগে। সিদিনা নিয়োগ পত্ৰ লৈ মই ঘৰলৈ দৌৰি আহিছিলোঁ। আপোন লোকে তেতিয়া মোৰ সু-সংবাদটি পাই কিমান যে সুখী হৈছিল। বাইদেউ ভনীহঁতে সিদিনা আনন্দতে মাৰ ফটোখনৰ কাষত এগছি বন্তি জ্বলাই দিছিল। তেতিয়া যে মই কিমান আনন্দিত হৈছিলো। দুৰ্ভাগ্য যেতিয়া একেলগে আহে হয়তো সৌভাগ্যও লগে লগে আহে। সুখৰ বিষয় সেই সময়তে আমাৰ ঘৰখনলৈ আৰু এটা সুসংবাদ আহিছিল। আমাৰ বাইদেউক এজন মানুহে চাবলৈ আহিল। আপোনালোকে কৈছিল মানুহজনে চহৰৰ কোনোবা এটা অফিচত চাকৰি কৰে। পিচত সেই মানুহজনে বিয়াৰ প্ৰস্তাৱ দিছিল। ধুমধামেৰে আমি বিয়াৰ আয়োজনত লাগিছিলোঁ। আপুনি পৈত্তিক সম্পত্তি আমাৰ ঘৰৰ কাষত লাগি থকা মাটি বিঘা হৰিধন মহাজনক এহেজাৰ টকাত বন্ধক দিছিল। কিন্তু দেউতা, সেয়া আছিল আমাৰ কাৰণে ক্ষণিকৰ আনন্দ। ক্ষণিকৰ আনন্দত আমাৰ সৰু পৰিয়ালৰ প্ৰাণী কেইটা আত্মহাৰা হৈ পৰিছিলোঁ। কিন্তু দুখৰ বিষয় যে অসমৰ নতুন চৰকাৰে ঘোষণা কৰিলে আৰ্থিক দিশত অসম চৰকাৰ দেউলীয়া মৰাত নতুনকৈ নিযুক্তি দিয়া চাকৰি প্ৰাৰ্থীসকলক সোনকালে বাতিল কৰিব লাগে। কথামতে মোৰ পাৰ লগীয়া চাকৰিটোও গ'ল। মোৰ দৰে

হাজাৰজন লোক নিবনুৱা হ'ল। এই অভাৱনীয় বাতৰিটো পাই আপোনাৰ কেনে অৱস্থা হৈছিল তেতিয়া মই বুজিব পৰা নাছিলো। মই আপোনাৰ সেতা পৰা মুখখনিলৈ চাই আছিলো। অকল ইমানেই নহয় দেউতা, ধুমুহা আহিলে অকলে নাহে, আহিলে শিলে বৰষুণে গাজনি ঢেৰেকনিৰে আহে। হঠাতে আকৌ এটি অভাৱনীয় সংবাদ পালো। বাইদেউৰ কাৰণে যিজন মানুহে বিয়াৰ প্ৰস্তাৱ দিছিল সেই মানুহজনে খবৰ পঠালে বিয়া হেনো আৰু নহয়। তেখেতৰ পৰা আন কোনো কাৰণ আৰু নেজানিলোঁ। এই সংবাদ পোৱাৰ লগে লগে আপুনি ব্ৰজপাত পৰা মানুহৰ দৰে জঠৰ হৈ ৰৈ থকা দৃশ্য মাথোন মোৰ মনত আছে। সেইদিনা বাইদেউ-জনীৰ অৱস্থা কেনেকুৱা হৈছিল! আপুনি হয়তো আত্মসন্মানৰ এই আঘাট-কন সহ্য কৰিব নোৱাৰি আত্মহত্যাৰ পথ ললে আৰু সিদিনাই সামান্য ত্ৰুটি কথা লিখি আত্মহত্যা কৰিলে। কিন্তু দেউতা, আপুনি ভাবি নাচালে কিয় সেই মানুহজনৰ বিৰুদ্ধে আমি মানহানিৰ মোকৰ্দমা জাৰি কৰিব পাৰিলোহেতেঁন। পোনাকন, ডাঙৰবা, পুতু, দুলু আৰু মাকনক কিয় পাহৰি গল দেউতা? এই অভাগা পোনাকনৰ কাৰণে কিয় অকনো নাভাবিলে। যোৱাকালি আপুনি হৰিধন মহাজনৰ ধাৰ কৰা বাকী টকাৰে আপোনাৰ শ্ৰাদ্ধ সমাপন কৰিলো। জানে দেউতা, বাইদেউ আৰু ভনীহঁতৰ শুকান মুখ কেইখনলৈ চাই মই আকৌ চাকৰি বিচৰাত লাগিছো। এষাৰ কথা দেউতা, আপোনাৰ পোনাকন এতিয়াও মৰি যোৱা নাই। মোৰ এই দুবাহুত তেজ আছে যেতিয়া সংগ্ৰামৰ কঠিয়া-তলিত শ্ৰমৰ মৰ্য্যাদাৰে সোণগুটি বিচাৰি উলিয়াম। কিন্তু মই যে চাৰিওফালে আন্ধাৰ দেখিছো। উহ্ মোৰ চাৰিওফালে চকুলোৰে বাট ভেটি ধৰিছে। মই কোনফালে যাওঁ বাৰু দেউতা? মই যে অসহায় !!!

# স্বাধীনতাৰ ৰূপালীজয়ন্তী : — এটি তাৎপৰ্য্য

শ্ৰীবসন্ত কুমাৰ বৰা
৩য় বাৰ্ষিক, কলা

পোন্ধৰ আগষ্ট। ভাৰতীয় ইতিহাসৰ সৰ্ব্বকালৰ, সৰ্ব্বক্ষণৰ, অতীব প্ৰয়োজনীয় দিনটো। স্বাধীনতাৰ ২৫ বছৰ পূৰ্ণ কৰি এইবাৰ ১৫ আগষ্টই ভাৰতবাসীৰ বাবে কঢ়িয়াই আনিছে স্বাধীনতাৰ ৰূপালীজয়ন্তী মহোৎসৱৰ ৰংৰহইচ। এটি মহানন্দৰ মধুক্ষণ। এই মহালগ্ন কোটী কোটী ভাৰতবাসীৰ বাবে প্ৰকৃততে আনন্দৰ, ঐতিহ্যৰ আৰু গৌৰৱৰ ক্ষণ হ'ব পাৰে নে? স্বাধীনতাৰ ৰূপালীজয়ন্তী অতিক্ৰম কৰিবলৈ ওলোৱা সময়ত, আমাৰ এই বৃহৎ দেশখনৰ, বৃহৎজনগোষ্ঠীৰ বাবে অৰ্থনৈতিক আৰু সামাজিক দিশৰ নৱ-মূল্যায়ন সম্ভৱ হৈ উঠিছেনে? আমি প্ৰকৃততে স্বাধীনতাৰ আস্বাদ পাবলৈ সমৰ্থৱান হৈছোনে? আমাৰ স্বাধীনতাৰ স্বাদ' কেইজনে পাইছে? আমি সচাঁকৈয়ে এখন স্বাধীন দেশৰ জনতা নে,— যি স্বাধীনতাৰ কাঁচিয়লি ৰ'দত নিজৰ গা টগাই লবলৈ আমি পঁচিশ বছৰে সক্ষম হ'ব পাৰিছো? এইয়া — ৰূপালী জয়ন্তীৰ প্ৰক্কালত কোটী কোটী জনতাৰ মনলৈ অহা সহস্ৰ প্ৰশ্ন আৰু আত্মজিজ্ঞাসাৰ পূৰ্ণতম সময়। এইয়া বিগত দুটা যুগৰ পোৱা-নোপোৱাৰ খতিয়ান বিচাৰ কৰি চোৱাৰ সময়। এইয়া বহুতো প্ৰশ্নৰ সময়। এইয়া অনাগত দিনৰ বাবে স্বপ্ন দেখাৰ সময়। এইয়া স্ব কষ্টোপাৰ্জ্জিত স্বাধীনতাৰ মহা-মূল্য উপলব্ধি কৰাৰ সময়। ভাৰতীয় গণৰাজ্যৰ স্বাধীনতাৰ ৰূপালী জয়ন্তী উদ্‌যাপনৰ সময়। এই সময় আমাৰ বাবে আত্ম-বিশ্লেষণৰ সময়।

আজিৰ পৰা ২৫ বছৰৰ আগতে আমাৰ এই দেশখনে বৃটিশ সিংহৰ বিৰুদ্ধে প্ৰায় অৰ্দ্ধ শতিকাজুৰি অবিৰাম অহিংস সংগ্ৰাম চলাই স্বদেশক পৰৰ হাতৰ পৰা বন্ধন জিঞ্জিৰি চিঙি বন্ধন

মুক্ত কৰিছিল। আমাৰ দেশ তথাকথিত অৰ্থত স্বাধীন হৈছিল। আৰু সেই মহা মূল্যবান স্বাধীনতা লাভৰ আজি একুৰি পাঁচ বছৰ পূৰ্ণ হ'ল। গোটেই দেশজুৰি এটি উলহমালহ আৰু উৎসৱ মুখৰ পৰিবেশ বিৰাজ কৰিছে। ভাৰতীয় গণৰাজ্যৰ স্বাধীনতাৰ ৰূপালীজয়ন্তী পৰিছে।

ৰূপালীজয়ন্তীৰ তাৎপৰ্য্য তেতিয়াহে ৰক্ষা পৰিব—যেতিয়া ভাৰতৰ প্ৰত্যেক জন জনতাই হৃদয়েৰে উপলব্ধি কৰিব পাৰিব স্বাধীনতাৰ মূল্য। স্বাধীনতাৰ সোৱাদ আজি কেইজনমান মানুহে লবলৈ সমৰ্থ হৈছে আৰু সমাজৰ অধিক সংখ্যক লোকেই বঞ্চিত হব লগা হৈছে। যোৱা আঢ়ৈ দশকৰ পোৱা নেপোৱাৰ খতিয়ান হিচাব কৰিলে দেখা যাব নোপোৱাৰ বেদনাই অধিকাংশ জনতাক ক্ষুব্ধ কৰি ৰাখিছে। দাৰিদ্ৰতা, বৈষম্য আৰু দুৰ্নীতিয়ে সমাজক পঙ্গু কৰি ৰাখিছে। কৰ্ম্মসংস্থানহীনতা আৰু অভাৱৰ তাড়ণাই অধিকাংশ জনতাক মূক কৰি আজিও ৰাখিছে। সন্দেহ হয়—এনে অৱস্থাত, স্বাধীনতাৰ ৰূপালী জয়ন্তীত কিমানৰ মন ৰূপালী হল।

আমাৰ আজি সংকল্প হোৱা উচিত কি? ৰূপালী জয়ন্তীৰ পৱিত্ৰ তিথিত—আমি সংকল্প লও, আমাৰ সমাজ, আমাৰ দেশক নতুন ৰূপত গঢ় দিয়াৰ। আগন্তুক সোণালী জয়ন্তীত যাতে আমাৰ দেশ ৰূপালী জয়ন্তীৰ দিনতকৈ বহু উন্নত, বহু সুন্দৰ হয়। ৰূপালী জয়ন্তী সংকল্প লোৱাৰ উৎসৱ, ৰূপালী জয়ন্তী প্ৰতিজ্ঞা কৰাৰ ক্ষণ – সমাজখন বহু সুন্দৰ, নিকা, শোষণ মুক্ত কৰাৰ। আমাৰ অনুৰোধ স্বাধীনোত্তৰ কালত জন্ম লোৱা প্ৰত্যেক-জন নতুন পুৰুষৰ পণ হোৱা উচিত, ৰূপালী জয়ন্তীৰ সময়ত যিখিনি আমি বৈষম্য, দাৰিদ্ৰ্য, দুৰ্নীতি আৰু শোষণ দেখিছো—সেই সকলোখিনি এতিয়াৰ পৰা নিৰ্ম্মূল কৰাৰ মহান দায়িত্ব গ্ৰহণ কৰক।

# কানৈ কলেজৰ ৰূপালী জয়ন্তী উৎসৱৰ কাৰ্য্য বিৱৰণী

যোৱা ফেব্ৰুৱাৰী মাহৰ ৫, ৬ আৰু ৭ তাৰিখে কলেজ প্ৰাঙ্গণত ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ কলেজৰ ৰূপালী জয়ন্তী অৰ্থাৎ পচিশ বছৰীয়া মহোৎসৱ পালন হয়। শ্ৰীঅশ্বিনীচৰণ চৌধুৰী প্ৰমুখ্যে কেইজনমান উদ্যোগী ভদ্ৰলোকৰ চেষ্টাত 'ডিব্ৰুগড় কলেজ' নামেৰে এই কলেজ প্ৰতিস্থা হয় ১৯৪৫ চনৰ ১৫ জুন তাৰিখে। গতিকে সময়ৰ পিনৰ পৰা চালে ১৯৭০ চনতে ৰূপালী জয়ন্তী পাতিব লাগিছিল। সেই উদ্দেশ্যে চেষ্টাও চলোৱা হৈছিল, কিন্তু কাম আগ-নবঢ়াত ১৯৭১ চনৰ ডিচেম্বৰ মাহৰ শেষ-ভাগত উৎসৱ পাতিবলৈ চূড়ান্ত ভাবে স্থিৰ কৰা হল। প্ৰস্তুতিয়ে ভালেখিনি অগ্ৰগতি লাভ কৰিলে কিন্তু ইতিমধ্যে ভাৰত পাকিস্তান যুদ্ধ আৰম্ভ হৈ যোৱাত এক অনিশ্চয়তাৰ সৃষ্টি হল; ফলত উৎসৱ পালনৰ দিন পিচুৱাই ১৯৭২ চনৰ ফেব্ৰু-ৱাৰী মাহলৈ নিব লগাত পৰিল। উৎসৱ পালনৰ কাৰণে যিখনি সমিতি পতা হৈছিল তাৰ সভাপতি আছিল অধ্যক্ষ শ্ৰীসুশীল চন্দ্ৰ দত্ত, সম্পাদক আৰু সহকাৰী সম্পাদক যথা ক্ৰমে অধ্যাপক শ্ৰীআবু নাচেৰ জিয়াউদ্দিন আহমদ হাজৰিকা আৰু অধ্যাপক শ্ৰীপ্ৰফুল্ল চন্দ্ৰ ভট্টাচাৰ্য্য। তদুপৰি উৎসৱৰ বিভিন্ন দিশৰ কাম সুচাৰুৰূপে চলাবলৈ বিভিন্ন উপ-সমিতি বিলাকত কলেজৰ শিক্ষক, ছাত্ৰ, অফিচকৰ্মচাৰীবৃন্দ আৰু উপদেষ্টা হিচাবে চহৰৰ গন্যমান্যলোক, কলেজৰ প্ৰাক্তনছাত্ৰ আৰু শিক্ষক আৰু পৰিচালনা সমিতিৰ সভ্য সকলক লোৱা হৈছিল।

ৰূপালী জয়ন্তী উৎসৱ আৰম্ভ হ'ল ৫ ফেব্ৰুৱাৰী তাৰিখে পুৱা জৰ্জ হাইস্কুল প্ৰাঙ্গণৰ পৰা কানৈকলেজলৈকে ছাত্ৰশিক্ষকৰ এটি শোভাযাত্ৰাৰে। এই শোভাযাত্ৰাই আমোলা পট্টি ছোৱালী হাইস্কুল আৰু ডিব্ৰুগড় প্ৰধান ডাকঘৰ স্পৰ্শ কৰি গৈছিল। এই তিনিও স্থান কানৈ কলেজৰ আৰম্ভনীৰ সৈতে জড়িত। তাৰ পিচত কলেজ প্ৰাঙ্গণত কলেজৰ

পতাকা উত্তোলন আৰু মহোৎসৱ উদ্বোধন কৰে শ্ৰীমহেন্দ্ৰ মোহন চৌধুৰীয়ে। কলেজৰ পঁশিচ বছৰীয়া জীৱনৰ প্ৰত্যেক বছৰৰ হৈ এটিকৈ পঁশিচটা বন্তি জ্বলায় কলেজৰ প্ৰাক্তন অধ্যক্ষ আৰু বৰ্ত্তমান ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ উন্নয়ন সমন্ধ-ৰক্ষী বিষয়া শ্ৰীলক্ষ্মী প্ৰসাদ দত্তই। কলেজৰ স্বৰ্গগত ছাত্ৰ আৰু শিক্ষক সকলৰ প্ৰতিও বেদীত তৰ্পন কৰা হয়। শ্ৰীযুত মহেন্দ্ৰ মোহন চৌধুৰী, ডঃ যোগীৰাজ বসু, শ্ৰীহৰি প্ৰসাদ কানৈ, শ্ৰীলক্ষ্মীপ্ৰসাদ দত্ত আৰু উপায়ুক্ত শ্ৰীহৰেন্দ্ৰনাথ দাস প্ৰত্যেকে কলেজ প্ৰাঙ্গণত একোটাকৈ ইউকিলিপ্টাচ গছৰ পুলি ৰোৱে। শ্ৰীহৰেন্দ্ৰনাথ দাসে ৰূপালী জয়ন্তী উপলক্ষে কলেজত হোৱা তিনিদিনীয়া বিজ্ঞান আৰু কলা সংস্কৃতি বিষয়ক প্ৰদৰ্শনীৰ দুৱাৰ উন্মোচন কৰে। প্ৰদৰ্শনীত কলেজৰ বিভিন্ন বিভাগৰ উপৰিও ডিব্ৰুগড় পলিটেক্‌নিক্, অসম চৰকাৰৰ ভূতত্ত্ববিভাগ, পৰিয়াল পৰিকল্পনা বিভাগ আৰু ডিব্ৰুগড়ৰ প্ৰাক্‌বিদ্যালয় শিক্ষক প্ৰশিক্ষণ কেন্দ্ৰয়ো সহযোগ কৰিছিল। শ্ৰীলক্ষ্মীপ্ৰসাদ দত্তই কলেজ হলত আয়োজন কৰা আনন্দ মেলাৰ উদ্বোধন কৰে।

দুপৰীয়া ২ বজাত অসমৰ ৰাজ্যপাল শ্ৰীব্ৰজ কুমাৰ নেহেৰুৱে দানবীৰ ৺হনুমান বক্স কানৈৰ প্ৰতিমূৰ্ত্তি উন্মোচন কৰাৰ কথা আছিল। তদুপৰি সেইদিনাই তাৰ পাচতে আয়োজন কৰা মুকলি সভাত তেখেতেই মুখ্য অতিথি হবলগীয়া আছিল। কিন্তু চিলঙত প্ৰবল বৰষুণ হোৱাত সেইদিনা তেওঁ আহিব নোৱাৰিলে। কলেজ অধ্যক্ষৰ অনুৰোধক্ৰমে শ্ৰীমহেন্দ্ৰ মোহন চৌধুৰীয়েই কানৈৰ মূৰ্ত্তি উন্মোচন কৰিলে। মুকলি সভাত পৌৰহিত্য কৰিছিল ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ উপাচাৰ্য্য শ্ৰীজীতেন্দ্ৰ কুমাৰ দাসে। উদ্বোধনী ভাষণত শ্ৰীমহেন্দ্ৰ মোহন চৌধুৰীয়ে আমাৰ দেশৰ অবস্থাৰ বিষয়ে সাৰুৱা ভাষণ দিছিল। অধ্যক্ষৰ আদৰণি ভাষণত কানৈ কলেজৰ আৰম্ভনিৰে পৰা এতিয়ালৈকে হোৱা উন্নয়নৰ খতিয়ান আছিল। এই অনুষ্ঠানৰ বিশেষ অতিথি অসম উচ্চন্যায়ালয়ৰ প্ৰাক্তন মুখ্যন্যায়াধীশ আৰু বৰ্ত্তমান কুৰুক্ষেত্ৰ বিশ্ববিদ্যালয়ৰ উপাচাৰ্য্য শ্ৰীশৰৎ কুমাৰ দত্তয়ো কলেজৰ অতীত ইতিহাস স্মৰণ কৰে। সেই সভাতে কলেজৰ অন্যতম প্ৰতিস্থাতা শ্ৰীঅশ্বিনীচৰণ চৌধুৰীয়ে ৰূপালী জয়ন্তীৰ স্মৃতিগ্ৰন্থখনি আনুষ্ঠানিক ভাবে প্ৰকাশ কৰে, আৰু বিশিষ্ট অথিতি সকলৰ মাজত একোখনিকৈ বিলায়। অতিথি সকলৰ মাজত ডঃ যোগীৰাজ বসু, শ্ৰীলক্ষ্মীপ্ৰসাদ দত্ত, শ্ৰীসুৰুজমল কানৈ, শ্ৰীহৰি প্ৰসাদ কানৈ, শ্ৰীবীৰেন্দ্ৰ চন্দ্ৰ

ভট্টাচাৰ্য্য, ডঃ মথুৰানাথ ভট্টাচাৰ্য্য আদি কলেজৰ লৈতে বিভিন্নদিশত সংশ্লিষ্ট ব্যক্তিৰ উপৰিও গুৱাহাটী বিশ্ববিদ্যালয়ৰ বয়োবৃদ্ধ পূজনীয় অধ্যাপক ডঃ বেঙ্কটৰাও, অসমৰ প্ৰাক্তন মন্ত্ৰী আৰু এই কলেজৰ প্ৰাক্তন ছাত্ৰ শ্ৰীদেবেন্দ্ৰনাথ হাজৰিকা, বিৰাজ আশ্ৰমৰ স্বামী বানগোবিন্দ পৰমপন্থী ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অধ্যাপক ডঃ শান্তিস্বৰূপ আৰু উপাযুক্ত শ্ৰীহৰেন্দ্ৰ নাথ দাসে। উপস্থিত আছিল। অতি বৰষুণীয়া লেতেৰা আৰু চেঁচা বতৰকো কেৰেপ নকৰি ডিব্ৰুগড় চহৰ আৰু উপকণ্ঠৰ অগনন ৰাইজ, কলেজৰ প্ৰাক্তন আৰু বৰ্ত্তমানৰ ছাত্ৰ ছাত্ৰী আৰু শিক্ষক শিক্ষয়ত্ৰীয়ে আশাতীত ভাবে যোগ দি মুকলি সভাক সুফল কৰাৰ উপৰিও কলেজৰ প্ৰতি থকা মৰম চেনেহৰো পৰিচয় দিলে। সভাৰ শেষত হোৱা চাহ মেলত সকলোৱে যোগদান কৰে। সেই-সন্ধিয়া হোৱা বিচিত্ৰানুষ্ঠানত ছাত্ৰ ছাত্ৰীৰ উপৰিও বিখ্যাত গায়িকা ৰেহানা আখ-তাৰ হান্নানেও অংশ গ্ৰহন কৰে। ৰাতিৰ অনুষ্ঠানলৈ দৰ্শকৰ অভূতপূৰ্ব্ব সমাগম হৈছিল।

উৎসৱৰ দ্বিতীয় দিনত পুৰা প্ৰাক্তন শিক্ষক আৰু ছাত্ৰছাত্ৰী সকলৰ পুনৰ মিলন হৈছিল। সভা পৰিচালনা কৰি-ছিল কলেজৰ প্ৰথম অধ্যক্ষ ডঃ যোগীৰাজ বসুৱে। অংগ্ৰহণ কৰোতা সকলৰ ভিতৰত শ্ৰীভুবন চুতীয়া, ডঃ সলিল কুমাৰ বসু, শ্ৰীমতী অনিমা দেবী, শ্ৰীহেৰম্ব বৰদলৈ, শ্ৰীবিনন্দ বৰুৱা আৰু শ্ৰীদেবেন্দ্ৰ নাথ হাজৰিকা প্ৰমুখ্যে এই কলেজৰ অনেক প্ৰাক্তন ছাত্ৰ-ছাত্ৰীয়ে। আলোচনা বক্তৃতা বেছ মুকলি বিধৰ হৈছিল। বিশেষকৈ শ্ৰীচুতীয়াৰ ভাষণত কলেজৰ শিক্ষক আৰু কৰ্তৃপক্ষৰ শিক্ষনীয় বিষয় বহুতো আছিল। সেইদিনা ৰাতি কলেজৰ শিক্ষক, ছাত্ৰ-ছাত্ৰী আৰু কৰ্ম্মচাৰী সকলৰ সহ-যোগত আব্দুল মজিদৰ বিখ্যাত নাটক 'চোৰ' সাৰ্থকভাৱে ৰূপায়িত হয়। তাৰ উপৰিও কুইভাৰ্চ, শ্ৰীমুনীন দত্ত আৰু শ্ৰীদ্বীপেন বৰুৱাই দৰ্শকৰ চিত্তবিনোদন কৰিছিল। কলেজৰ ছাত্ৰ-ছাত্ৰীয়েও এই বিচিত্ৰানুষ্ঠানত, ভাগ লৈছিল।

৭ ফেব্ৰুৱাৰীয়েই উৎসৱৰ শেষদিন। সেইদিনা পুৱা শিক্ষাৰ ওপৰত এখনি আকৰ্ষণীয় আলোচনাচক্ৰ অনুষ্ঠিত হৈছিল। ডঃ যোগীৰাজ বসু উদ্বোধক আছিল। চক্ৰত শিক্ষাৰ বিভিন্ন দিশৰ ওপৰত আলোচনা কৰিছিল গুৱাহাটীৰ অধ্যাপক অজিত কুমাৰ শৰ্ম্মা আৰু ডিব্ৰুগড়ৰ ডঃ মথুৰানাথ ভট্টাচাৰ্য্য, ডঃ টি, কে, কৃষ্ণস্বামী আয়াৰ, অধ্যক্ষ বীৰেন্দ্ৰ চন্দ্ৰ ভট্টাচাৰ্য্য আৰু স্বামী বান গোবিন্দ পৰমপন্থীয়ে। আবেলি পৰত

বৰ্ত্তমানৰ পৰীক্ষা পদ্ধতিক সমৰ্থন কৰা প্ৰস্তাৱ এটিৰ ওপৰত এখনি সুন্দৰ তৰ্কসভা বহে। ডাঃ মথুৰা নাথ ভট্টাচাৰ্য্যৰ অধ্যক্ষতাত হোৱা এনে তৰ্ক সভা কানৈ কলেজত এয়ে প্ৰথম। ইয়াত কলেজৰ শিক্ষক আৰু ছাত্ৰৰ উপৰিও ডিব্ৰুগড় উকীল সন্থা, অসম মেডিকেল কলেজ, ডিব্ৰুগড় বিশ্ব-বিদ্যালয় আৰু হাইস্কুল বিলাকেও যোগ দিছিল। প্ৰস্তাৱৰ সপক্ষে আছিল ডঃ দিলীপ কুমাৰ বৰুৱা, ইমৰাণ হুছেইন, ডঃ পি, কে ঠাকুৰ, শ্ৰীএইচ কে, ভট্টাচাৰ্য্য, শ্ৰী দি. পি, পাণ্ডে, শ্ৰীপাৰ্থসাৰথি দত্ত, আৰু শ্ৰীকেশৱ প্ৰসাদ। বিৰোধী পক্ষে, আছিল শ্ৰীচয়ফুদ্দিন আহমদ, শ্ৰীএইচ, এচ, ধিলন, শ্ৰীডিম্বেশ্বৰ চলিহা, শ্ৰীমহমদ চেলিম, শ্ৰীপ্ৰভূনাথ সিংহ, শ্ৰীএম, এন, জৈন, শ্ৰীদীপঙ্কৰ পুৰকায়স্থ আৰু শ্ৰীএইচ, ডৰ্জ্জিকা। উৎসৱৰ সামৰণি পৰে সেই-দিনাই উৎসৱৰ আতচবাজীৰে। বৰপেটাৰ শিল্পী শ্ৰীনৰহৰি পাঠকৰ আতচবাজীয়ে ৰাইজৰ মন মুহিব পাৰিছিল।

এইদৰেই কানৈ কলেজৰ ৰূপালী জয়ন্তীৰ তিনিদিনীয়া কাৰ্য্যসূচী সমাপ্ত হল। এই তিনিওদিনে জাৰ আৰু বৰষুণলৈ কৰ্ণপাত নকৰি ছাত্ৰ-ছাত্ৰী আৰু ৰাইজে তেওঁলোকৰ উপস্থিতিৰে পুৱাৰে পৰা ৰাতিলৈকে সকলো অনুষ্ঠানকে অশাতীত ভাবে সফল কৰি তুলিছিল। ইমান ৰাইজৰ বাবে বহিবৰ যথেষ্ট সুবিধা নথকা সত্ত্বেও কোনো ধৰণৰ ওজৰ আপত্তি অথবা অশান্তিৰ কথা শুনা নগৈছিল। ইমান ডাঙৰ উৎসৱ এটি যে কোনো গণ্ডগোল বা অপ্ৰীতিকৰ ঘটনা নোহোৱাকৈ পাৰ হৈ গল তাৰ বাবে আনৰ লগতে আমাৰ কলেজৰ ছাত্ৰ-ছাত্ৰী সকলো প্ৰশংসাৰ পাত্ৰ।

---

কানৈ কলেজ আলোচনীৰ বাবে ৰূপালী জয়ন্তীৰ কাৰ্য্য বিবৰণী যুগুত কৰি দিছে অধ্যাপক সুনীল বৰঠাকুৰদেৱে।

# দৃশ্যপট ঃ বিপ্লৱ আৰু মই

লম্বেশ্বৰ চেতিয়া
৩য় বাৰ্ষিক কলা

জানা বিপ্লৱ.
আমি আজিৰ মানুহ
খুউব সচা—
আমাৰ মানৱতা। কুৰিশতিকাৰ ইতিহাসৰ ডেউকাত
বিজ্ঞানৰ অত্যাধুনিকতাৰ সাজপাৰ পৰিহিত
আমাৰ জীৱন। আৰু আমাৰ পৰিচয়—
আদম-ঈভৰ পৰিনাতিৰ নাতি।

কিন্তু জীৱনজুৰি সংগ্ৰাম আমাৰ।

আৰু
আমিতো হাঁহিব নাজানো বন্ধু
লোতকত বিচাৰি যাওঁ হেৰোৱা হাঁহিৰ মণি।

মই জানো পঙ্গু (?)
অকাৰণ মোৰ যুক্তি।
আৰু জানা বন্ধু
এতিয়া বহুদূৰ বাট অতিক্ৰমি আহিলো মই।
(কিন্তু স্থিতপ্ৰজ্ঞ হবলৈ আৰু বহুত দূৰলৈ যাব লাগিব।)

আৰু জানা
গাৱঁৰ সিপাৰে থকা চেনেহী বিলৰ পাৰত
কেইটামান ধ্যানৰত বগলী।
(সুবিধাবাদী দলৰ বিহ কাঠফুলা সদৃশ মন।)

ইফালে, শ্ৰমজীৱী মানুহৰ তেজৰঙা ইতিসাহ।
কাৰো আজৰি নাই। ।ব্যস্ত পৃথিবী (?))

সময়ৰ আকাশ, মন মৰম আৰু
গানৰ হেতালিৰে আত্মহাৰা।
স্তব্ধ সায়াহ্ন বেলা বিবশ মনে মোৰ
স্বীকাৰ কৰিছে, এইয়া যুগৰ স্খলন।
আন্ধাৰবোৰ দ্ৰুতগতিৰে নামিছে;
বেহুইন চেতনাবোৰ সাৰ পালে—
'আমাক সংস্কাৰ লাগে।'

আহা,
সব্যসাচী হৈ আহি সিঁচি যাওঁ সৃষ্টিৰ ন কঠিয়া
আহা বিপ্লৱ,
তুমিযে মোৰ বাবে নতুন বন্ধু।

★ ★

আমাৰ ডি, হ, সু, কা কলেজৰ পৰা এইবাৰ (১৯৭১-৭২ প্ৰথম শ্ৰেণীৰ সন্মান সহ বিজ্ঞানৰ স্নাতক হোৱা কৃতি ছাত্ৰ কেইজন—

ৰসায়ণ বিভাগত— ১ম শ্ৰেণীৰ ১ম— দুলাল দুৱৰা
১ম শ্ৰেণীৰ ২য়— যোগেশ্বৰ দেৱনাথ
১ম শ্ৰেণীৰ ৪ৰ্থ— পূৰবী দেৱী
প্ৰদাৰ্থ বিদ্যা বিভাগত— ১ম শ্ৰেণীৰ ৬ষ্ঠ— মিনু গগৈ

কানৈ কলেজ আলোচনীৰ তৰফৰ পৰা তেওঁলোকলৈ অভিনন্দন থাকিল।

আলোচনা

# বুৰঞ্জীৰ পটভূমিত "জয়মতী উপাখ্যান"

—যতীন গোহাঁই
২য় বাৰ্ষিক, বিজ্ঞান

[সতী জয়মতীৰ বিষয়ে শ্ৰদ্ধেয় শ্ৰীবেনুধৰ শৰ্ম্মাদেৱে মনিদ্বীপৰ সতীৰ মৈদামখান্দি অস্থি বিচাৰি নেপাই হুলস্থুল লগাই সাধুকথাৰ সতীজয়মতী বুলি শেষত প্ৰতয় যাবৰ চেষ্টা কৰিছিল। কিন্তু দুই এজন পোৱালী বুৰঞ্জীবিদে বিদগ্ধ পণ্ডিত দেৱক মৈদাম খান্দোতে কোৰৰ চাবত থাকি যোৱা বিচাৰি নোপোৱা অস্থি দেখুৱাই দিয়াত কৈছিল—"অসমত বুৰঞ্জীজনা মানুহনো কিমান আছে তাকহে মই জুখি চাইছিলো"। এই প্ৰবন্ধত অৱশ্যে আমি কাকো জুখি চোৱাৰ মানস কৰা নাই। মাত্ৰ স্বৰ্গীয় সূৰ্য্য কুমাৰ ভূঞাঁদেৱৰ ৰচিত জয়মতী উপাখ্যান নামৰ কাব্য পুথিখন বুৰঞ্জীৰ পটভূমিত বিচাৰ কৰি চোৱাৰ চেষ্টা কৰিছোঁ।]

স্বৰ্গীয় সূৰ্য্যকুমাৰ ভূঞাঁ একাধাৰে কবি, সাহিত্যিক, বুৰঞ্জীবিদ্ আৰু ৰাজনীতিবিদ। ৰাজনীতিৰ কথা বাদ দিলেও ভূঞাঁদেৱ বুৰঞ্জীবিদ আৰু সাহিত্যিক হিচাবেই অমৰ হৈ ৰব। সাহিত্যিক হিচাবেও ভূঞাদেৱে যথেষ্ট খ্যাতি অৰ্জ্জন কৰিছিল। তেৱেঁই গুৱাহাটী বিশ্ববিদ্যালয়ৰ বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগৰ প্ৰতিস্থাতা বুলিব পাৰি। নিজে তেওঁ ইয়াৰ 'অনাৰেৰি ডিৰেক্টৰ' আছিল। বহুতো অসমীয়া মানুহৰ ঘৰে ঘৰে থকা প্ৰাচীন বুৰঞ্জীৰ পুথি সংগ্ৰহ কৰি ফুৰিছিল। তেওঁৰ চেষ্টাতেই দেউধাই অসম বুৰঞ্জী, তুংখুঙীয়া বুৰঞ্জী, সাতসৰি অসম বুৰঞ্জী, কছাৰী বুৰঞ্জী, ত্ৰিপুৰা বুৰঞ্জী, পাদচাহ বুৰঞ্জী আদি প্ৰকাশ পায়। তাৰোপৰি আহোমৰ দিনৰ কোৱঁৰ বিদ্ৰোহ, মীৰজুমুলাৰ অসম আক্ৰমন, ৰমনী গাভৰু, ৰাজেশ্বৰ সিংহ, বুৰঞ্জীৰ বাণী, **Atan Bura Gohain and his times, Lachit Borphukan and his times** আদি তেওঁৰ অমূল্য বুৰঞ্জী মুলক গ্ৰন্থ। বুৰঞ্জীৰ পটভূমিত খুব প্ৰাচীন কাব্যৰ আধাৰত লিখা 'জয়মতী উপাখ্যান, খনৰো ঐতিহাসিক মূল্য খুব বেছি। হেম বৰুৱাই কৈছে, "ডঃ ভূঞাৰ কাব্য দৃষ্টি আছিল হিতবাদী, এইজনাৰ বুৰঞ্জী আৰু পুৰাতত্ত্ব বৰ আপোন বস্তু।"

ভূঞাঁদেৱে এই কাব্যখন যেতিয়া লিখে তেতিয়া ইয়াক মাত্ৰ উপকাহিনী হিচাবেহে ধৰি লৈছিল ; কাৰণ তেতিয়ালৈকে ইয়াক পুৰণি বুৰঞ্জীৰ মাজত পোৱা গৈছিল। মানুহৰ মুখে মুখে চলি অহা কাহিনী, গীত, স্মৃতিচিহ্ন দ'ল পুখুৰী

লৈ ৰজিতা খুৱাই ৰচনা কৰে। উপ-কাহিনীৰ ওপৰত লিখা কাৰণেই ইয়াৰ নাম দিলে জয়মতী উপাখ্যান। সাবিত্রী, সীতা, দময়ন্তীৰ দৰে ইয়াকো এটা উচ্চ মানবিশিষ্ট কাহিনী বুলি ভাবিছিল। আৰু তাকে লৈ কাব্যৰ আধাৰত চিঞৰি গাব পৰাকৈ ছবি, দুলৰি, লেছাৰি আদি ছন্দত ৰচনা কৰে। লিখি শেষ কৰাৰ পাচত হয়তো কবিয়ে ইয়াৰ সন্ধান বুৰঞ্জীত পায়। শেষত 'ওপৰঞ্চি কথাত লিখিছে—"ইমান দিনলৈকে জয়মতী কাহিনীটো জনপ্ৰবাহ বুলিয়েই প্ৰচাৰিত হৈছিল। সম্প্ৰতি হাতে লিখা বুৰঞ্জীত জয়মতীৰ ঘটনাৰ উল্লেখ পোৱা গৈছে।" ইয়াৰ পাচত কবিয়ে বুৰঞ্জীত পোৱা ঘটনাৰ বিবৰণ দিছে। কাব্য হিচাবে কোনো ঠাইত অতিৰঞ্জনৰ চেষ্টা থাকিলেও কাহিনীটো বুৰঞ্জীৰ লগত নিবিড় সমন্ধ আছে। কাহিনীটো বুৰঞ্জীমূলক সত্য বুলি প্ৰতিপন্ন কৰিবলৈকে হয়তো কাব্যৰ শেষত জয়মতীৰ বিষয়ে প্ৰকাশ পোৱা বিভিন্ন কিতাপ পত্ৰৰ তালিকা এখনো আঁৰি দিছে।

জয়মতী উপাখ্যান ৰচনাৰ ক্ষেত্ৰত বিশেষকৈ প্ৰাচীন সাহিত্য আৰু অসমীয়াৰ 'পদ্য বুৰঞ্জীৰ' প্ৰভাৱ অস্বীকাৰ কৰিব নোৱাৰি। কাব্যৰ আৰম্ভণিত ইষ্ট দেৱতাক বন্দনা কৰি লোৱাটো প্ৰাচীন কাব্যৰ ৰীতি। কবিয়েও তাকেই কৰিছে। অধ্যায়ৰ শেষত কবিয়ে 'শ্ৰীভানু নন্দন' বুলি পৰিচয় দিছে।

১২২৮ খৃঃত টাই সকলৰ এটা ঠাল চাও চুকাফাৰ নেতৃত্বত অসমলৈ আহে। এওঁলোকেই অসমত আহোম নামেৰে পৰিচিত হৈ ছশ বছৰ ৰাজপাট খাই গ'ল। তেওঁলোকে নিজকে লেংদনৰ (ইন্দ্ৰ) সন্তান বুলি পৰিচয় দিছিল। কবিয়েও তেওঁৰ কাব্যত আহোম সকলৰ পৰিচয় এইদৰে দিছে—

'হিন্দু নৃপতিৰ অন্তে আইলা শ্যাম দেশহন্তে
টাই নামে ইন্দ্ৰৰ সন্ততি ;
ধৰিয়া আহোম নাম পালিলা অসম ধাম
আদি ভৈলা চুকাফা নৃপতি।"

চাও চুকাফাৰ বংশধৰ সকলে ১২২৮ খৃঃ ৰ পৰা ১৫৯২ খৃঃ লৈকে শান্তিৰে ৰাজ্য শাসন কৰিছিল। এনেতে উচ্চাভিলাষি দুজন বিষয়াই নিজ স্বাৰ্থৰ কাৰণে আহোম ৰাজতন্ত্ৰত টলংভটং লগাইছিল। তেওঁলোকৰ প্ৰথমজন হ'ল ডেবেৰা বৰবৰুৱা আৰু পাচৰ জন হ'ল লালুক খোলা বৰফুকন। লালুক খোলাই ৰজাক হাত কৰি নানা অপকৰ্ম্ম কৰিবলৈ আগবাঢ়িল। এই চেগতে সুবিধা চাই গদাপানিকো বধ কৰাৰ চেষ্টা কৰিছিল। কিন্তু গদাকোৱঁৰক বধ কৰা সাধাৰণ কথা নহয়। কবিৰ বৰ্ণনাত—

'গদাৰ সমান বলী নাহি ৰাজ্য মাজে,
শকত দামুৰি গোট ভক্ষে প্ৰতি সাজে।
অৰন্যে ভেণ্টয় যদি উন্মত্ত মতিঙ্গ;
গদাপানি দণ্ডেক যুজিব তাৰ সঙ্গ।
গদাৰ সন্মুখে গজ আহিলে লৰৱি;
ৰাখিবেক গদা তাক দন্তগোট ধৰি।"

গতিকে এনে এজন কোঁৱৰক দুৰ্ব্বল-চিতিয়া ৰজাই কেনেকৈ বধ কৰিব পাৰে? ৰজাই বৰফুকনক আদেশ দিলে—

যেহিমতে পাৰহ ধৰিয়া গদা,
গদাক নাপায়া পাইবা তাৰ তিৰি;
সাদৰে পুছিবা তাক স্বামীৰ বাতৰি।"

চাউদাং অহাৰ খবৰ পাই গদাপাণি পলাল। জয়মতীক স্বামীৰ বাতৰি সোধাত কবিয়ে নিজৰ ৰচনা শৈলীৰে বৰ্ণনা দিছে। বুৰঞ্জীত আছে 'বুঢ়া ৰজাক ( গদাপাণি বুঢ়া বয়সত ৰজা হোৱা কাৰণে বুঢ়া ৰজা বোলে ) বিচাৰি নাপাই ঘৈনীয়েকক পাই শাস্তিতে মাৰিলে দক্ষিণপটীয়া হা জ ৰী কা গিদাগাঠিয়ে। ...... পূৰ্ব্বে বুঢ়া ফুকনে দুইজনা গোহাঁইক ( লাই-লেচাইক ) নগা চাঙত থৈছিল। গৰ্ভসহিতে আই কুঁৱৰীক ( আই কুঁৱৰী নামেৰেহে জয়-মতীক পোৱা যায় ) শাস্তিতে মাৰিলে।"

জয়মতী থেপেনা বৰ গোহাঁইৰ জীয়েক আছিল। বৰ গোহাঁইৰ বংশা ৱলীমতে জয়মতীৰ ১৩ গৰাকী বাইভনী আছিল। টিংখাঙৰ গদা কোঁৱৰলৈ জয়মতীক চকলং প্ৰথাৰে বিয়া দিলে। জয়মতীৰ গীততো আছে –

"নেচাই বুঢ়াগোহাঁইৰ জীয়েক মোৰ আইতা
চন্দ্ৰচাৰু স্নুন্দৰী বৰ;
লাই থেপেনা বৰ গোহাঁই দেউতা
মাতৃৰী চহৰত ঘৰ।'
গদাপানী কোৱঁৰে নিলে তুংখুঙলৈ
চকলং বিয়াকৈ দি।"

লাহনৰ জীয়ৰী সিদ্ধেশ্বৰী কুঁৱৰী তেওঁৰ চেনেহৰ শাহুআই আছিল। মাত্ৰ কুৰিদিন ৰাজ্য শাসন কৰা গোৱৰ কোৱঁৰ গদা কোৱঁৰৰ দেউতাক আছিল। কবিয়ে জয়মতীৰ ৰূপ গুণ বৰ্ণনা দিছে—

অনাথ নাথিনী করুণা ৰূপিনী
ৰূপে ত্ৰিভূবন জিনি;
জন্ম উচ্চবংশে বৰগোহাঁইৰ কুলে
তথাপি বিনয়ে ভৰা।

আহোম যুগত মহিলাৰ স্থান উচ্চ আছিল। আনকি মহিলাই ৰাজনীতিতো ভাগ লৈছিল। তেনে আদৰ্শ মহিলাৰ কথা আমি বুৰঞ্জীত বহুত পাওঁ। জয়মতী-য়েও দেশৰ কথা চিন্তা নকৰাকৈ থকা নাছিল। 'আহোম ৰমনী অতি স্নুনিপুনা ৰাজ্য হস্তে ৰাখে বেথা।' জয়মতীক

কবিয়ে এগৰাকী অসমীয়া হিন্দু নাৰী হিচাবেও অঙ্কন কৰিছে। স্বামীক পলো-ৱাই পথাই জয়মতীৰ দৰে নাৰীয়ে ভাবিব পাৰিছে, —"শৰীৰ ]পৰাণ মোৰ স্বামীৰ কাৰণে।" স্নান কৰি অঘ্য´ লৈ মন্দিৰত পূজা কৰি কৈছে—'ৰাখ মোৰ প্ৰিয় স্বামী।" যেতিয়া বিপদে আগচি ধৰে তেতিয়া অবলা নাৰীয়ে নিজৰ সন্তানকে বুকুত সাৱটি ধৰি বিপদ পাৰ হোৱাৰ ক্ষণ গণে। জয়মতীয়েও—"গৃহৰ ভিতৰে গৈয়া লাই-লেচাইক লৈয়া বৈলা জয়া শঙ্কা কৰি মনে।"

মৃত্যুৰ সময়লৈকে একমাত্ৰ স্বামীৰ কথা ধ্যান কৰি সকলো কষ্ট নিৰবে সহ্য কৰি গ ল। শেষত জেৰেঙা পথা-ৰতে জয়াৰ মৃত্যু হ ল। শ্ৰীযুত লীলা গগৈদেৱে পোৱা বুৰঞ্জীমতে, -"[জয়মতীক] শাস্তি কৰোৱা ঠাই ৰজাৰ বাহাৰৰ নিক-টতে জেৰেঙা পথাৰত। তাতে কুটকৰী গছত বান্ধি ৰাখি শাস্তি দিলে অনেক প্ৰকাৰে। পাচে একপক্ষ শাস্তি ভোগী কুঁৱৰী মৰিল। শক ১৬০১ চ'ত মাহ ১৩ দিন গুৰুবাৰে।" এই ৰূপে লাঙি গদাপাণিক নাপাই কুঁৱৰীকে মাৰিলে।" কবিয়ে সতীৰ মাহাত্ম্য অধ্যায়ত লিখিছে—

"জয়মতী কথা কিন্তু নোহয় পুৰণ
নোহয় বিচিত্ৰ কবি কল্পনাৰে গান।
জয়াৰ সাগৰ আৰু জয় দেবালয়
প্ৰচাৰিছে সতী কথা ত্ৰিভুবন ময়"

ভানুনন্দন ৰূপী ভূঞাঁদেৱে এই সতী সাধ্বী মহিলা গৰাকীৰ জীৱন ৰূপ কাব্য দিলেও বুৰঞ্জী হিচাবেও ইয়াৰ আতৰ হেৰাই যোৱা নাই। ই কেৱল "আৰ্টৰ ফুলনি ত সৃষ্টি হোৱা কাব্য নহয়, ই ভূঞাঁদেৱৰ বুৰঞ্জীৰ গবেষণালয়ৰ পৰা ওলাই অহা কাব্যহে।

# KANOI COLLEGE ALOCHANI

## English Section

26th Issue 1971–72

*Edited by*

HITESH VIKASH GOGOI

# KANOI COLLEGE ALOCHANI

Annual Publication.

## English Section.

Volume XXVI | 1971-72

Prof. Jadav Barua,
Prof -in-charge.
Prof R. K. Roy, Adviser.

Members of the Editorial Board.

—Mohan Sonowal
—Kuhiram Gogoi
—Lila Sonowal

*Editor*—
Hitesh Vikash Gogoi

CONTENTS

*Editorial*—


*Vita Sine Litteris Mors Est.* 1
*William Wordsworth-A poet of Nature* 3
*Chemical Evolutions of Life* 6
*Plagiarism* 14
*How we'll Travel Beyond the Moon* 16
*On Social Turmoil* 20
*Welcome my future generation* 21
*Life* 22
*The Sky* 23
*Brother, Be a Sweeper* 24

By

Prof. Jadav Barua
H. Darzika
Prof. R. K. Roy
Keshaw Prosad Avikasit
Ashok Kumar Das
Bir Bahadur Jadav
Manobendra Saikia
Arun Kumar Verma
Nil Moni Phukan
Late Ambika Giri Raihocudhury

*Secretarial Reports.*

# Editorial

## Language Problem in Assam : Medium of Instruction

The language issue mainly connected with the medium of instruction in the universities of Assam is the burning question. That the two universities at Dibrugarh and Gauhati have decided to adopt Assamese as the medium of instuction is definitely a healthy sign for the people of Assam. The Academic council of G. U. have also decided to retain English as an alternative medium for ten years more. To this the people of Kachar have raised a serious objection. They want Bengali too as an alternative medium of instruction in the Gauhati university. In this politics seems to play a background role. Bengali as the mother tongue of a neighbouring state had been disturbing the existance of Assamese for a century and a half at a stretch. Onec more the people of Kachar want Bengali to be adopted as an alternative medium of instruction in the Gauhati University. The mother tongue of these people is Bengali no doubt; but from the regional point of view it can't claim a rightful place as the medium of instruction in Assam. There are many other non-Bengali speaking people in Kachar. These people welcome Assamese as the medium of instruction. There are also 73 L. P. Schools, 24 M. E. Schools and 26 High English Schools in Hindi medium. These schools, too, do not desire Bengali as medium but they want Assamese as an alternative. It is true that except Bengali no other language would be able to disturb or create further problem in Assam. For example we may point out the Nepali Language; It has also no rightful claim in Assam.

For the healthy growth of the regional languages the local universities have to shoulder the highest responsibilities. Let us take for instance the case of Guru Nanak University in the Punjub where the medium of

instruction is only one i,e Gurumukhi. As such we don't see any reason why in Assam the universities at Dibrugarh and Gauhati cannot adopt Assamese as the only medium of instruction granting English at the same time, a lease of ten more years to come. Let the people of Kachar have a separate university of their own and keep Bengali as the only medium there. Their demand to adopt Bengali as an alternative medium in the G. U. is not genuine.

The question is now going on in the Supreme Court. We think that to satisfy them or to do away with such problem the relation of Kachar district must be cut off from Assam. For the people of Assam their mother tongue is the dearest and most important than having ten universities without serving the cause of Assamese.

Hitesh Vikash Gogoi.
Editor: Kanoi
College Alochani

EDITORIAL BOARD

# Kanoi College Alochani

## Session 1971-72



From Left to Right

1st row (Sitting):— Prof. R. K. Roy, Adviser, Prof. J. Borua, Prof.-in-charge, Mr. H. V. Gogoi, Editor, Kanoi College Alochani.

2nd row (Standing):— Mr. K. R. Gogoi, Member, Mr. M. Sonowal, Member, Miss. L. Sonowal, Member.

# UNION EXECUTIVE

D. H. S. K. COLLEGE, SESSION 1971-72.



From Left to Right

Sitting— Mr. T. Borah (Vice President); Prof. M. N. Sarmah (Adviser, Music); Prof. B. K. Konwar (Prof-in-charge, cultural); Prof. J. Barua (Prof.-in-charge, Magazine); Prof. S. K. Barthakur (Prof.-in-charge, Debating); Prof. (Mrs.) L. Dutta (Adviser, union); Principal, S. C. Dutta (President); Prof. P. N. Singh (Prof.-in-charge, organising), Prof. P. C. Bhattacharyya (Prof-in-charge, General Sports); Prof. P. Chakravarty (Prof.-in-charge, Music); Prof. Md. Salim (Adviser, Boys' Common Room); Prof. A. K. Dutta (Sr.) (Prof.-in-charge, Boys' Common Room); Mr. A. M. Saikia (General Secretary).

Standing— Mr. P. Gogoi (Boys' Common Room Secy.); Mr. C. R. Gogoi (Cultural Secy.); Mr. R. K. Saikia (Welfare Secy.); Mr. D. Duarah (Organising Secy.); Mr. R. H. Hazarika (Secy. Major Games); Mr. D. Bhunya (General Sports Secy.), Mr. B. Gogoi (Secy. Gymnasium), Mr. H. Vaid (Debating Secy.), Mr. J. Haque (Secy. Minor Games); Mr. H. V. Gogoi (Editor Kanoi College Alochani); Mr. S. Ahmed (Music Secy.); (Driver), Mr. P. K. Sarmah (Asst. General Secy.); Miss. A. Saikia (Secy. Girls' Common Room).

# VITA SINE LITTERIS MORS EST
## ( Life without literature is death )

Prof. Jadav Barua
Deptt.-of English.

Our 'existence' is possible, no doubt, without literature but we cannot live nobly without it. Life is not merely surviving on this earth but something more than that. Whether life is merely a 'walking shadow' or it is 'real and earnest', its goal not being the grave, we need not discuss. But life is not all nonsense; it is noble, it is beautiful, it is worth living — an exciting adventure indeed. Life has a definite, meaning, we feel with Browning, and to find its meaning is our meat and drink.

Each owing its vitality and gusto to the other, life and literature are inseparable. In fact, Art ( which includes literature ) is as old as creation itself and all the art forms are the spontaneous expression of the human soul. The pen and the string, the brush and the chisel, the body and the rhythm are instruments to satisfy the urge and craving of the human heart. Thus the product of the pen is intimately and inevitably connected with life. Literature, as has been said, is fundamentally an expression of life through the medium of language.

Literature includes the crystallised and distilled experience of the most sensitive, reflective and the most observant of our human beings. A great book, as a critic opines, grows directly out of life; in reading it we are brought into a large, close, fresh relations with life; and in that fact lies the final explanation of its power. We care for literature on account of its deep and lasting human significance. "A great book," according to Milton, "is the precious life-blood of a master spirit embalmed and treasured up on purpose to a life beyond life." Walt Whitman expressed this very vital truth when

he wrote : "Comrade, this is no book. Who touches this, touches a man."

Intellectual pleasure, provided by literature, is the highest form of joy to which a man can rise. Leonardo believed that the noblest pleasure is the joy of understanding. Man's chief aim in life is to attain happiness and whatever he does is calculated to bring him closer to the fountain spring of joy. Happiness is an end in itself. And who can doubt the profound and abiding ecstacy which literary masterpieces alone can provide ?

Literature, no doubt, represents life but no exactly life as it is. The spectacles through which the literary creator looks at the world are coloured with his vision and imagination with the result, literature comes down to us not as a carbon copy of life, but something inexpressibly enchanting like 'magic casements, opening on the foam of perilous seas in fairy lands forlorn.' Literature is to be judged as an integrated pattern woven out of the canons of both life and art. The artist may introduce his artifices ; exaggerate this and compress that. He may, at times, intensify one and slip over the other. But all this is a matter of artistic technique aimed at achieving a certain effect, a totality of experience which should be true to life. This is one thing whether art is superior to life or vice-versa. But this is another if art or literature serves life. Mathew Arnold's 'poetry is the criticism of life' boldly asserts that the poet or the litterateur creates and holds a beautiful and ideal picture of life in sharp contrast with real life. The poet's sole intention is to make life really ideal and beautiful. Hence art is definitely subservient to life.

Oscar Wilde observes, 'Literature always anticipates life. It does not copy it but moulds it to its purpose.' That is what Homer, Virgil, Dante, Shakespeare, Milton, Kalidasa, Dostovieski and others aimed at. In the pages of literature Life lives an eternal life— perpetuated by the undying strain of 'harmonious madness.'

# WILLIAM WORDSWORTH — A POET OF NATURE

Mr. H. Darzika
3rd Year B. A. ( English Honours )

Of the two convictions that penetrate Wordsworth's works— the moral and intellectual strengh which comes to him in communion with nature, and the dignity of man in himself; the fomer seems to be much in the focus of his thought. To him nature is veritably alive, a 'Universal chorus of thing forever speaking.' He sees in nature 'the hidding places of infinite power'.

A spirit that impels
All thinking things, all objects of all thought
And rolls through all things

William Wordsworth (1770—1850) is considered as the greatest poet of nature. In his nature poems we find the most sublime and sustaining expression of nature in its physical as well as spiritual aspects. The pre-romantic poets delineate the beauties of nature only in its physical aspect. They adore nature's external charms without having any mystical and philosophical approach to its inner life.

Wordsworth's cnception of nature, on the other hand, is not mere external manifestation of varied charms of nature. He goes a step deeper and represents nature as a mystical force capable of enlightening and enobling the human soul and mind. His contribution to the poetry of nature, thus lie not only in that he could give an accurate and closely absorved pictures of nature rich and minute in detail but more in the fact that he elevates nature to the heights of spiritual glory and made it a better teacher, asserting that.

One impulse from the vernal wood
May teach you more of man
Of moral evil and of good
Than all the sages can.

His conception of nature has something of an evolutionary growth of various stages beginning with the physical plane and ending at the mystical and spiritualistic interpretation of nature. His love for nature in his youth and formative years was without any spiritual touch. He was attracted by the physical beauty of nature. His conception of nature has advanced and developed as he grows in years. He was always thrilled and enchanted by the sigths and sounds of nature.

In the poem "Nutting" we find the first rumbling of change from the physical to the spiritual interpretation of nature Here he describes the circumstances that leads to a change in his approach to nature. The poet was returning home from a night party. He started throwing stones disturbing the peace of lovely leaves of the tree. Suddenly an idea flashed in his mind that he is unnecessarily hurting nature and unduly molesting the spirit of the tree. He then atonce stopped throwing the stones and fell in a mood of rumination. Something mysterious touched him and from that very moment started the period of spiritualistic interpretation of nature. He now considers himself as a dedicated spirit and the mission of his life becomes to the preaching of the gospel and secret message of nature to humamity.

He finds in the objects of nature a soul and a living spirit and now feels the presence of God colouring all the objects of nature investing them with a celestial light. He finds him in the shinning of the stars, in green meadows and in the trees of the woods. This omnipresence of God in nature gives him a mystic vision. To him nature is the physical expression of Divine being. The universe thus becomes for the poet permeated by onelife, the spirit of God is there in the hills and the light of setting sun ; and wherever the poet may go he has the visions of the Divine spirit in the objects of nature. He asserts quite confidently his faith in the presence of life in the varied objects of nature that every object of nature can feel pain or pleasure like ordinary human being when pricked or tickled.

To Every form of being is assigned
An active principle ; it lives
.. ...... ......... . ..... ... ........
And it is my faith
That every flower enjoys the air it breathes.

It is the realisation of the spirit of God permeating the objects of nature as well as human being that enables Wordsworth to bring man and Nature closer to each other. He seeks to establish a harmony between man and nature through his poetry. He unites nature with man. He looks on nature to hear the still sad music of humanity, Divorced from nature man is a poor creature. Wordsworth states that if human being seeks happiness in life they should allow the operation of the spirit of Republicanism, – of equality, Liberty and Fraternity in their lives as it prevails in nature. Again Wordsworth finds joy in nature. Nature produces joy—a never failing principle of joy. The hare runs races in her mirth, the flowers enjoys the air it breathes, and the waves dance beside the deffodils His heart leaps with exultation when he beholds the rainbow in the sky, he is thrilled with pleasure when he sees the Daffodils nodding their golden heaps beside the dancing and foaming waves

A poet could not but be gay
In such a jocund company.
........................ . .......
And then my heart with pleasure fills
And dances with the daffodils.

He is facionated by the sounds in the objects of nature—

A voice so thrilling never was heard,
In spring time from the Cuckoo bird.

Wordsworth's, as his is a peace loving soul, conception of nature is calm, serene and untroubled by painful thought. Aldous Huxley comments that Wordsworth's conce-ption of nature is one sided ; he deals only with the train and well-dressed nature as it is in Lake Districts, but he has not one word to say about the molevolent aspect to Nature— nature is 'red in tooth and claws.' W. H. Hudson says, "Byron being Byron saw nature in the tumult of revolt, Wordsworth being Wordsworth found in nature, what he sought the peace that was in his soul."

Throughout his life Wordsworth remained a true interpreter of nature, a devout worshipper who finds devine being in every creature ; and reveder of nature's harmony to humanity. He considers nature as the external garb of God.

———

# CHEMICAL EVOLUTION OF LIFE.

Prof R. K. Roy
Dept. of Zoology

One is amazed to find organic diversities existing in nature. There is a chemical order amid biological diversities. If life is to evolve and succeed, two such molecules are necessary. One consists of proteins, and the other of nucleic acids. Ever since the dawn of creation, these dynamic molecules evolved in various chain of complexities guided by natural forces. Indeed, their origin is a long chemical story.

Living organisms are composed of atoms that are common in the nonliving world, but these atoms are much more complexly organized than in nonliving matter. Only in living structures are atoms found organized into large molecules of proteins, nucleic acids, carbohydrates and fats. Corbohydrates and fats store energy. Proteins are the versatile molecules. A living cell, with their enzyme systems and other complex chemical substances, exhibits ceaseless chemical activity. This ceaseless chemical activity is life. Enzymes are proteins and are very specific in their actions. Sequence of purines and pyrimidines spells out the individuality of the **DNA** and the exact ordering of amino acids in a protein molecule is dictated by it. It is this ordering of amino acids in a protein molecule that makes one organism persistently different from others. It is not an exaggeration if, we say, DNA itself is life.

In tracing out the origin of these master molecules may probably we do not have sufficient informations. Exploration of outer space and other planets may fill in our enormous information gaps in some ways or other. Existence of life elsewhere than earth is yet not known. Organic Chemists, Biologists, who gathered in Houston, Texas to attend the lunar science conference could not report either the presence of any organic molecules related to life processes or any microscopic living form from their findings of lunar sample analysis. Only very recently the presence of amino acids

probably of extra terrestrial origin was reported in a meteor which landed in Australia sometime in 1969 by Dr Ponnamperuma and other. Such considerations lead us to speculate that organic molecules related to life and even some kind of organisms could exist on other planet.

## Chemical evolution

Environment plays an integral role in the evolution and emergence of living forms. So, in order to understand this chemical evolution, we must know the history of our planet and the nature of environment existed then.

It is believed that the earth was formed about 5 billion years ago by a process of cosmic maternal from a common cosmic pool. The bulk of the earth's original atmosphere consisted of light gases such as hydrogen and helium. The light gases have since been lost and the earth acquired a secondary atmosphere. There are wide differences in speculation. Some scientists believe that carbon dioxide and monoxide were present in abundance in the secondary atmosphere. Others believe, at that stage, the atmosphere lacked carbon dioxide. They assume probably the primitive atmosphere was formed totally in a different way. According to them, absence of oxygen in the atmosphere allowed continued influx of ultraviolet and other solar radiations on earth. Ultraviolet acted on water to produce hydrogen and oxygen. Oxygen reacted with a variety of reducing substances forming monoxides.

Meteriorites were continuously striking on earth and as a result much heat was generated causing the formation of iron oxide. These oxides reacted with carbon to form carbon monoxide and $Co_2$. Carbon dioxide reacted with hydrogen to form methane and other hydrocarbons. These hydrocarbons were the primary organic compounds and their formation was a step ahead on the way to life. $Co_2$ was then converted to carbonate. Similarly, metal carbides, nitrides and sulfides reacting with water yielded ammonia and hydrogen sulfide. The ammonia became part of the atmosphere of the earth. Nitrogen appeared on the earth surface in its reduced form ammonia ( $NH_3$ ).




*Probable Pathway of Chemical Evolution Leading to the Emergence of Living forms. The Pathway Might Have Involved Number of Phases.*

Earth might have also acquired large amount of organic material of Cosmic origin. Spectroscopic evidence suggests that the synthesis of organic compounds take place in the atmosphere of corbon stars. Atmospheric analysis of these stars indicate the presence of diatomic combinations of carbon with hydrogen, carbon with nitrogen, carbon with oxygen and carbon with carbon. These organic materials were ejected into the inter stellar space eventually entering into the solar system from where planet earth could get a supply of these materials.

It is believed that the primitive atmosphere was composed primarily of methane ( $CH_4$ ) water ( $H_20$ ), ammonia ( $NH_3$ ), hydrogen molecules, carbon monoxide and smaller amounts of hydrogen sulfide and nitrogen, certain molecular sub units, the building blocks from which living things are made of, would have been synthesized from the raw materials during its primitive oxygen and $CO_2$ free period of evolution.

Earth by then had cooled sufficiently for water vapour to condense and fail as rain producing oceans on earth. Our planet is predominatly a water planet and differs in this respect from the neighbouring planets. Water is known to be the most essential component of living systems and their formation was the key event containing many of the mentioned substances in solutions which made life possible.

Chemical synthesis requires energy. Wherefrom energy was available ? The young earth was continuously bombarded by ultraviolet light, x-ray and other high energy radiations which furnished the necessary energy for chemical conversion into complex molecules. The other sources of energy was the prolonged period of thunderstorm activity.

**Theories of origin:—**

The mechanistic theory accounts for the emergence of living organisms fiom the nonliving molecules, simply by gradual accumulation, which integrated later into a living form. This happened by chance at a given time and place This idea is rather improbable.

The materialistic theory of the

origin of life, postulated by the Russian Biochemist A. I. Oparin and late J. B S. Haldane, holds that organic molecules were formed abiogenically from inorganic molecules, as a series of steps, which gradually increased in complexity.

These organic compounds of low molecular weight were formed in reducing atmosphere and accumulated in oceans or on the surface of clays, which condensed into macromolecules. They possessed catalytic properties and acquired the power of duplication. Life was on the start. How could it happen ? Chemists must admit their limitations. They cannot produce something living combining methane, ammonia, water vapour and hydrogen. Definitely something supernatural did not happen. Evidences are indirect and the nature of the primitive environment of the earth is not known. Yet we believe that some of the steps which occurred can be repeated in the laboratory. For the rest of the process we are to make intelligent guesses.

Abiogenic synthesis of organic compounds :—

A pioneering experiment was performed by Stanley Miller, as part of his work toward a Ph. D. degree. He designed an apparatus and filled it with water, methane, ammonia, and hydrogen. The mixture was allowed to pass through a chamber having electrodes for electric spark discharge. Thus he mimicked the primitive environment and continued the experiment for a week. A number of products of biological importance were recovered from the solution. These included number of amino acids alanine, glycine, sacrocine balanine, £, amino butyric acid, aspartic acid, glutamic acid ; several organic acids, glycolic acid, lactic acid, urea and succinic acid, which is found in the citric acid cycle.

This experiment only could produce some molecules associated with life but not exactly something living. One drawback in this experiment was the quick degradation of organic molecules by electric spark as easily it promoted their synthesis. Probably we may infer that being dissolved in the oceans of primitive earth these molecules were better protected against degradation. Harada and Fox Nature, 201, 335,

(1964) heated methane, ammonia and water in a silica tube at 900 to 1000°c and obtained 18 naturally occurring amino acids. W. Fox, of Florida State University, took a mixture of 20 amino acids and heated it to the melting point. When it was allowed to cool, he found many of the amino acids bound together to form chains exactly similar to present day proteins. His synthesized polymers did not possess antigenic property but possessed catalytic property. These polymers were less active than natural enzymes proving the fact that probably primitive enzymes were weak enzymes. Formation of polypeptides was another mile stone on the way to life. The model synthesis produced racemic mixtures containing equal amounts of both optical isomer. But in nature we find almost always one type of isomer. All amino acids are of the L-form and all sugars are of the D form.

Probably assymetry in the natural forces might lead to the accumulation of one type of optically active enantiomorphs. Once life was estabLi hed these enantiomorphs were preserved. Twenty amino acids of the L isomers are universally found almost in all proteins. Why this specific number is 20? This is one of the natures' enigmatic rules. Probably other amino acids have been tried, tested and ultimately rejected being unsuitable to the organisms during the course of evolution.

Dr. Cyril Ponnamperuma, of the Ames Research Centre, California, developed interest in the abiogenic synthesis of purines and pyrimidines. He synthesized adenine and guanine by irradiating hydrogen cyanide. Uracil was prepared by heating malic acid and urea. Ribose and deoxyribose were synthesized by irradiating dilute solutions of formaldehyde with ultraviolet or gamma rays. Using adenine, ribose and ethylmetaphosphate as reactants, he could get adenosine, AMP, ADP, ATP, Adenosine tetraphosphate as products. He is one among the team of organic chemists, who analysed lunar sample brought by Apollo 11 astronauts.

Schramm was able to synthesize polymers containing many nucleotide residues which were effective in coding RNA, using the RNA polymerase. Abiotic synthesis give us some guide lines for filling in our information gaps, as many of these compounds

